# Assam Legislative Assembly Debates

## OFFICIAL REPORT

**FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

## VOL. I

## No. 21

**The 8th June 1978**

1984

PRINTED AT THE ASSAM GOVERNMENT PRESS, GAUHATI

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1978

(Budget Session)

Volume—I

No. 21

Dated the 8th June, 1978

---

## CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions ... ... ... ... .. | 1061—1081 |
| 2. | Voting on Demand for grants .. .. | 1081—1118 |
| 3. | Calling Attention Notice ... ... | 1119 |
| 4. | Miscellaneous ... ... ... | 1120—1121 |
| 5. | Statement by the Chief Minister ... | 1121 |
| 6. | Adjournment .. ... ... .. ... | 1122 |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Thursday, 8th Juue, 1978 with the Hon. Speaker in the Chair, 9(nine) Ministers, 2 (Two) Ministers of State, 2 (Two) Parliamentary Secretaries and 83 (eighty three) Members present.

## STARRED QUESTIONS AND ANSWERS

বি ঃ শিক্ষাধিকাৰৰ কাৰ্য্যালয়ত ৰেজিষ্টাৰ কাম কৰা শ্ৰীচক্ৰধৰ গোস্বামী

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

*১১৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শিক্ষাধিকাৰৰ কাৰ্য্যালয়ত শ্ৰীচক্ৰধৰ গোস্বামী নামেৰে এজন ৰেজিষ্টাৰ আছে নেকি আৰু যদি আছে তেখেতৰ বৰ্ত্তমান বয়স কিমান ?

(খ) এই ৰেজিষ্টাৰজনে কোন স্কুলৰ পৰা মেট্ৰিক পাছ কৰিছিল ?

(গ) তেখেতৰ মেট্ৰিক পৰীক্ষা পাছৰ অৰিজিনেল প্ৰমাণ পত্ৰখন সদনৰ মেজত দাখিল কৰা হবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১৩। (ক)—হয় আছে। তেখেতৰ বয়স ইং১।৫।৭৮ তাৰিখত ৫৫ বছৰ ৪ মাহ।

(খ)—তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা প্ৰাইভেট কেনদিডেত হিচাবে ১৯৪০ চনত ২য় বিভাগত প্ৰবেশিকা পৰীক্ষা পাছ কৰিছিল।

(গ)—তেখেতৰ প্ৰবেশিকা পৰীক্ষা পাছ কৰাৰ প্ৰমাণ পত্ৰৰ স্বাক্ষৰিত নকল সদনৰ মেজত দাখিল কৰা হ'ল।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—ইয়াত প্ৰশ্নত পৰিস্কাৰকৈ লিখা আছিল অৰিজিনেল চাৰ্টিফিকেট খন দাখিল দিব লাগে বুলি কিন্তু কপি কিয় দিয়া হল ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ঃ—প্ৰায় পয়ত্ৰিশ বছৰৰ ব্যৱধানত অৰিজিনেল চাৰ্টিফিকেট খন পোৱা হল বাবেই প্ৰমাণপত্ৰৰ নকল এটা দাখিল কৰা হল। ইয়াৰ লগত অৰিজিনেলখনৰ মিল আছে। মাননীয় সদস্য গৰাকীয়ে চাব খুজিলে পিচত দিব পৰা হব।

অতুল চন্দ্ৰ গোস্বামী ঃ— প্ৰশ্নত পৰিস্কাৰ কৰি লিখা আছে তেখেতৰ মেট্ৰিক পাচ কৰা অৰিজিনেল চাৰ্টিফিকেট খন সদনত দাখিল কৰা হবনে ? এই বুলি লিখাৰ পিচতো কিয় দাখিল কৰা নহল আৰু নকল এটাহে কিয় দাখিল কৰা হব সেইটো জানিব বিচাৰিলো।

---

*Speech not corrected.

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— চাকৰি সংক্ৰান্তত যিখন পোৱা হল আৰু পিচত অৰিজিনেল খন উলিয়াবলৈ কোৱা হল কিন্তু বিছাৰি পোৱা নাছিল।কিন্তু পিচত সেইখন পোৱা হল। আন এটা সময়ত দিব পৰা হব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—এই ৰেজিষ্টাৰ জনক চাৰ্ভিচ বহীত থকা বয়স আৰু চাৰ্টিফিকেটত যিটো বয়স বুলি দিছে অৰ্থাৎ ১-৫-৭৮ তাৰিখে ৫৫ বছৰ ৪ মাহ হব, এই দুয়োটা বয়সৰ মিল আছে নে?

শ্ৰীলখ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— চাৰ্ভিচ বহী আৰু অৰিজিনেল চাৰ্টিফিকেট সদনৰ মেজত দাখিল কৰা হব।

শ্ৰীযোগেন গগৈ :—স্পেচিফিক এটা প্ৰশ্ন কৰা হৈছিল। তাৰ ঠাইত ভেগ উত্তৰ এটা দিয়া হৈছে এইটো উচিত জানো?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :—(শিক্ষামন্ত্ৰী) এইটো ভেগ নহয়। তেখেতেও সময় বিচাৰিছে। কিন্তু মাননীয় সদস্য সকলৰ প্ৰশ্নৰ উত্তৰ সোনকালে দিয়াৰ কাৰণে এইটো কৰা হৈছে।

শ্ৰীএ-এন-আক্ৰাম হুচেইন :— ইয়াতে গ' প্ৰশ্নত স্পষ্টভাৱে লিখা হৈছে যে প্ৰমাণ পত্ৰখন সদনৰ মেজত দাখিল কৰা হবনে? তেনে ক্ষেত্ৰতো মন্ত্ৰী মহোদয় যদি প্ৰস্তুত হৈ অহা নাই অৰ্থাত অৰিজিনেল চাৰ্টিফিকেট খন অনা নাই মই অনুৰোধ কৰিছো এই প্ৰশ্নটো পেণ্ডিং থাকিব লাগে।

Mr. Speaker :—The original certificate is the property of the person concerned. It cannot be laid on the table of the House because as soon as it is laid on the table it becomes the property of the House. The person concerned will not get back the certificate. Therefore the certified copy has been submitted.

শ্ৰীপ্ৰেমধৰ বৰা :— মন্ত্ৰী মহোদয়ে নিজে দেখিছেনে নাই জানিব বিচাৰিছো।

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— বিভাগীয় বিষয়াই লিখি পঠিয়াইছে আৰু সেই ধৰণেই কোৱা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—এইখন মেট্ৰিক পাচ কৰা চাৰ্টিফিকেটৰ নকল হব বুলি কেনেকৈ ভাবি লব পাৰিব? আমিও কলিকতা বিশ্ববিদ্যালয়ৰ পৰা মেট্ৰিক পাছ কৰিছিলো কিন্তু ইয়াত আছে :

UNIVERSITY OF CALCUTTA
MATRICULATION EXAMINATION

Certify that Chakradhar Goswami, a Private Student, aged 20 years 2 months on the 1st of March, 1943 duly passed the Matriculation Examination held in the month of April, 1943, and was placed in the Second Division.

SENATE HOUSE SEAL Sd/- SEAL
the 26th August, 1943. Controller of Examinations.

Attested.
Sd/-
21st May, 1975

*Speech not corrected.

কাৰ চহী একো নাই, চীল মোহৰ হলেই মন্ত্ৰী মহোদয়ৰ বিশ্বাস জন্মিব পাৰে কিন্তু ইয়াত ইলিজৰ লৰা কোনো প্ৰত্যায়ণ কৰা বিষয়াৰ চহী নাই। সাধাৰণতে চাৰ্টিফিকেটৰ যিটো গত আছে সেই গতত নাই। গতিকে ইয়াত সদনৰ মেজত দাখিল কৰিব পাৰি নোৱাৰি কি বদল আছে মই নাজানো কিন্তু মন্ত্ৰী মহোদয়ে বিষয়াজনৰ চাৰ্ভিচ বুক আৰু অৰিজিনেল চাৰ্টিফিকেট খন তেখেতৰ চেম্বাৰত হলেও চোৱাৰ ব্যৱস্থা কৰিব নে? বিষয়া জনক বিপদাপন্ন কৰাৰ মোৰ কোনো অভিপ্ৰায় নাই কিন্তু কথাটোৰ সত্যতা প্ৰমাণিত হব লাগে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) ঃহয়। সেইটো কৰা হব।

বিঃ গুইমাৰি-ফুটুৰী ৰিং বান্ধ

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

*১১৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পলাশবাৰী গুমি মথাউৰিৰ ওচৰেদি গুইমাৰী গাঁৱৰ পৰা ফুটুৰীলৈ এটি ৰিং বান্ধ দিয়াৰ কিবা প্ৰস্তাৱ চৰকাৰে কৰিছে নেকি?

(খ) যদি কৰিছে, এইটো গুইমাৰী গাঁৱৰ পৰা হব নে চিমিনাৰ পৰা হব আৰু এই বিষয়ে কিবা সিদ্ধান্ত লোৱা হৈছে নেকি?

(গ) যদি চিমিনাৰ পৰা হয়, তেতিয়া হলে গুইমাৰী, দখলা, নহিৰা আদি কেবাখনো গাঁৱৰ ওপৰত ইয়াৰ প্ৰতিক্ৰিয়া কেনে হব?

(ঘ) এই ৰিং বান্ধৰ বাবে কিমান টকাৰ এষ্টিমেট কৰিছে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১৪। (ক)—এতিয়ালৈকে কৰা হোৱা নাই।

(খ), (গ) আৰু (ঘ)—ওপৰোক্ত প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

শ্ৰীএ, এন, আক্ৰাম হুচেইন ঃ— পলাশবাৰী গুমিৰ মথাউৰি সম্পৰ্কত যিটো প্ৰশ্ন আহিছে ইয়াত সেই ঠাইৰে আগৰ এজন মন্ত্ৰীয়ে প্ৰভাৱ কৰি গাঁও কেইখন পানীৰ তলত ডুবাই দিয়াৰ কাৰণে এই ব্যৱস্থা কৰিছিল সেইটো মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী মন্ত্ৰী) ঃ—এইটো চৰকাৰৰ জ্ঞাত কিন্তু আগৰ বিভাগীয় ব্যৱস্থাত পিচলৈ নদীটো মথাউৰিৰ বাহিৰত পৰিছিল এই গাঁওকেইখনৰ পৰা সেয়ে আগৰ মথাউৰিৰ লগতে এটা বান্ধ দিয়া হয়। বিপদাপন্ন যাতে নহয় তাৰ বাবে গাইড বান্ধ বন্ধাৰ প্ৰস্তাৱ আমাৰ হাতত এতিয়ালৈকে লোৱা হোৱা নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— যিটো পুৰণা বান্ধ সেইটো বিপদাপন্ন নোহোৱাৰ কাৰণে ৰিং বান্ধ কৰা হৈছে। পুৰণা বান্ধ ভাঙি যোৱাত পুৰণা বান্ধ আৰু ৰিং বান্ধৰ মাজৰ যিবিলাক গাঁও পৰি গৈছে সেইবিলাক এবান্ডন এৰিয়াত পৰি গৈছে। গতিকে সেই এবান্ডন এৰিয়াৰ মানুহবিলাকক দুৰ্গতিৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে নতুন কিবা ব্যৱস্থা কৰিছেনেকি?

---

*Speech not corrected.

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—এই ধৰণৰ বহুত অঞ্চলেই আছে গতিকে ইতিমধ্যে এই ধৰণৰ অঞ্চলবিলাকৰ বাইজক কেনেধৰণে উদ্ধাৰ কৰিব পৰা যায় আৰু তেওঁলোকক কিবা পুণ সংস্থাপনৰ ব্যৱস্থা কৰিব পৰা যায় নে নোযায় সেই বিষয়ে চৰকাৰে পৰীক্ষা নিৰীক্ষা কৰি আছে।

শ্ৰীযোগেন গগৈ :— আমাৰ ৰাজ্যত এই বান্ধ বা মথাউৰী বন্ধা কাৰণে বিশেষজ্ঞ বা ইঞ্জিনীয়াৰ সকল আছে তেওঁলোকে কোন মঠাউৰী দুৰ্বল হলে শক্তিশালী কৰিব লাগে তাৰ ব্যৱস্থা আৰু তেওঁ-লোকক পৰামৰ্শ কৰিব লাগে। কিন্তু যি আঁচনি যত প্ৰয়োজন সেই আঁচনি তাত নকৰাৰ ফলত গাঁও -ভুইবিলাক বিধ্বস্ত হৈ থাকিবলগীয়া হৈছে। এই অৱস্থা ৰক্ষা কৰিবলৈ আৰু কিমানদিন লাগিব চৰকাৰে জনাবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱ :(মন্ত্ৰী) ।— এই সমস্যাটো আজিৰ সমস্যা নহয় বহুত দিন ধৰি চলি থকা সমস্যা। মাননীয় সদস্য মোৰ লগত নিশ্চয় একমত হব যে কিছু ক্ষেত্ৰত ৰাজনৈতিক দিশৰ পৰাও কিছুমান বান্ধ বন্ধা হৈছিল, বৈজ্ঞানিক ভাবে সেই ব্যৱস্থা হোৱা নাছিল। সেই কাৰণে এই সকলোবিলাক পৰীক্ষা নিৰিক্ষা কৰি চাব লাগিব।

শ্ৰীফনি মেধি :— আমাৰ মাননীয় সদস্য এগৰাকীয়ে বাৰে বাৰে অভিযোগ কৰিছে যে এই মঠা-উৰীটো ৰাজনৈতিক দিশৰ পৰা কতা হৈছিল আৰু তাৰ দ্বাৰা কিছুমান গাঁও ধংস হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো এই মঠাউৰীটো জনতা চৰকাৰৰ দিনত কতা হল নে আগতে কতা হৈছে আৰু আগতে কোনে কেতিয়া কি কাৰণত কাতিছিল সেই বিষয়ে তদন্ত কৰিব নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— আমি অহাৰ আগতে এই ঘটনাটো ঘটাইছিল। এই সম্পৰ্কে মাননীয় সদস্য সকলে কৈছে যেতিয়া অনুসন্ধান কৰি সদনত এটা বিবৃতি দিব পৰা হব।

শ্ৰীছামছুল হুদা :—মই মন্ত্ৰী মহোদয়ৰ দ্বাৰা জানিব বিছাৰিছো আগৰ চৰকাৰে মঠাউৰীৰ বাহিৰৰ মানুহক বিপদাপন্ন অৱস্থাত এৰি দিছিল এতিয়া নতুন চৰকাৰে সেই ব্যৱস্থাকে লব নে কিবা সাহায্য আদি দিয়াৰ ব্যৱস্থা কৰিব ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—তেওঁলোকক এৰি দিব লাগে বুলি আমি নাভাবো কিন্তু তেনেকুৱা ধৰণৰ সমস্যা গোটেই অঞ্চলতে আছে। গোটেইখিনি সামৰিলে হাজাৰ নহয় কেবালাখতো পৰিব। গতিকে তেওঁলোকক কি ধৰণে ৰক্ষা কৰিব পাৰি নে পুনৰ সংস্থাপনৰ দিহাই কৰিব পাৰি সেই বিষয়ে পৰীক্ষা নিৰীক্ষা কৰি থকা হৈছে। সেই সমস্যাটো সমাধান কৰা একেদিনাই সম্ভৱ নহব আমি যিমান পাৰো এই বিপদাগ্ৰস্থ সকলক ৰক্ষা কৰিবলৈ নিশ্চয় ব্যৱস্থা কৰিব লাগিব।

শ্ৰীছামচুল হুদা :— তেওঁলোকক পানীৰ পৰা ৰক্ষা কৰিবলৈ ৰেইজ প্লেট ফৰমৰ কিবা ব্যৱস্থা বা আচনী চৰকাৰে কৰিছে নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— তেনে অ চনি নাই। মাজপ্ৰলী অঞ্চলত কৰা হৈছিল। সেই সম্পৰ্কে পৰীক্ষা কৰি চাব লাগিব এতিয়াই উত্তৰ দিয়া টান।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— আগৰ চৰকাৰে পানীৰ লগত সহবাস কৰাৰ নীতি গ্ৰহণ কৰিছিল এতিয়া বৰ্ত্তমান চৰকাৰৰ নীতি কি জনাব নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— সহবাস কৰাৰ নীতি লোৱা নাই। মই এই সুবিধাতে এটা কথা স্পষ্টিকৰণ দিব বিছাৰিছো সেই বান্ধটো ? কতাৰ কথা কৈছে সেই বান্ধটো কৃতা নাছিল, বান্ধটো খহনীয়াত গৈছিল।

শ্ৰীফনি মেধি :— বান্ধটো ৰাজনৈতিকভাৱে কাতি দিয়া হৈছিল বুলি সদস্য গৰাকীয়ে কৈছে কিন্তু তেখেতে কৈছে কতা নাই। এইটো গৰ চৰকাৰৰ কথা বিষয়া সকল আছেই গতিকে কথাটো তদন্ত কৰি ধ্বাণবিহীত ব্যৱস্থা লব নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— তদন্ত কৰা হয়।

*Speech not corrected.

Re : **Jajlaigaon Electric Lift Irrigation Scheme**

Shri RANENDRA NARAYAN BASUMATARI asked :

*115. Will the Minister, Irrigation be pleased to state—

(a) The Total areas in acreage proposed to be covered b, the Jajlaigaon Electric Lift Irrigation scheme ?

(b) Whether Government is aware that the cultivators of the proposed command area are not getting satisfaetory service from this scheme ?

(c) If so, whether Government will take steps to replace the present Electric Lift Irrigation scheme by flow Irrigationt scheme with a provision of heand work near Garnfella leteral Road ?

Shri KESHAB CHANDRA GOGOI Minister, replied :

115. (a)—1,9000 Acres.

(b)—As the scheme had been given triaı run from the Kharif crop of 1977, there had been some feething troubles as is usually experienced in such a case.

(c) The question of taking up of a flow Irigation scheme in place of presen Lift Irrigation schemes does not arise as the Deqartment is taking all necessary action to remove the difficulties for smooth operation of the Electric Lift Irrigation scheme.

Shri RANEDRA NARAYAN BASUMATARI : Mr. Speaker, Sir, when the scheme is in the name of Jajlaigaon village why the people of Jajlaigaon village and other villages are not getting irrigation from the scheme ? I would like to know whether arrangements will be made so that Jajlaigaon Village and other villages will get the water ?

Shri KESHAB CHANDRA GOGOI (Minister) : Sir, the scheme is meant for 1900 acres of land of that locality and all the villages within the area will get the benefit in due crourse.

Shri RANENDRA NARAYAN BASUMATARI : Sir perhaps the Hon'ble Minister is aware that this Guruphela river from where this scheme is originated has a perennial source of water. Will the Government consider for the replacement of this scheme by the other irrigarion scheme as early as possible ?

Shri KESHAB CHANDRA GOGOI, (Minister) : Sir, this question has already been answered. We have no other scheme under consideration. If the area in the neighborhood concerned requires more irrigation work that may be considered.

Shri RANENDRA NARAYAN BASUMATARI : Sir, how long it will take for the Government to irrigate the paddy fields of Jajlaigaon llvage and other neighbouring villages ?

Shri KESHAB CHANDRA GOGOI, (Minister) : From the report available, although the target proposed in crop programme was 1250 acres in 1977 only 300 acres were irrigated for Khariff and 2 acres were irrigated for Rabi crop although the target proposed in crop programme was 125 acres. In 1978,200 acres were irrigated though the target proposed in crop programme was 500 acres. So, in a phased manner that will be increased and it is difficult at this stage to say definitely when all the villages as mentioned by the Hon'ble Member will be irrigated.

Shri RANENDRA NARAYAN BASUMATARI : Sir, there is a strong resentment among the people of Jajlaigaon and other villages thrt this is a scheme only in name and nobody is getting any benefit out of it. So, I want to know from the Hon'ble Minister when the people of Jajlaigaon and other neighbouring villages will get water from the sdheme ?

Shri KESHAB CHANDRA GOGOI, (Minister) : Sir, as has already been replied there had been some teething troubles and when the teething troubles have been removed it is hoped that Jajlaigaon village and the neighbouring areas will get water in their areas.

Re : **Dhing Hiloikhunda Brahmaputra Dyke**

Shri ABUL KASHEM asked :

*116. Will the Minister, Flood Control be pleased to state—

(a) Whether the Government is aware of the fact that there is re-occurrence of flood in Morigaon Sub-division due to non-completion of the Dhing Hiloikhunda Brahmaputra Dyke ?

(b) If so, whether Government has any scheme for the completion of the said dyke ?

(c) If so, when the work will be started ?

Shri DULAL CHANDRA BARUA Minister, replied.

116. (a)—Yes,

(b)—Yes.

(c)—The work will be taken up after aproval of the estimate subject to availability of fund.

Shri ABUL KASHEM—Whether the scheme is placed before the Board for the clearance or it is not yet prepared?

Shri DULAL CHANDRA BARUA; (Minister)—Yes, the estimate has been placed before the Board of Brahmaputra Flood Control and it has been cleared in the year 1973 but it has not been sent to Central Water Commission for its approval.

*Speech not corrected.

Shri ABDUL KASHEM—What is the amount involved?

Shri DULAL CHANDRA BARUA, (Minister)—The amount involved is Rs. 2.61 lakhs and we are sending this for the clearance of the Central Water Commission.

Shri PREMADHAR BORA—Mr. Speaker, Sir, If the Central Government does not give the clearance will the State Government take up the project with its own resources because the State Government can take up the project upto Rs 50 lakhs. So may I know from the Minister, if the Government do not get the approval of the Ceutral Government will the State Government exercise their power upto the limit prescribed ?

Shri DULAL CHANDRA BARUA, (Minister)—Sir, the project is a very big project and our financial resources is very limited and the hon'ble Member is also aware of it. Again, the budget provision this year is very limited. Therefore, we are placing this for the clearance of the Central Government and there is no apprehension that our proposal will be rejected. We are pursuing and we hope to get the clearance within a short time. As soon as the clearance comes, we will take up the project.

Shri RANENDRA NARAYAN BASUMATARI—Whether the Government of Assam is trying to impress upon the Government of India the necessity of taking up the flood control measures in Assam on priority basis.

Shri DULAL CHANDRA BARUA, (Minister)—Yes, for the information of the House, through you, sir, I want to say that last time when the National Development Council met in Delhi a resolution was adopted and the National Development Council gave priority to allocate more funds in this particular head and in a form of resolution they decided to do so and the Government of India; I should say, is very keen to take up the project on a priority basis.

Shri PHANI MEDHI—May I know from the hon'ble Minister how many schemes have been submitted by the Brahmaputra Flood Control Board?

Shri DULAL CHANDRA BARUA, (Minister)—This is a question of policy and the previous Government also were trying their best to handover the Brahmaputra Flood Control to Government of India but due to certain reasons this was not done. We are impressing upon the Government of India to take up major projects by them and the minor ptojects will be taken up by the State Government. The Government of India is taking up anoiher 3 important projects such as Barrak, Dhing and Hiroikunda.

Shri PHANI MEDHI—Will the hon'ble Minister state what are the reasons for the Government of India not to take up the Brahmaputra Flood Control project in hand?

*Speech not corrected.

Shri DULAL CHANDRA BARUA, (Minister)—The present Government is very much keen, there is no question of refusal.

Shri JAGAT PATGIRI—Then what are the reasons for which the Government of India do not take up the B. F. C. project?

Shri DULAL CHANDRA BARUA, (Minister)—The question is we are pressing the Government of India that the Brahmaputra Flood Control project shonld be take up by them i.e. they are to take over the major projects and we would take up the minor projects Therefore, the question is not that they are unwilling to take up this work.

Shri A. N. AKRAM HUSSAIN—Mr. Speaker, Sir, whether this project i.e. the Dhing and Hiroikunda are major projects or minor projects.

Shri DULAL CHANDRA BARUA, (Minister)—These are medium

শ্ৰীএ, এন আক্ৰাম হুচেইন ঃ—অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ ড্ৰাইৰ্ভাট কৰি গংগাত পেলোৱা কিম্বা আঁচনি লোৱা হৈছে নে কি ?

শ্ৰীঅতুল গোস্বামী ঃ—চাৰ, এই প্ৰশ্নটো কেনেকৈ ইয়াত আহিব পাৰিলে ?

(উত্তৰ নাই)

বিঃ তেজপুৰ মহকুমাত জাৰ্চী গাইৰ যোগান

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ

*১১৭। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰ মহকুমাৰ কিমানজন লোকক যোৱা ৫ বছৰৰ ভিতৰৰ এই বিভাগে জাৰ্চী গাইৰ যোগান ধৰিছিল ?

(খ) এই গাই বিলাকৰ ভিতৰত জীৱিত থকাৰ সংখ্যা কিমান ?

(গ) এই গাই বিলাকৰ পৰা বৰ্ত্তমানে কিমান গাখীৰ নিতৌ গড় হিচাবে পোৱা যায় ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (পশু পালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১৭। (ক)—যোৱা ৫ বছৰৰ ভিতৰত এই বিভাগে মাথোন এজনী খিৰতী দোমোচা গাই আৰু এজনী দোমোচা চেউৰী বালিচাপৰি কৃষি সমবায়সমিতি, তেজপুৰক দিছিল।

(খ)—দুয়োজনী গৰুৱে বৰ্ত্তমান জীৱিত।

(গ)—নিতৌ গড়ে ৩ (তিনি) লিটাৰ গাখীৰ পোৱা যায়।

---

*Speech not corrected.

শ্ৰীগোলক ৰাজবংশী :—অধ্যক্ষ মহোদয়, সাধাৰণতে জাৰ্চী গাই এজনীয়ে কিমান গাখীৰ দিব লাগে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :—এইটো জাৰ্চী গাইৰ কথা নহয়, দোমোচা গাইৰ কথা।

শ্ৰীগোলক ৰাজবংশী :—দোমোচাই হওক, সাধাৰণতে কিমান গাখীৰ দিব লাগে ?

সমৰ ব্ৰহ্ম চৌধুৰী :—(মন্ত্ৰী)—কিমান দিব লাগে বুলি কোনো হাৰ্ড এণ্ড ফাষ্ট ৰুল নাই, সেইটো নিৰ্ভৰ কৰে কিছুমান ফেক্টৰৰ ওপৰত।

শ্ৰীগোলক ৰাজবংশী :—এই গাইজনীয়ে যাতে বেছি গাখীৰ দিয়ে তাৰ কাৰণে বিভাগৰ তৰফৰ পৰা কি দিহা পৰামৰ্শ দিয়া হৈছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী :—সচৰাচৰ এজনী গাইৰ কাৰণে যিখিনি বস্তুৰ দৰকাৰ সেই সকলোখিনি দিবলৈ কোৱা হৈছে।

শ্ৰীগোলক ৰাজবংশী :—অধ্যক্ষ মহোদয়, এই গাখীৰ বেছি নোহোৱাৰ কাৰণে কি? বিভাগীয় নিৰ্দেশ থকা স্বত্বেও কিয় সেইমতে ব্যৱস্থা লোৱা হোৱা নাই ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী :—(মন্ত্ৰী)—কাৰণ হয়তো এনেকুৱা হব পাৰে সেই সময়ত যি ব্যৱস্থা লব লাগিছিল ততাতৈয়াকৈ একো লব নোৱাৰিলে।

ফণি মেধি :—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে গোৱালপাৰা জিলাত এটা আই, টি, ডি, পি হোৱাৰ কথা আছিলে, কিমানখিনি আগবাঢ়িছে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী :—(মন্ত্ৰী)—এইটোৰ বাবে এটা বেলেগ প্ৰশ্নৰ দৰকাৰ, তথাপ গোৱালপাৰা জিলাৰ অভয়াপুৰিত এটা আই, টি, ডি,পিপৰ কেন্দ্ৰ অতি সোনকালে খোলা হব।

Started question nos. 118 to 119 were not put. Members bering absent.

**বিঃ ভেজাল খাদ্য বিশ্লেষণ আৰু শাস্তি বিভাগ**

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীয়ে সুধিছে :

*১২০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ভেজাল খাদ্য পৰীক্ষা কৰিবৰ বাবে বিশ্লেষণ বিভাগ (এনালিচিচ) এটা আৰু ভেজাল খাদ্য প্ৰস্তুত কৰা আৰু বিক্ৰী কৰোতাক ধৰা পেলাই শাস্তি বিধান কৰিবৰ বাবে শাস্তি বিভাগ (এনৰ্ফোচমেণ্ট) এটা আছে নেকি ?

(খ) যদি আছে, এই দুয়োটা বিভাগ একেজন বিষয়াৰ অধীনত থকাটো সচাঁনে আৰু যদিহে সচাঁ তেন্তে দুয়োটা বিভাগ একেজন লোকৰ ওপৰত কিয় ন্যস্ত কৰা হৈছে ?

(গ) যিজন বিষয়াৰ হাতত এই দুয়োটা বিভাগ ৰখা হৈছে তেওঁৰ ডাক্তৰী জ্ঞান আছে নেকি আৰু যদি আছে কেনে ধৰণৰ ?

*Speech not corrected.

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২০। (ক)—আছে।

(খ) আৰু (গ)—সচাঁ নহয়। স্বাস্হ্য সঞ্চালকৰ অধীনতেই দুয়োটা শাখাৰ কাম-কাজ হৈ আছে। তেওঁ এজন অভিজ্ঞ ডাক্তৰ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে হয়, আছে— যদি আছে এই পাব্লিক এনালিন্ট আৰু এনফৰচমেন্ট বিষয়া জনৰ নাম জনাবনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা —(সংসদী পৰিক্ৰমা মন্ত্ৰী)—নাম বিলাক চাব লাগিব কিও যি কেইজন বিষয়া আছে তেওঁলোক অৰ্হতা সম্পন্ন বিষয়া।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—মন্ত্ৰী মহোদয় সকলে এনে ধৰণৰ প্ৰশ্ন উত্তৰ দিলে দুখ লাগে। প্ৰশ্নটো আছিল স্বাস্হ্য সঞ্চালকালয়ত পাব্লিক আৰু এনফচমেন্ট বিষয়া আছে নে কি? —উত্তৰত আছে বুলি কৈছে, গতিকে এই বিষয়া দুজনৰ কাক কি দায়িত্ব দিয়া হৈছে আৰু তেওঁলোকৰ নাম কি মন্ত্ৰী মহোদয়ে কব নোৱাৰাত মই আচৰিত হৈছো।

দুলাল চন্দ্ৰ বৰুৱা—(মন্ত্ৰী)—এনালিষ্টজন চাম দাস, বোধকৰো পি, চি, দাস, আৰু এনফচনেন্ট বিষয়াজনৰ নাম মোৰ হাতত নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— অধক্ষ মহোদয়, আমি জনাত বিষয়া এজনেই আছে, যদি মন্ত্ৰী মহোদয়ে দুজন বুলি কয় তেন্তে আনজনৰ নাম দিব লাগিব। এই পি, দাসৰ কি কোৱালিফিকেশ্যন আৰু কি অভিজ্ঞতা আছে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা —(মন্ত্ৰী)—পাবলিক এনালিষ্ট জনৰ অভিজ্ঞতা বহুত আছে আৰু ফৰেইন ডিগ্ৰীও আছে। এম, এচ, লণ্ডন বিশ্ব বিদ্যালয়ৰ পৰা পাছ কৰা। চেন্ট্ৰল ফুদ বিষয়ত পাছ কৰা আৰু এই বিষয়ত ২০ বছৰৰ অভিজ্ঞতা আছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—অধ্যক্ষ মহোদয়, যোৱা বছৰ মাৰ্চ মাহলৈকে এই বিভাগৰ জড়িয়তে কিমান ভেজাল খাদ্যৰ কেচ ধৰা হৈছে মন্ত্ৰী মহোদয়ে তাৰ হিচাব দিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ—(মন্ত্ৰী)—যোৱা বছৰৰ হিচাবটো মোটামোটি ভাবে মোৰ হাতত আছে, জিলা হিচাবত আঁঠটা কেচ ধৰা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—কেইটা কেচ নিষ্পত্তি কৰি ইতিমধ্যে শাস্তি বিধান কৰা হৈছে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—(মন্ত্ৰী)—কেচ কেইটা প্ৰচেচিং অৱস্হাত আছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী— যি ৭টা গোচৰ আছে সেই কেইটা প্ৰত্যাহাৰ কৰা হলনে নাই অব্যাহত আছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱাঃ— (মন্ত্ৰী) ঃ—এই কেইটা গোচৰ চলি আছে।

---

*Speech not correetep.

শ্ৰীগিয়াচুদ্দিন আহমেদ :—ৰাজ্যখনত যিমান এনালাইচিজ বিভাগৰ মানুহে কাম কৰি আছে আৰু ভেজাল যিমান ব্যাপক ভাবে আমদানি হৈছে তালৈ চাই কাম কৰা মানুহৰ সংখ্যা যথেষ্ট হৈছে বুলি ভাবেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—(মন্ত্ৰী) বিষয়াৰ সংখ্যা যথেষ্ট হোৱা নাই এই কথা সচাঁ। এই বিভাগটো ভাল কৰিবলৈ হলে গোটেই বিভামটোৱেই পুনৰ সংগঠন কৰিব লাগিব। এতিয়া জিলাত এজন বা দুজনতকৈ বিষয়া দিয়া হৈছে। প্ৰতিটো মহকুমাতে বিষয়াৰ সংখ্যা বঢ়াব লাগিব আৰু তাৰ কাৰণেই বিভাগটো পুনৰ গঠন কৰিব লাগিব।

শ্ৰীমোঃ ছামচুল হুদা :—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ বে-মাৰ আজাৰ বিলাক যিহেতুকে খাদ্যত ভেজাল হোৱাৰ কাৰণে হয় আৰু খোৱা পানী বিশুদ্ধ নোহোৱাৰ কাৰণে হয়। গতিকে খাদ্যত যি ভেজাল দিয়া হয় সেই বিলাক বন্ধ কৰিবৰ কাৰণে প্ৰয়োজন অনুসৰি অধিক মনাহ নিয়োগ কৰি হলেও বোধ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—মাননীয় সদস্য গৰাকীয়ে যিটো মতামত প্ৰকাশ কৰিছে সেইটো সত্য যে ভেজাল খাদ্য খাই আৰু বিশুদ্ধ পানীৰ অভাবত মানুহৰ বেমাৰ আজাৰ বেচি হয়। কিন্তু বৰ্ত্তমান আমাৰ ২৫ জন মানুহ আছে। এই সংখ্যা খুব কম হোৱাৰ কাৰণে বহুত কেচ বৈ যাব পাৰে। বিশুদ্ধ পানীৰ অভাবৰ কাৰণেই আমাৰ মানুহৰ মাজত কেনচাৰ টি বি আদি বেমাৰ হৈ আছে। এই সম্পৰ্কত চৰকাৰে বিবেচনা কৰি আছে। ভেজাল ৰোধ কৰিবৰ কাৰণেই এই বিভাগটো পুনৰ সংগঠন কৰিবৰ কাৰণে ব্যৱস্থা লৈ থকাহৈছে।

শ্ৰীফনী মেধী :—ভাৰতবৰ্ষত ভেজাল কেতিয়াৰ পৰা আৰম্ভ হৈছে আৰু কিমান দিন চলিব ? জনতা চৰকাৰে এই ভেজাল ৰোধ কৰিবৰ কাৰণে শপত গ্ৰহণ কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ভেজাল যি কৰে তেওঁলোকৰ ওপৰত আইন গত বিহিত ব্যৱস্থা লোৱা হয়। এই ক্ষেত্ৰত অকল চৰকাৰৰ ওপৰতে নিৰ্ভৰ নকৰি মাননীয় সদস্য সকলেও ৰাইজৰ সহযোগত জনমত গঢ়ি তোলাৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে এই ভেজাল নিৰ্মূল কৰিব পৰা হব। সকলোৰে সহযোগীতা এই ক্ষেত্ৰত চৰকাৰক লাগিব।

শ্ৰীদেবানন্দ বৰা :—আমাৰ মাত্ৰ এজন এনালাইচিচ আছে। অসমৰ গোটেই বিলাক কেচ এজন মানুহে পৰীক্ষা কৰি আদালতলৈ পঠিয়াব নোৱাৰে। সেই কাৰণেই কেচ বিলাকত দেৰি হয়। সেই কাৰণে প্ৰত্যেক জিলাৰ সদৰতে একোজনকৈ এনালাইচিচ দিয়াৰ কথা চৰকাৰে ভাবিছেনে : আৰু তেওঁৰ তলতীয়া যি বিলাক কৰ্মচাৰী আছে সেই সকলৰ সংখ্যা বঢ়াই ভেজাল বোধ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) আমাৰ পাব্লিক এনালাইচিচৰ তলত ভালে কেইজন জুনিয়ৰ বিষয়া আছে। তেওঁলোকে জেগাই জেমাই গৈ খাদ্য বস্তুৰ ওপৰত কি ব্যৱস্থা লব লাগে এই বিলাক কথা থিক কৰি দিয়ে। অৱশ্যে এই সকলৰ সংখ্যাও যথেষ্ট নহয়। সেই কাৰণেই আমি এই বিভামটো পুনৰ গঠন কৰাৰ কথা ভাবি আছো।

শ্ৰীএ, এন আক্ৰাম হুচেইন :—অলপতে বাৰ্তাৰ কাকতত এটা কথা প্ৰকাশ পাইছিল যে ৰেপচিদ তেল খোৱাৰ কাৰণে গুৱাহাটীৰ মানুহে পেটৰ অসুখত ভীষম কষ্ট পালে। সেই সময়ত এই বিভাগে কি কাম কৰিছিল সেই বিষয়ে এটা অনুসন্ধান কৰিবনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই সম্পৰ্কত অসমতেই নহয় গোটেই ভাৰতবৰ্ষতেই এনেকুৱা কিছুমান কথা হৈ আছে বুলি শুনিছো। নিৰ্দ্দিষ্ট খবৰ দিব পাৰিলে অনুসন্ধান কৰিব পৰা হব। মাননীয় সদস্যক অনুৰোধ জনাইছো আমি নতুনকৈ ক্ষমতালৈ আহিছো কিছুমান কথা আমাৰ নজৰলৈ নাহিব পাৰে। সেই কাৰণে সেই বিলাক কথা বিধান সভালৈ নানি লিখিত ভাবে দি সহায় কৰিলে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীএ,এন, আক্ৰাম হুচেইন :—বাৰ্তাৰ কাকতত ওলোৱাৰ কাৰণে সকলোৱেই জানে। সেই কাৰণেই প্ৰশ্ন কৰিলোঁ ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— বাৰ্তাৰ কাকতত বহুত বিলাক কথাই উলাই । এই বিলাকত শাখি বাদৰ কথা আছে । সেই বিলাক কোনে দিব? কথা হৈছে যে বাৰ্তাৰ কাকতত ওলোৱাৰ লগে লগেই সেই বিলাক কথা আমাৰ বিশেষ বিভাগাই অনুসন্ধান কৰে আৰু তাৰ ওপৰত চৰকাৰো ব্যৱস্থা গ্ৰহণ কৰে ।

শ্ৰীবানেশ্বৰ শইকীয়া :— যোৱা ৩ বছৰত নগাঁও জিলাত কিমান জন ভেজালকাৰীক ধৰা হৈছে আৰু কি শাস্তি বিহা হৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী):—এইটো এটা বেলেগ প্ৰশ্ন।

শ্ৰী ৰমেশ চন্দ্ৰ চহৰীয়া :—এনালাইচিচ বিষয়া জনে কিমান দৰ্মহা পায় আৰু তেওঁৰ তলত থকা ফুড ইন্সপেক্টৰ সকলে কিমান টকা দৰ্মহা পায় ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—(মন্ত্ৰী)এনালাইচিচে মেডিকেল বিভাগৰ বিষয়া সকলৰ সমানেই দৰ্মহা পায় বুলি মই ভাবো

শ্ৰীগিয়াচুদ্দিন আহমেদ :—মন্ত্ৰী মহোদয়ে ভেজাল নিবাৰকণৰ কাৰণে ৰাইজৰ সহযোগীতা বিচাৰিছে। এই সম্পৰ্কত প্ৰত্যেক বিলাক অঞ্চলতে একোটাকৈ কমিটি গঠন কৰি দিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—(মন্ত্ৰী)মাননীয় সদস্যৰ পৰামৰ্শ যিহেতুকে ভাল সেই কাৰণে চৰকাৰে বিবেচনা কৰি চাব।

শ্ৰীযোগেন গগৈ :— ৰেপচিদ মিহলি তেল ভেজাল নহয় বুলি এই সম্পৰ্কত চৰকাৰে কিবা চাৰ্কুলাৰ দিছিলনেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—(মন্ত্ৰী) তেনে চাৰকুলাৰ দিয়া হোৱা নাই।

শ্ৰীমঃ ছামচুল হুদা :—নিমখৰ ভেজাল পৰীক্ষা কৰিবৰ কাৰণে বিশেষ ব্যৱস্থা লবনেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী):—অকল নিমখেই নহয়। সকলো বিলাক বস্তুৰ ওপৰতে ভেজাল কৰিব নোৱাৰাৰ ব্যৱস্থা লোৱা হৈছে। মই এই খিনিতে আৰু এটা কথা জনাব বিচাৰিছো যে পাবলিক এনালাইচিচৰ দৰ্মহা নশৰ পৰা পোন্ধৰশ পচিচ আৰু ফুড ইন্সপেক্টৰৰ দৰ্মহা চেকেণ্ড ক্লাচ গেজেটেড অফিচাৰৰ দৰ্মহাৰ সমান।

বি ঃ বৰদিকৰাই জলসিঞ্চন আঁচনিৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ

*১২১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰৰ মহকুমাৰ অন্তৰ্গত বৰদিকৰাই জলসিঞ্চন আঁচনিত কিমান খেতিৰ মাটি আৰু সজা মাটি অধিগ্ৰহণ কৰিছে ?

(খ) এনেদৰে গৃহহীন আৰু মাটিহীন হোৱা লোকক ঘৰৰ মাটি আৰু খেতিৰ মাটি দিয়াৰ কথা চৰকাৰে বিবেচনা কৰিছেনে ?

(গ) এনে মাটিৰ কাৰণে দিবলগীয়া ক্ষতিপূৰণৰ পৰিমাণ কিমান হব ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই (ৰাহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২১। (ক)—বৰ্দিকৰাই জলসিঞ্চন আঁচনিৰ বাবে এতিয়ালৈকে ৮৮৭ বিঘা ৪ কঠা ৬ লোচা খেতিৰ মাটি আৰু ৫৪ বিঘা ২ কঠা ১১ লোচা ঘৰ সজা মাটি অধিগ্ৰহণ কৰা হৈছে।

(খ)—অধিগ্ৰহণৰ ফলত সম্পূৰ্ণ মাটিহীন হৈ পৰিলে তেনেলোকৰ মাটিৰ কাৰণে কৰা আবেদন চৰকাৰে বিবেচনা কৰি থকা হৈছে।

(গ)—অধিগ্ৰহণ কৰা সমুদায় মাটি আদিৰ ক্ষতিপূৰণৰ চূড়ান্ত প্ৰাক্কলন প্ৰস্তুত হৈ উঠা নাই। কিছু সংখ্যক ক্ষতিগ্ৰস্ত পট্টাদাৰক ইতিমধ্যে ৯৫ বিঘা ৩ লোচা অধিগৃহীত মাটিৰ মূল্য মুঠ ১,৩১,০৬১.০৫ টকা ক্ষতিপূৰণ হিচাবে দিয়া হৈছে। বাকী থকা মাটি আদিৰ দিবলগীয় ক্ষতিপূৰণৰ পৰিমাণ সেইবোৰৰ চূড়ান্ত প্ৰাক্কলন প্ৰস্তুত কৰাৰ পিচতহে কব পৰা যাব।

শ্ৰী গোলোক ৰাজবংশী ঃ—এতিয়ালৈকে দেখা গৈছে যে প্ৰায় এক হাজাৰ বিঘা মাটি অধিগ্ৰহণ কৰিছে আৰু কৰিব। যি সকলৰ ঘৰ থকা মাটি অধিগ্ৰহণ কৰিছে তেওঁলোকে দৰ্খাস্ত দিয়ালৈ বাত নাচাই তেওঁলোকক ঘৰ সজাৰ মাটি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীলক্ষ্যেধৰ গোঁহাই (মন্ত্ৰী) ঃ— এই সম্পৰ্কত এচ ডি অ আৰু ডি চি সকলক ব্যৱস্থা লবলৈ দিয়া হৈছে ।

শ্ৰীগোলোক ৰাজবংশী ঃ— এচ ডি অ আৰু ডি চি ৰ তলত মণ্ডল আছে। এই সম্পৰ্কত কেইজন মণ্ডলক চাচপেণ্ড কৰা হৈছে ?

শ্ৰীলক্ষ্যেধৰ গোহাঁই (মন্ত্ৰী) ঃ— এইটো প্ৰশ্ন বেলেগে কৰিলে ভাল হব ।

শ্ৰীগোলোক ৰাজবংশী ঃ— মণ্ডলেই গোটেই বিলাকতে কন্দল লগাই আছে। মণ্ডল বিলাকক চাচপেণ্ডৰ উপৰিও চাচপেণ্ড কৰি আছে কিন্তু আচল বিষয়ৰ প্ৰতি তৎপৰ হোৱা নাই ।

শ্ৰীলক্ষ্যেশ্বৰ গোহাঁই (মন্ত্ৰী) ঃ— এই সম্পৰ্কত বিভাগে তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিছে ।

শ্ৰীফণী মেধী ঃ— ক্ষতিপূৰণ নোপোৱাৰ কাৰণে মণ্ডল সকল চূড়ান্ত দায়ী আৰু এই মণ্ডল সকলক শাস্তি দিলেই সমস্যা সমাধান হবনেকি ?

শ্ৰীলক্ষ্যেশ্বৰ গোহাঁই (ৰাজহ মন্ত্ৰী) ঃ কথা হল যি মাটি অধিগ্ৰহণ কৰা হয়, সেই মাটিৰ মালিকীস্বত্ব লৈ ৰায়তৰ মাজত এটা বিবাদৰ সৃষ্টি হয় । সেই কাৰণে পলম হয় আৰু কেতিয়াবা যিটো আঁচনি লোৱা হয়, সেইটো ইফাল সিফাল কৰোতে টকা দিয়াত পলম হয় ।

শ্ৰীগোলোক কাকতি ঃ বৰ্দিকৰাই জলসিঞ্চন আঁচনিত বহুতো গৰীব মানুহৰ মাটিবাৰী গল সেই ৰাইজে অভিযোগ কৰিছে নেকি? যদি কৰিছে সেই অভিযোগ বিলাক খণ্ডন কৰাৰ কি ব্যৱস্থা হব পাৰে ? মই জনাত স্থানীয় কৰ্তৃপক্ষই ৰাইজক মাটিৰ মূল্য দিয়াত যথেষ্ট জুলুম কৰিছে। এই জুলুম বিলাক সোনকালে নিস্পত্তি কৰিবৰ কাৰণে কি খৰতকীয়া ব্যৱস্থা লৈছে ?

*Speech not corrected.

শ্ৰীলক্ষেশ্বৰ গোঁহাই :—(ৰাজহ মন্ত্ৰী) : তেনেকুৱা আপত্তি অহা নাই। ইতিমধ্যে ডি, চি আৰু এচ, ডি, অ সকলক মাটিৰ অধিগ্ৰহণৰ ধন ততপৰতাৰে দিবলৈ জনাইছো।

গোলক কাকতি :মই জনতা ডি, চি আৰু স্থানীয় বিষয়াক জনাইছে। ডি,চি, স্থানীয় বিষয়া আৰু জলসিঞ্চন বিভাগৰ বিষয়া সকলৰ সৈতে মই বিধায়ক হিচাবে সেই অঞ্চলত ঘূৰি পকি যি পৰামৰ্শ দিছিলো, সেই পৰামৰ্শ পোন্ধৰ দিনৰ ভিতৰত সমাধান কৰি দিব বুলি প্ৰতিশ্ৰুতি দিছিল। এই কথাটো তেতিয়া আহি মন্ত্ৰী মহোদয়ক জনাইছো। এতিয়া মন্ত্ৰী মহোদয়ে তেনে অভিযোগ পোৱা নাই বুলি কোৱাত দুখ পাইছো। সেই লোক সকলে হাঁহাকাৰ কৰি ফুৰিছে। সেই লোক সকলক ৰক্ষা কৰাৰ ব্যৱস্থা চৰকাৰে লৈছে নে নাই ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই (ৰাজহ মন্ত্ৰী) :তেনে ধৰণৰ আপত্তি পোলে ততপৰতাৰে টকা দিবলৈ আগবাঢ়ি আহিম।

শ্ৰীযোগেন গগৈ: মাটি অধিগ্ৰহণৰ প্ৰস্তাব উঠিলে মণ্ডলে সেই অঞ্চলৰ পাৰ্টিক আগতীয়াকৈ খবৰ দিয়ে। খবৰ দিয়াৰ ফলত নবালৰিকৈ ঘৰ বনায়, তামোল আদি ৰোৱে বেচি পইচা পোৱাৰ আশাৰে এই লিংকটো মণ্ডলৰ পৰা ওপৰ মহললৈ। ফলত ক্ষতিপূৰণ দিয়াৰ পলম হয়, এই কথা চৰকাৰে জানেনে? যদি জানে নিৰাপত্তাৰ কি ব্যৱস্থা লব।

শ্ৰীলক্ষেশ্বৰ গোঁহাই : (ৰাজহ মন্ত্ৰী) তেনেকুৱা আপত্তি অহা নাই। দৃষ্টি গোচৰ হলে ততপৰতাৰে ব্যৱস্থা লম।

ভুবনেশ্বৰ বৰ্ম্মণ : মন্ত্ৰী মহোদয়ে কৈছে যে এহেজাৰ বিঘা মাটি অধিগ্ৰহণ কৰিছে। এই অধিগ্ৰহণ কৰাৰ ফলত কিমান মানুহ গৃহহীণ হৈছিল, কিমান জন মানুহৰ মাটি অধিগ্ৰহণ কৰা হৈছিল, তেওলোক এতিয়া কত কত আছে ? এই অধিগ্ৰহণ কোন চনৰ পৰা হৈছিল?

শ্ৰীলক্ষেশ্বৰ গোঁহাই (মন্ত্ৰী) পৰিষ্কাৰ খবৰ পোৱা নাই, ১৯৬৭ চনৰ ফেব্ৰুৱাৰীত এটা গোচৰ আহিছিল। কিমান লোক গৃহহীণ হৈছে তাৰ খবৰ পোৱা নাই।

বি : অসম সমবায় মৰাপাট কল

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীয়ে সুধিছে :

*১২২। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম সমবায় মৰাপাট কলত এজন মেকানিকেল ইঞ্জিনীয়াৰ আছে নেকি আৰু যদি আছে, তেওঁৰ নাম, শিক্ষাগত অৰ্হতা আৰু দৰ্মহাৰ নিৰিখ কিমান ?

(খ) অসম সমবায় মৰাপাট কলত নিয়োগ কৰাৰ পূৰ্ব্বে এই মেকানিকেল ইঞ্জিনীয়াৰজনে অন্য কোনো প্ৰতিষ্ঠানত চাকৰি কৰিছিলনে আৰু যদি কৰিছিল কত কৰিছিল আৰু তেওঁৰ দৰমহা কিমান আছিল ?

(গ) এই মেকানিকেল ইঞ্জিনীয়াৰজনে পূৰ্ব্বতে চাকৰি কৰা প্ৰতিষ্ঠান এৰিবৰ সময়ত তেওঁক আজৰি কৰি দিয়া পত্ৰসমূহ দাখিল কৰিবনে ?

(ঘ) অসম সমবায় মৰাপাট কলৰ প্ৰাক্তন মেনেজিং ডিৰেক্টৰ শ্ৰীনব কুমাৰ ভট্টাচাৰ্য্যৰ লগত এইজন মেকানিকেল ইঞ্জিনীয়াৰৰ সম্পৰ্ক আছে নেকি ?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২২। (ক)—অসম সমবায় মৰাপাট কলত এজন মেকানিকেল ইঞ্জিনীয়াৰ আছে। তেখেতৰ নাম শ্ৰীভূবনানন্দ বৰঠাকুৰ। তেখেত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিজ্ঞান বিভাগত স্নাতক (বি এচ চি) আৰু কাৰিকৰী বিজ্ঞানবো স্নাতক (বি এফ) তেখেতৰ মাহিলি দৰমহাৰ হাৰ ১৫০০—১০০—২০০০টকা আৰু ভাট্টা মাহিলি ৬০.০০ টকা।

(খ)—অসম সমবায় মৰাপাট কলত নিয়োগ কৰাৰ পূৰ্বে শ্ৰীবৰঠাকুৰ মেচাৰ্চ মমলুচেৰা চিমেন্ট লিমিটেড, চেৰাপুঞ্জী (মেঘালয়)ত ৮ বছৰ কাল কাম কৰিছিল (১৯৬৮-৭৬)। আৰু তাত ডেপুটি চিফ ইঞ্জিনীয়ৰ (মেকানিকেল) দায়িত্ব লৈ থকা অৱস্থাৰ পৰা অসম সমবায় মৰাপাট কললৈ আহে। সেই সময়ত তাত তেখেতৰ মুঠ মাহিলি দৰমহা ১,৩৪৬ টকা আছিল। তাৰ আগতে তেখেতে নামৰূপ সাৰ কাৰখানাত দুবছৰবো ওপৰ কাল এচিষ্টেন্ট ইৰেকচন ইঞ্জিনীয়াৰ (মেকানিকেল) হিচাবে কাম কৰিছিল (১৯৬৬-৬৮)।

(গ)—মেচাৰ্চ মমলুচেৰা চিমেন্ট লিমিটেডৰ পৰা আৰ্জাৰ কৰি দিয়া চিঠিৰ নকল আৰু ডেপুটি চিফ ইঞ্জিনীয়াৰৰ দায়িত্ব দিয়া চিঠিৰ নকল সদনৰ মেজতথোৱা হল।

(ঘ)—অসম সমবায় মৰাপাট কলৰ প্ৰাক্তন মেনেজিং ডিৰেক্টৰ শ্ৰীনব কুমাৰ ভট্টাচাৰ্য্যৰ লগত শ্ৰীবৰঠাকুৰৰ সম্পৰ্ক আছে। শ্ৰীভট্টাচাৰ্য্য শ্ৰীবৰঠাকুৰৰ জেঠায়েকৰ পুত্ৰ। এই সন্দৰ্ভত শ্ৰীবৰঠাকুৰে দিয়া চিঠিৰ নকল এটি সদনৰ মেজত থোৱা হল।

শ্ৰীঅতুল গোস্বামী ঃ মেকানিকেল ইঞ্জিনীয়াৰ জন চেৰাৰ পৰা অহাৰ আগলৈকে কত কত আছিল ?

শ্ৰীসোণেস্বৰ বৰা ঃ (মন্ত্ৰী) চেৰাৰ পৰা আহিছে। অৰ্থাৎ চেৰাত আছিল।

শ্ৰীঅতুল গোস্বামী ঃ চেৰাৰ পৰা আহোতে ১৩ শ ৪৬ টকা দৰ্মহা আছিল। এক কোটি ৫৫ লাখ টকা লোকচান হোৱা অনুষ্ঠানত তেওঁ ১৫ শ টকা দৰ্মহা পাইছে। এইটো বিসঙ্গতি নহয়নে ?

শ্ৰীসোণেশ্বৰ বৰা ঃ (মন্ত্ৰী) বিসঙ্গতি হৈছে নে নাই, সেইটো বিচাৰ্য্যৰ বিষয়। কিন্তু তেওঁক বৰ্ডৰ চুক্তিত সেই দৰ্মহাত নিয়োগ কৰা হৈছিল।

শ্ৰীঅতুল গোস্বামী ঃ As many as three Supplementaries can be asked by the questioner তাত বহুতো মেচিনৰ গণ্ডগোল হৈছে। মেকানিকেল ইঞ্জিনিয়াৰ থকা সত্বেও সেই গণ্ডগোল মাৰিব নোৱাৰে। নগাওঁ মটৰ গেৰেজৰ পৰা পঞ্জাবী মানুহ আনি ভাল কৰায়, চৰকাৰে জানেনে ?

শ্ৰীসোণেশ্বৰ বৰা ঃ (মন্ত্ৰী) সেই খবৰ মন্ত্ৰী মহোদয়ে নাজানে। মাননীয় সদস্য গৰাকীয়ে অবগতিৰ কাৰণে প্ৰশ্ন উত্থাপন কৰিছে যেতিয়া খবৰ লোৱাহব।

শ্ৰীঅতুল গোস্বামী ঃ মৰাপাট কলৰ এটা বস্ত দঙা যন্ত্ৰ বেয়া হোৱাৰ কাৰণে কিমান টকা খৰচ হৈছে, সেই কথা মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীসোণেশ্বৰ বৰা ঃ (মন্ত্ৰী) মৰাপাট কলত বহু ৰকমৰ যন্ত্ৰ আছে। এই বিষয়ত বেলেগ প্ৰশ্ন কৰিলে নিশ্চয় খা-খবৰ লৈ জনাব পৰা হব।

**বিঃ নদুৱাৰ আৰু তেজপুৰ অঞ্চলত গঁৰ উপদ্ৰৱ**

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ

*১২৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কাজিৰঙা অভয়াৰণ্যৰ পৰা মাজে মাজে গঁড় আহি নদুৱাৰ আৰু তেজপুৰ অঞ্চলত উপদ্ৰৱ কৰাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে এই উপদ্ৰৱৰ পৰা ৰাইজক ৰক্ষা কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বন বিভাগৰ মন্ত্ৰী) য়েউত্তৰ দিছে ঃ

১২৩। (ক)—কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা কোনো গঁড় সাধাৰণতে বাহিৰলৈ নাযায়। বান-পানী হলে দুই এটা গঁড় আশ্ৰয় বিচাৰি বেলেগ ঠাইলৈ যায়। ভোমোৰাগুৰি অঞ্চলত থকা গঁড় হয়তো নদুৱাৰ আৰু তেজপুৰ অঞ্চললৈ যাব পাৰে।

(খ)—গঁড়ৰ উপদ্ৰৱৰ খবৰ পালেই সেই ঠাইৰ সংমণ্ডল বিষয়া আৰু অন্যান্য বিষয়াই তেনে গঁড় ডাঠ হাবিলৈ খেদাই দিয়াৰ চেষ্টা কৰে আৰু প্ৰায়েই কৃতকাৰ্য্য হোৱাৰ বিৱৰণ আছে।

শ্ৰীগোলোক ৰাজবংশী ঃ তেখেতে কলে যে কাজিৰঙাৰ বাহিৰলৈ নাযায়, বান পানীৰ সময়ত যায়। ভোমোৰাগুৰীত গড় আছে বুলি কৈছে। ভোমোৰাগুৰীত গড় থকা অৱণ্য নেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃবানপানীৰ সময়ত যায় বুলি কোৱা হৈছে।

শ্ৰীগোলোক কাৰ্কতি ঃ মন্ত্ৰীয়ে দিয়া ৰিৰ্পোটটো তেখেতৰ নিজৰ নে বিভাগৰ পৰা দিয়া ৰিৰ্পোট ? নদুৱাৰত বানপানীৰ সময়ত গড়ে মানুহ মাৰিছে, সেই খবৰটো বিভাগত আছেনে ? অনুসন্ধান কৰি জন-সাধাৰণক ৰক্ষা কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ বানপানীৰ সময়ত গড় যাব পাৰে। তেতিয়া খেদাই পঠোৱা হয় বুলি কোৱা হৈছে। তাৰ পিচত যদি নদুৱাৰত অনিষ্টকৰিছে তাৰ খা-খবৰ বিশেষ ভাবে দিয়ে তেন্তে বিবেচনা কৰি চাম।

মহম্মদ ছামছুল হুদা ঃ—অধ্যক্ষ মহোদয়, নদুৱাৰত যোৱা বছৰ কিমানজন মানুহক গড়ে খুন্দিয়াই মাৰিলে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ—এইটো খবৰ মোৰ হাতত নাই।

মহম্মদ ছামছুল হুদা ঃ—অধীক্ষ মহোদয়, প্ৰায়বিলাক প্ৰশ্নতে মন্ত্ৰী মহোদয় খবৰ নাই বুলি কৈছে। এইটো কেনেকুৱা কথা হৈছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ—যদি কোনো সদস্যই এই বিষয়ে আপত্তি দিয়ে তেনেহলে এইটো অনুসন্ধান কৰি চাম।

শ্ৰীঅতুল গোস্বামী ঃ—অধ্যক্ষ মহোদয়, কাজিৰঙাৰ গড় ওলাই গৈ মানুহ নদুৱাৰত মাৰিছেগৈ। যিবিলাক নিৰপৰাধী মানুহক মাৰিছে সেই মানুহবিলাকৰ পৰিয়াল বৰ্গক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :—এইটো বিবেচনা কৰা হব।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :—অধ্যক্ষ মহোদয়, অভয়াৰণ্যৰ পৰা ন-দুৱাৰলৈ কিমান দূৰ? আৰু অভয়াৰণ্যৰ পৰা ন-দুৱাৰলৈ যাতে গড় আদি ওলাই যাব নোৱাৰে তাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :—এই সম্বন্ধে মাননীয় সদস্যই বেছি জানে কাৰণ তেখেত আগতে এই বিভাগতে আছিল।

শ্ৰীগোলোক ৰাজবংশী :—অধ্যক্ষ মহোদয়, তেখেতক সেই ফালৰ পৰা উত্তৰ দিবলৈ দিলে ভাল হয়।

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী):—তেখেত এইফালে আহিলে হব।

শ্ৰীপ্ৰসাদ দলৈ :—অধ্যক্ষ মহোদয়, গত বছৰ মায়ঙত ৪৫ টা গড়ে ৩ জনতকৈও বেছি মানুহ মাৰিছে। এতিয়া মৰা মানুহৰ সংখ্যা হৈছে মুঠ ৬৫জন। গাঁৱত এই গড় বিলাক যাতে সোমাই মানুহ মাৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :—এইটো বেলেগ প্ৰশ্ন।

শ্ৰীযোগেন গগৈ :—অধ্যক্ষ মহোদয়, পানীদিহিং মৌজাত কেইটামান গড় আছে, স্হানীয় গড় নহয়। এই গড় বিলাক অভয়াৰণ্যলৈ পঠোৱাৰ ব্যৱস্হা কৰিবনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :—আমাৰ হাতত থকা তথ্যপাতি মতে পানী দিহিঙত গড় আছে বুলি খবৰ নাপাও।

শ্ৰীযোগেন গগৈ :—ৰাইজৰ আপত্তি হৈছে তাত গড় আছে।

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :—এইটো খবৰ কৰা হব।

শ্ৰীবানেশ্বৰ শইকীয়া :—অধ্যক্ষ মহোদয়, কাজিৰঙাৰ আশে পাশে থকা ঠাইত বাৰিষা সময়ত গড় বাহিৰলৈ যায় সেইটো প্ৰতিৰোধ কৰা নাযায়। এইটো প্ৰতিৰোধ কৰাৰ ব্যৱস্হা কৰিবনে? যাতে চেংচুৱে-ৰীৰ পৰা কোনো জন্তু বাহিৰলৈ যাব নোৱাৰে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :—চৰকাৰৰ তথ্যপাতি মতে বাৰিষা গোটেই কাজিৰঙা অঞ্চলটো পানীত দুৰি যায় সেই কাৰণে গড় বিলাক তাৰ পৰা বাহিৰলৈ অহাত বাধা দিয়াতো সম্ভৱ নহয়। আৰু বাধা দিলেও গড় পানীত ডুবি মৰিব নতুবাউটি যাব।

শ্ৰীবানেশ্বৰ শইকীয়া :—বাৰিষা যাতে গড় বিলাক চেংচুৱেৰি ভিতৰৰ এলেকাতে ওখ ঠাইত থাকে আৰু বাহিৰলৈ আহিব নোৱাৰে তাৰ ব্যৱস্হাকৰিবনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :—বাৰিষা আশ্ৰয় পোৱাৰ বাবে আমি কাৰবি আংলঙৰ পৰা কিছু অংশ মাটি কিনি ওখ ঠাইত গড় থাকিবৰ কাৰণে ব্যৱস্হা কৰা হৈছে।

মোঃ ছামচুল হুদা :—মন্ত্ৰী মহোদয়ে জনাবনে যে যোৱা বছৰ কিমান গড় চিকাৰীয়ে হত্যা কৰিছে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :—এইটো এটা বেলেগ প্ৰশ্ন।

বি ঃ— শিলঘাট, চিংঘাট ব্ৰহ্মপুত্ৰ মথাউৰি

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

*১২৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কলিয়াবৰ সমষ্টিৰ পুৰঘৰীয়া মৌজাৰ বৰঘুৰি গাঁওত শিলঘাট, চিংঘাট ব্ৰহ্মপুত্ৰ মথাউৰিটো আজি ২-৩ বছৰৰ আগতে চিগাটো সত্যনে ?

(খ) এই চিগা অংশটো মেৰামতি নকৰাত বৰঘুৰি অঞ্চলৰ ৰাইজৰ প্ৰতিবছৰে অশেষ কষ্ট আৰু শস্য সমূহৰ বিস্তৰ ক্ষতি হোৱাটো চৰকাৰেজানেনে ?

(গ) যদি জানে, এই বছৰ বানপানী হোৱাৰ পূৰ্বে এই মথাউৰিৰ চিগা অংশটো বন্ধ কৰাৰ দিহা কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২৪। (ক)—হয়, ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত মথাউৰিটো এই ঠাইত ১৯৭৩ চনত চিগে।

(খ)—হয়, জানে।

(গ)—তেনে কোনো আঁচনি এতিয়ালৈকে লোৱা হোৱা নাই।

*শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— এই অঞ্চলটো সাধাৰণতে অতি পিচপৰা আৰু তাত সংখ্যালঘু সম্প্ৰদায়ৰ মানুহে বসবাস কৰে। তেওঁলোকে কৰা খেতিধবংশ হয় আৰু ৬ মাহ তেওঁলোক মাঠাউৰিৰ ওপৰত ঠিয় হৈ থাকিবলগীয়া হয়। এই দৰে যোৱা ৫ বছৰে সেই অঞ্চলৰ লোক সকলে কষ্ট ভোগ কৰিবলগীয়া হৈছে। নতুন চৰকাৰে এই দুৰ্গত লোকসকলৰ কাৰণে বিশেষ ব্যৱস্থা কৰিবনে ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— আগতে এটা প্ৰশ্নৰ উত্তৰত মই কৈছো যে আমাৰ এই সমস্যাটো গোটেই অসমতে এনেকুৱা ধৰণেৰে সোমাই আছে আৰু এই অঞ্চলৰ যি সকল ৰাইজ সেই সকলো সোমাই আছে। এইটো চৰকাৰৰ জ্ঞাত আৰু কি ধৰণেৰে ব্যৱস্থা লৈ এই সকলক মুক্ত কৰিব পাৰি এই বিষয়ে চৰকাৰে বিশেষ বিবেচনা কৰি আছে।

*শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ— এই প্ৰশ্নটো বৰ স্পেচিফিক। বিশেষ এটা মাঠাউৰি চিগিছে আৰু চিগা অংশটোত বান্ধ নিদিয়াৰ কাৰণে নানা অসুবিধা হৈছে। এই মঠাউৰিটো বন্ধাৰ কিবা এটা ব্যৱস্থা চৰকাৰে কৰিবনেকি ? আৰু যদি কৰে কেতিয়া কৰিব ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ—মাঠাউৰিৰ ক্ষেত্ৰত ইতিমধ্যে কেইবালাখো টকা খৰচ কৰি বন্ধা হল। আৰু এইটো এবাণ্ডন মাঠাউৰি হিচাবে পাৰি আছে। আগৰ চৰকাৰৰ যি কৰিছে সেই মতে কামটো কৰিব নোৱাৰি। এই সম্পৰ্কে পৰীক্ষা নিৰিক্ষা কৰি থকা হৈছে আৰু অতি সোনকালে ৰাইজক কেনেকৈ তাত মাঠাউৰি দি উদ্ধাৰ কৰা হব তাৰ বিষয়ে চিন্তা কৰা হৈছে।

---

*Speech not corrected.

*গিয়াচুদ্দিন আহমেদ :—এই মাঠাউৰিৰ স্কিম নিশ্চয় আগৰ চৰকাৰৰ দিনতেই কৰিছিল! আৰু এই আঁচনি কৰোতে যি বিলাক কৰ্মচাৰী সংশ্লিষ্ট হৈ আছিল সেই বিলাকৰ ওপৰত কিবা ব্যৱস্থা কৰিব নোৱাৰিনে ?

*শ্রীদুলাল চন্দ্র বৰুৱা (মন্ত্রী) :— এইটো সংশ্লিষ্ট কৰ্মচাৰী সকলৰ ওপৰত হোৱাৰ প্রশ্নৰ কথা নহয়। যি ধৰণেৰে আমাক দেখুৱা হৈছে ইঞ্জিনিয়াৰ সকলেও তেওঁলোকৰ পইন্টৰ পৰা চিন্তা কৰিয়েই কৈছে। তেখেত সকলৰ কথা মানি বহুতো অসুবিধা হৈছে। এতিয়া পলাশবাৰীটো তেনেকুৱা হৈছে। এতিয়ালৈকে এই কামটো কৰা এই বছৰত সম্ভৱপৰ নহয়। এই বছৰৰ পৰা বানপানীৰ যি অৱস্থাৰ সৃষ্টি কৰে সেইটো চাৰভে কৰি অহা বছৰৰ পৰা ব্যৱস্থা লোৱা হব।

*শ্রীঅতুল চন্দ্র গোস্বামী :— জেঠ, আষাৰ, শাওন, ভাদ এই চাৰিমাহ তাত পানী জমা হৈ থাকে। আহিন মাহতো যদি পানী মেচিনেৰে উলিয়াই দিব পৰা হয় তেতিয়াহলে তাত ৰবিশস্য উৎপন্ন কৰিব পৰা হব।

*শ্রীদুলাল চন্দ্র বৰুৱা (মন্ত্রী) :— ১৯৭৩-৭৪ চনত ৪১ লাখ ৭৭ হাজাৰ টকা খৰচ কৰি এটা মঠাউৰি বন্ধা হল। এতিয়া যদি সেই ভঙা মাঠাউৰি বান্ধি দিয়া হয় তেতিয়াহলে তাত পানী জমা হৈ পুখুৰীৰ নিচিনা হব। তেনেকুৱা অঞ্চল বহুত আছে। গতিকে মাননীয় সদস্যই যি পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শ অনুসৰি যদি পানী উলিয়াই দিব পৰা হয় তেনেহলে আমি এইটো বিবেচনা কৰি যিমান সোনকালে পাবো ব্যৱস্থা লবলৈ সিদ্ধান্তকৰিম।

**Mr. SPEAKER : The question Hour is over**

**Undisposed Starred Questions dated 8th June, 1978.**

**বিঃ অসমৰ থানা সমূহত পঞ্জীভুক্ত গোচৰ**

শ্রীগোলোক ৰাজবংশীয়ে সুধিছে :

*১২৫। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) অসমৰ বিভিন্ন জিলাৰ থানা বিলাকত যোৱা জানুৱাৰী মাহৰ পৰা কিমান গোচৰ পঞ্জীভুক্ত কৰা হৈছে ?

(খ) এই গোচৰ বিলাকৰ কিমান শতাংশত তদন্ত কৰা শেষ হৈছে ?

(গ) কিমান শতাংশ গোচৰ মাটি সম্পৰ্কীয় ঘটনাত ৰুজু কৰা হৈছে ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

১২৫। (ক)—যোৱা জানুৱাৰী মাহৰ পৰা ১৯৭৮ চনৰ ৩০ এপ্রিললৈ অসমৰ বিভিন্ন অঞ্চলত মুঠ ১২,৬৩৯ টা গোচৰ পঞ্জীভুক্ত কৰা হৈছে।

(খ)—এই গোচৰ বিলাকৰ ৫০ শতাংশৰ তদন্ত শেষ হৈছে আৰু তদন্ত সাপেক্ষে গোচৰ সমূহৰ চূড়ান্ত প্রতিবেদন দিয়া হৈছে।

(গ)—প্রায় ৩ শতাংশ গোচৰ মাটি সম্পৰ্কীয় ঘটনাত ৰুজু কৰা হৈছে।

---

* Speech not corrected.

**Re : Cases pending in the Court of District and Session Judge at Tezpur**

Shri GOLOK RAJBANSHI asked :

*126. Will the Minister, Judicial be pleased to state—

(a) The number of cases pending in the Court of District and Section Judge, Darrang, at Tezpur at present ?

(b) Whether it it a fact that no District Judge has been posted at Darrang District during the past several months ?

Shri KESHAB CHANDRA GOGOI (Minister Judicial) replied.

126. (a)—442 (four hundred forty-two) as on 13th May 1978.

(b)—No.

## UNSTARRED QUESTIONS AND ANSWERS

(To which answers were land on the table)

***Re.* : State Transport Buses on Jogighopa-Goalpara Route via pancharatna**

Shri MATHURA MOHAN SINHA asked :

22. Will the Minister, Transport be pleased to state—

(a) The average number of passengers daily travelling through State Transport Buses from Jogighopa to Goalpara via Pancharatna ?

(b) Whether Government is aware that insufficient number of State Transport Buses are placed on Goalpara--Pancharatna route ?

(c) Whether Government had received public complaints in this regard for increasing the number of buses in the route specially in the morning time ?

(d) If so, what actions have been taken to improve the situation ?

Shri ZAHIRUL ISLAM (Minister, Transport) replied :

22. (a)—There are about 900 passengers per day, in average, inclusive of up and down trips.

(b) Normally, the number of vehicles placed on the route is considared adequate.

(c)— Yes.

(d)—The present arrangement is considered adequate as mentioned in (b) above But in view of public representation, the matter will be further looked into.

*Re*: **Introduction of Bongaigaon-Dhubri State Transport Bus Service.**

Shri MATHURA MOHAN SINHA asked :

23. Will the Minister, Transport be pleased to state—

(a) Whether there are public demands for introduction of Bongaigaigaon-Dhubri State Transport Bus Service on Salbari-Bongaigaon road instead of via North Salmara ?

(b) If so, whether Government has received fitness certificate of the road from P. W. D. (R & B) to ply State Transport Buses ?

(c) If so, when the services will be introduced ?

Shri ZAHIRUL ISLAM (Minister, Transport) replied:

23. (a)—Yes.

(b)— The Assam State Transport Corporation has obtained the fitness cerificate as matter of course.

(c)— There is no scheme at present.

---

## VOTING ON DEMANDS FOR GRANTS

Mr. Speaker : I come to the next item. Item No. 2.

শ্ৰীমতী আনোৱাৰা টাইমুৰ

Mr. Speaker : What is said by the honorable Lady Member should not be recorded in the proceedings. I have not allowed her to speak.

(All members of Congress I staged a walk-out.)

*Speech not recorded as ordered by the chair.

শ্ৰীনগেন শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ দাবীৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আহিছে তাৰ বিৰোধীতা কৰি আৰু গড়কাপ্তানী বিভাগৰ এই দাবীৰ সমৰ্থনত মই যোৱাকালি মোৰ বক্তব্য ৰাখিছিলোঁ।

এই সন্দৰ্ভত মাননীয় সদস্য সকলে দুৰ্নীতিত চৰকাৰী চাৰ্কবিয়াল সকল লিপ্ত থকাৰ যিটো কথা কৈছিল সেই সম্পৰ্কত মই ৰাজনৈতিক কাৰণত এই লোক সকল দুনীতিত লিপ্ত থাকে বুলি কৈছিলোঁ। তাৰ প্ৰমাণ আমাৰ বাইজে ইতিমধ্যে পাইছে। এই ক্ষেত্ৰত এটা কথা মন কৰিবলগীয়া যে, কোন বিলাক মানুহে দুনীতি কৰে আৰু এইদুনীতি কিমান? আমাৰ সমাজৰ ২৮ ভাগ মানুহহে শিক্ষিত। কম সংখ্যক মানুহহে বিষয়া হিচাবে আছে আৰু তাতোকৈ কম সংখ্যকেইহে ৰাজনীতিত আছে। তাৰোপৰি, কম সংখ্যকেইহে ব্যৱসায়, উদ্যোগ আদিত আছে। আজি যিমানখিনি দুনীতি হৈছে সেই দুনীতি শিক্ষিত মানুহৰ একাংশইহে কৰিছে। কোনো অশিক্ষিত মানুহে এইটো কৰা নাই। শিক্ষিত মানুহৰ যিটো অংশই নেতৃত্ব কৰিছে, যি সকলে বেছিকৈ দুনীতিৰ বিৰোধীতা কৰিছে, তেখেত সকলৰ মাজতো যে দুনীতি কৰোতা নাই এনে নহয়। সেইকাৰণেই আমাৰ যি সকল মাননীয় সদস্যই দুনীতিৰ অভিযোগ দিছে, যি সকলে কৰ্ত্তন প্ৰস্তাৱ তুলিছে, সেই সকল মাননীয় সদস্যক মই কব খুজিছোঁ যে, আমাৰ সমাজৰ যি সকল ওপৰ স্তৰৰ লোক, যি সকল শাসনৰ গাদীত আছে, যি সকলে সমাজৰ বিভিন্ন স্তৰত নেতৃত্ব কৰিছে সেই নেতৃত্ব লাগিলে অৰ্থনৈতিক ক্ষেত্ৰতেই হওঁক, উদ্যোগৰ ক্ষেত্ৰতেই হওঁক বা সমাজৰ ক্ষেত্ৰতেই হওঁক, সেই সকলে নিজে নিজেই নিকা হোৱাৰ সংকল্প গ্ৰহণ কৰিব লাগিব। মাননীয় সদস্য সকল যদি নিজে নিজেই নিকা হয় তেতিয়াহলে, সমাজৰ পৰা দুনীতি কমি যাব।

শ্ৰীবানেশ্বৰ শইকীয়া :— মাননীয় অধ্যক্ষ মহাশয়, মাননীয় সদস্য সকলে আমি দুনীতি গ্ৰস্ত বুলি কব খুজিছে।

শ্ৰীনগেন শৰ্ম্মা :— তাৰ কাৰণে মই ক্ষমা বিছাৰিছোঁ। (ভইছ্ :— মন্ত্ৰীসকলক কওঁক)। এইটো পৰম্পৰা মতেই চলি আহিছে। সম্পূৰ্ণৰূপে এইটো বদলি কৰিব লাগিব। ইয়াৰ পিছত আন এটা কথা হৈছে ঠিকা আৰু শ্ৰমিকৰ বিষয়ত। বহিৰাগত মানুহক যথেষ্ঠ ঠিকা আদি দিয়া হৈছে। যোৱা ৩০ বছৰে এইটো পৰম্পৰাত পৰিণত হৈছেহি। ইয়াৰ তাৎপৰ্য্যটো অলপ অনুধাৱন কৰিলেই বুজিব পৰা যাব। কথাটো হৈছে বহিৰাগত লোক সকলক থিকা মুকলি আদি দিলে, কথা বিলাক ওলাই নপৰে। তাৰ কাৰণেই দিয়ে। তেনেকুৱা এটা উদাহৰণ দিব খুজিছোঁ। যোৱাকালি আমাৰ এগৰাকী মাননীয়া সদস্যা শ্ৰীমতী আনোৱাৰা টাইমুৰে মংগলদৈৰ এজন থিকাদাৰৰ বিষয়ে উল্লেখ কৰিছে। যি জনৰ কথা তেখেতে উল্লেখ কৰিছে সেই লোক জন তেখেতসকলৰ কংগ্ৰেছৰেই সৃষ্টি। জনতা চৰকাৰৰ নহয়। সেই জন থিকা-দাৰৰ পৰা কোটি কোটি টকা কংগ্ৰেছৰ পুজীলৈ গৈছিল। এতিয়াও তেওঁৰ পৰিয়ালৰ নামত এক কোটি ৩৫ লাখ টকাৰ ঠিকা আছে। গড়কাপ্তানী বিভাগত নহয়, আন এটা বিভাগত আছে। গড়কাপ্তানী বিভাগৰ কিছুমান ঠিকা ইতিমধ্যেই কেনচেল কৰা হৈছে। গতিকেই মাননীয়া সদস্যা গৰাকীয়ে যিটো অভিযোগ তুলিছে সেইটো তেখেত সকলৰ কংগ্ৰেছৰেই সৃষ্টি। মই আশাকৰো, আমাৰ জনতা চৰকাৰ এই বিলাক লোকক প্ৰশ্ৰয় দিয়াৰ পৰা বিৰত থাকিব। তাৰ পিছত আৰু এটা কথা আছে যে, আমাৰ যিবিলাক শ্ৰমিক বাহিনীয়ে কাম পায়। এই ক্ষেত্ৰতে মই দুজন শ্ৰমিক বাহিনীৰ নায়কৰ নাম উল্লেখ কৰি কৈছোঁ। আমাৰ গড়কাপ্তানী বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি ব্যৱস্থা লব লাগিব।

মই এটা উদাহৰণ দিব বিচাৰিছোঁ, সেইটো হল এজন ট্ৰাইবেল মানুহ তেওঁৰ নাম মাটি ৰাম কছাৰী, এজন দুখীয়া ট্ৰাইবেল মানুহ মা গাঁৱত তেওঁলোকৰ এটা শ্ৰমিক বাহিনী আছে, তেওঁলোকে বেচ ভাল কাম কৰিছে, আমাৰ ওচৰলৈ তেওঁলোক কেবাবাৰো আহিছে। কিন্তু এই শ্ৰমিক বাহিনী-টোৱে হেনো ভাগ-বতৰাৰ ক্ষেত্ৰত হাত দিয়া নাই, অৰ্থাৎ আৰু সেই ভাগ-বতৰা নকৰাৰ কাৰণেই, তেওঁলোকক কাম দিয়াৰ কাৰণে ৰাজী নহল আৰু সেই কাৰণেই তেওঁলোকে কাম নাপায়। আন এজন প্ৰমোদ চহৰীয়া, অ, বি, চিৰ লোক তেওঁৰ জকালিবাৰীত শ্ৰমিক বাহিনী আছে তেওঁলোকেও কোনো কাম থোৱা নাই। অসমৰ বিভিন্ন জিলাত তেনে ধৰণৰ বহুতো শ্ৰমিক বাহিনী আছে, যি সকলে কোনে দিনাই কাম পোৱা নাই। অথচ কিছুমানী ভুৱা বা মিছা শ্ৰমিক বাহিনীয়ে কাম পাইছে কিন্তু

সঁচা শ্ৰমিক বাহিনীয়ে হলে কোনো কাম পোৱা নাই। গতিকেই মইভাবো এই শ্ৰমিক বাহিনী বিলাক যাতে গড়কাপ্তানী বিভাগৰ দ্বাৰা পঞ্জিভুক্ত কৰা নহয় তাৰ পৰিবৰ্তে এটা সুকীয়া বিভাগৰ দ্বাৰা এই শ্ৰমিক বাহিনী বিলাক পঞ্জিভুক্ত কৰিব লাগে তেতিয়াহে এই খামখিয়ালি বিলাক আঁতৰিব বুলি মই ভাবো। গতিকেই আজি এই গ্ৰাণ্টৰ ক্ষেত্ৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আহিছে সেইটো বিৰোধিতা কৰি গড়কাপ্তানী বিভাগৰ দাবীটো সমৰ্থন কৰি তাক গ্ৰহণ কৰিবৰ কাৰণে মাননীয় সদস্য সকলক অনুৰোধ জনালো।

Mr. Speaker: I want to know from the Hon'ble Members how much more time they would take. I will allow only one more Member.....

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই কাটমোশ্যনটোৰ বাহিৰেও আমাৰ আৰু কেবাটাও কাট-মোশ্যন আছে, গতিকেই ইয়াতেই যদি গোটেইখিনি আলোচনা কৰি থাকে তেতিয়াহলে অইনলৈ সময় কত থাকিব ?

শ্ৰীচামচন্দ্ৰ হোদা :— ইমানকেইটা ইম্পৰটেণ্ট কাটমোশ্যন একেলগে সাঙুৰিছে, গতিকে এই দিমা-ণ্ডৰ ওপৰত কব নাপালে আমাৰ আপত্তি আছে।

SHRI GIASUDDIN AHMED: Mr. Speaker, Sir, yesterday this matter was raised in the house and it was suggested that the time limit should be extended and that the Business Advisory Committee would take up the matter so that all the willing Hon'ble Members can take part.

Mr. Speaker: Upto 12 O'clock the Hon'ble Members will speak. Therafter the Ministers concerned will reply.

শ্ৰীচামচন্দ্ৰ হোদা :— আমি কাটমোশ্যনত ভাগ লম বুলিহে আমাৰ নাম দিছিলো আৰু ইয়াত ভাগ লোৱাৰ ক্ষেত্ৰত আমাৰ কিছুমান দৰকাৰী কথা কব লগীয়া আছিল গতিকেই আমাক কবলৈ দিব লাগে।

মাননীয় অধ্যক্ষ :— সেইটো সুবিধা দিয়া হব আৰু এই ফালৰ পৰাও মন্ত্ৰীক দিফেণ্ড দিবৰ কাৰণে কবলৈ দিয়া হব।

SHRI BANESWAR SAIKIA : Mr. Speaker, Sir, We have moved Cut Motions, and in support of the Cut Motions we have to say something. If we are not allowed to speak our Motions will fail. So, Sir, those who have moved the Cut Motions should be given enough time to justify moving the Cut Motions.

Sir, I want to make a few observations in support of the Cut Motions moved in relation to 'Vote on Accounts on P. W.D., I would speak purel y on policy matters. Sir, the Janata Government have announ ced its policy of making a sharp departure from the past. But in the budget I do not find any smell of it. When the purpose of puqlic expenditure is to increase the purchasing power of the people, nat urally the outlays for such public expenditure are like : development of roads, buildings, bridges etc. In this way Government money is channalised to the public and thereby the purchasing power of the common man is sought to be increased. That was what it was visualised in the past 2nd, 3rd, 4th and the 5th plan. This policy is accepted and approved by the Capitalist system. Sir, bulk of the money

is being spent on developmental heads and on capital outlays. This money is supposed to be distributed amongst the common people through different activities thereby mobilising the whole people for developmental activities. The procedure adopted by the present Government does not fulfil that criteria of increasing the purchasing power of the common people. The existing procedure is that work is allowed to particular contractors and particular individuals and thereby allowing these particular individuals to grab as much money as possible in collusion with particular persons in authority. These are the persons who are constructing palatial buildings at the cost of the P. W. D. Hardly 40% is spent in real capital outlay expenditure and the rest go to the pockets of some individuals who take the contracts and also those who give the contract and in between them share the remaining 60% of the money. If Rs. 800 crores is estimated on developmental heads, Rs. 200 crores will go to the pockets of these share-holders. These procedure has got to be stopped and if peoples' participation is enlisted there would be increase in the purchasing power of the common people. But it is not so today. I hope the present Janata Government would look into this aspect and help raising the purchasing power of the common people. Sir, it is said that the present per capita income of the people is Rs. 800. But if we go to the villages we find that the village people hardly earn Rs. 100/120. The bulk of the P.W.D. mony goes to the pockets of the contractors and some persons in authority. Here is a glaring example of mismanagement by the Department. Last March a bridge was dismantalled for repair and on that account an estimate was prepared for Rs. 78,000/- This estimate has again beenincreased to Rs. 1.20 lakhs. It seems that the whole expenditure is doubled— may be the major amount out of this is going to the pokets of a few individuals. Perhaps the estimate has been increased to meet the reqirements of the shareholders and contractors. I am referring to the bridge at Bordua. Sir, it seems that a thorough overhauling of the administration is required as oorruption has entered in to the very marrow of this Deptt. which has earned a bed reputatione during the last 30 years. Will the Govt. take proper steps to stop the officers from doing such things. They are accustomed to such things and therefore, it would be very difficult to root it out, I am also conscious of it. We are committed to encourage the educated youths for taking up contractos and other works of the Govt. But these youths are not getting any contracts because they are not habituated to offring tips to the officers. Whenever these youngmen approach the officers for contracts they are misbehaved and harrassed. In the month of March last, there was an incident which took place in Nowgong, P.W.D. (East) Division. One such unemployed graduate has been given a contract for a few thousands of rupees. He has completed the work and submitted the bill. The bill was passed but at the time of final payment he was demanded Rs. 100/- by someone in that office and it was made clear that unless and until the payment is made the file will not move From this to that table. The youngman refused to do so and lodged a complaint to the Executive Engineer, but as I knew no step/has been taken on that. In certain offices people are allowed to continue more than 10 years or so and these people are sucking the blood of the people. By these type of actions

they are discouraging the educated youths to take to such works. Should this Govt. also allow these things to continue, I would suggest that some drastic steps should be taken to stop at these things.

Shri Dulal C. Baruah (Minister) : What is the name of that youngman ?

Shri Baneswar Saikia : Shri Dharma Kanta Barua. His bills are yet to be paid accounting to Rs. 10,000 or so. Perhaps he has lodged a complaint with in the Govt. In last March, I have requested the minister for certain works and a proposal was sent and the matter was taken up with Superintending Engineer, but the officers below the S.E. did not comply with those instructions. On 4th of May, I met the Superintending Engineer in a meeting and discussed further about it. The Superintending Engineer asked the Executive Engineer and also the S. D. O. Specifically to submit a proposal, but the Executive Engineer did not submit it. The Superintending Engineer, personally telephoned to the S.D.O., Technical who was not found there in the office, and then the Second S.D.O. was contacted and asked to go personally to that office. The S.D.O could not trace out the file in that office. The Superintending Engineer asked the S. D. O. whether he received any advice from the Executive-Engineer on this issue he denied to have received any. In fact the file was sent from the Secretariat being marked as'—Top Priority. This is the position. Should these things be allowed to contine ? I woulds urge upon the Govt. to make the Govt. officials understand that they should perform their duties as sacred public duty. If they have any grievance, they should take it up with Govt. about increase of their pay and allowances. The present practice of giving contracts to individuals should be changed. Also Govt. should try to enlist participation of the rural people to such works if they are to be raised to a minimum standard. Sir, this year also we are going to have several croress of rupees as capital outlay. Should these money also go to the pockets of the big contractors ? I want to be specific on this issue. The Govt. must see that the money should see that the some work is actually done. With these Sir, I resume my seat.

Shri Santi Ranjan Das Gupta : I have got a point of information Here, I find 28 members have submitted cutmotion and there are certain members in this side also. Hon. member Shri Saikia has neither said that he Supportsnor opposes the Cut motions.

Shri Baneswar Saikia : I want just criticise the policy of the Govt. and this has been discussed through a cut Motio that the expenditure should be reduced to repee one.

*শ্ৰীচামচন্দ্ৰ হন্দা :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে দাঙি ধৰা যিটো মঞ্জুৰী, তাৰ বিৰুদ্ধে আমাৰ ফালৰ পৰা যিটো কৰ্ত্তন প্ৰস্তাৱ দাঙি ধৰা হৈছে তাক সমৰ্থন কৰি মই কেইষাৰ মান কথা কব বিচাৰিছো। উপাধ্যক্ষ মহোদয়, আমি যোৱা ৩০ বছৰৰ অভিজ্ঞতাৰ পৰা এইটোৱেই দেখিছো যে গড়কাপ্তানী বিভাগৰ যিবিলাক টকা আমাৰ ৰাইজৰ ফালৰ পৰা, চৰকাৰৰ পৰা মঞ্জুৰ কৰি দিয়া হৈছে সেই টকা কোনো ব্যৱহাৰত অহা নাই। সচাঁ থা কবলৈ হলে হিচাব কৰিলে দেখা পাওঁ যদৰ বোছ শতকৰা ৩০ ভাগ টকাৰ কাম কৰা হৈছে। বাকী শতকৰা ৭০ ভাগ টকাই আত্মস্যাত্ কৰা হৈছে, অপব্যৱহাৰ কৰা হৈছে। কোনো কামত অহা নাই। গতিকে এই বিষয়ে আমি নতুন চৰকাৰক সমালোচনা কৰাৰ কোনো প্ৰশ্ন নুঠে। এই ক্ষেত্ৰত আমি এই খিনিয়েই কওঁ যে আৰু চৰকাৰক পৰামৰ্শ দিও যে অন্ততঃ শতকৰা ৬০ ভাগ কাম যাতে চৰকাৰে কৰিবলৈ সক্ষম হয়।

*Speech not corrected.

অন্ততঃ এইটো কওঁ আপোনাৰ প্ৰকাশ্যেৰ উদ্দেশ্যে, শতকৰা ৩০ ভাগ পি, ডাব্লিউ, ডি বিভাগৰ কামত খৰছ হয়। আৰু বানানিয়ন্ত্ৰণৰ কথাই নাই শতকৰা কিজানি মাত্ৰ ২০ ভাগহে খৰছ হয়। গতিকে এই চৰকাৰক কৈছো, এই বছৰ যাতে শতকৰা ৬০ ভাগ টকা কামত খৰছ হয়। মই আগতেই কৈছো এই গড়কাপ্তানী বিভাগত শতকৰা মাত্ৰ ৩০ ভাগহে কামত খৰছ হয়। আৰু যিমান বিলাক কাম হয় এই সকলো বিলাক কাম চাব ষ্টেণ্ডণবৰ্ড গাঁৱে-ভূঁৱে থকা ৰাস্তা ঘাট, দলং আনকি যিবিলাক মেটেৰিয়াল আনে সেই সকলো বিলাক পৰ্য্যন্ত চাব-ষ্টেণ্ডাৰ্ড। আৰু ৰাস্তাবিলাকত যিবিলাক শিলগুটি পেলায় এই বিলাকৰ এনে এটা অৱস্থা যে কিছুমান যদি চাৰি ইঞ্চিৰ আৰু কিছুমান আধা ইঞ্চিৰ। আৰু দ্বিতীয়তে হল যিবিলাক বোলডাৰ আছে সেইবিলাকৰ বেছি ভাগেই ভিতৰত ৰঙা মাটি দেখা যায়। আৰু ৰাতি যেতিয়া শুই থাকো হঠাৎ টোপনি ভাঙি যায়, ট্ৰাকৰ ঘৰঘৰণি শব্দত-ৰাতি বিয়লি এই বোলডাৰ বিলাক এঠাইৰ পৰা এঠাইলৈ ট্ৰেনচপাৰ কৰা হয়, এই বিলাক যাতে বন্ধ কৰা হয়। আৰু এটা কথা চৰকাৰক অনুৰোধ জনাইছো যে যিবিলাক দলঙ আছে এই চাব ষ্টেনডাৰ্ড দলঙ বিলাক ভাল কৰিব লাগে। তাৰে এটা উদাহৰণ দিও মোৰ সমষ্টিতে এখন ট্ৰাকত মাল লৈ আহোতে দলঙ খন পাৰ হওতে দুই ফুট তললৈ সোমাই গল। কাঠ ওলাই দৌৰ মাৰিলে। এই ধৰণেই গড়কাপ্তানী বিভাগৰ কাম চলি আছে। বিশেষকৈ ঘৰ দুৱাৰৰ যিবিলাক মেৰামত কৰিছে, আমাৰ বিধান সভাৰ ঘৰৰ কথাই কও, যোৱা কালি পেচাবখানা লৈ যাওতে দুৱাৰ খন মাৰিবলৈ ওপৰৰ খিলিটো লগাবলৈ চেষ্টা কৰোতে নোৱাৰিলো তলৰটো চালো একে অৱস্থা, শেষত কোনোমা সোমালেও সোমাব বুলিয়েই খোলাই থলো। বিলডিং বিলাকৰ প্লাচটাৰিং কৰোতে কেনেকৈ কৰে নাজানো, কেৱল বাহিৰতেই চিমেন্টৰ এটা দাথ লেপন দিয়া হয়। বাকি ভিতৰৰ ফালে ২-১ ই দিয়েনি) ২০-১ ই দিয়ে কৰ নোৱাৰো। কাৰণ এই ৱাল বিলাকৰ ওচৰত গৈ এটা ধমকি দিলেও খহি পৰে। শুনিছো চিমেন্টৰ লগত বোলে গঙ্গাৰ মাটিও থাকে। গতিকে ইয়াত যাতে আৰু সেই বিলাকেই পুণৰ আবৃত্তি নহয় তাকে অনুৰোধ কৰিলো। উপাধ্যক্ষ মহোদয়, ইতিমধ্যে ৩০ বছৰে বহুত দলঙ আৰু ৰাস্তা ঘাট কৰা হৈছে, কিন্তু ইয়াৰ বেছি ভাগৰেই অতি সোচনীয় অৱস্থা। ইয়াৰ প্ৰতি নতুন চৰকাৰৰ দৃষ্টি গোচৰ কৰিলো। যেতিয়া উপাধ্যক্ষ মহোদয়, এই সকলো বিলাক দলং, ৰাস্তা ঘাট মেৰামতি কৰিবলৈ কোৱা হয়, ৰাইজ আৰু বিধায়ক সকলৰ তৰফৰ পৰা কাগজে পত্ৰে সকলো ধৰণৰ ফৰমেলিটি কৰা হয়। ঠিকাদাৰক ঠিকা দিয়া হয় ঠিকাদাৰে বিল কৰে কিন্তু আচল কামত একো নহয়। এই এটা বিলাক পহুৰ মাংস ভগোৱাদি ভগোৱা হয়। গাঁৱত যেনেকৈ কোনোবাই এটা পহু মাৰিলে এটুকুৰাকৈ হলেও প্ৰত্যেক ঘৰ মানুহক ভগোৱা নিয়ম আছে, তেনেকৈ এটা গড়কাপ্তানী বিভাগটোতো তলৰ পৰা ওপৰলৈ পহুৰ মাংস ভগোৱাদি টকা ভগোৱা হয়। তাৰ ফলত টকাৰ অপচয় কোনো কামত নাহে ফলত চাব ষ্টেণ্ডাৰ্ডৰ কাম হয়। সেই কাৰণেই মই কওঁ যে, এই বিলাকৰ যাতে পুণৰআবৃত্তি নহয় তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। আৰু সেই কাৰণেই মই চৰকাৰক সোৱৰাই দিছো। উপাধ্যক্ষ মহোদয়, আৰু এটা কথা আপোনাৰ জৰীয়তে মই জনাব বিছাৰিছো যে, দুখৰ বিষয় শ্ৰীশৰৎ সিংহ ডাঙৰীয়া কংগ্ৰেছ চৰকাৰৰ মুখ্য মন্ত্ৰী হৈ অহাৰ আগতে এটা যোৰেৰে গৰ্জনী মাৰিছিল। কিন্তু এবছৰ পাচত সাম কাটি গৈছিল। অসমৰ বেকাৰক ঠিকাদাৰী দিব, নিবনুৱা সমস্যা সমাধান কৰিব। কিন্ত ঠিকাদাৰী নিদিয়া নহয়। ঠিকাদাৰী দিছিল, কিন্তু এই ঠিকাদাৰ সকলৰ অৱস্থা নাইকীয়া হৈছিল। তেওঁলোকে ঠিকা চলাবলৈ কোনোবাই ঘৈনিয়েকৰ গহনা বিক্ৰি কোনোবাই ঘৰলৈগে ধান, সৰিয়হ বিক্ৰি কৰিব লগা হৈছিল। কাৰণ তেওঁলোকৰ বিল বিলাক পেমেণ্ট হোৱা নাই সময় মতে। গতিকে এই সৰু সৰু ঠিকাদাৰ বিলাকে যদি আটাইখিনি টকা ইনভেষ্ট কৰে আৰু বিল পেমেণ্ট নহয় তেওঁলোকৰ লেবাৰ পেমেণ্ট কৰিবলৈকো অৱস্থা নাথাকে। এজন ঠিকাদাৰে যদি কেপিটেল খিনি দুই বা তিনিবছৰলৈ ইনভেষ্ট কৰি থব পাৰে তেতিয়াহে ঠিকাদাৰ বিলাক লাভবান হয়। গতিকে এই ক্ষেত্ৰত দুখীয়া বা গৰীব শ্ৰেনীৰ ঠিকাদাৰ সকল উপকৃত হোৱা নাই। এই চৰকাৰক এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰিলো। আৰু এটা গুৰুত্ব পূৰ্ণ কথা আপোনাৰ জৰীয়তে উল্লেখ কৰিব বিছাৰিছো, সেইটো হ'ল, এই গড়কাপ্তানী বিভাগে ৰাস্তাৰ ফিট চাৰটিফিকেট দিব নোৱাৰে। আনে কৰা ৰাস্তাত টো দিব নোৱাৰেই, তেওঁলোকে নিজে কৰা ৰাস্তাটো দিব নোৱাৰে। যিবিলাক ৰাস্তাৰে ট্ৰাক, বাচ যাবলৈ অনুমতি বিছাৰি ৰাস্তাটো নেচনালাইজত কৰিব বিছাৰে গড়কাপ্তানী বিভাগে চাৰটিফিকেট দিব

নোৱাৰে। আনফিট বুলি কয়। এনে ধৰণৰ প্ৰস্তাৱ উঠিলেই প্ৰাইভেট যিবিলাক বাচ আছে তাৰ মালিক সকলে গড়কাপ্তানী বিভাগৰ লগত যোগাযোগ কৰি বন্ধ কৰি থয়। তাৰোওপৰি ৰাস্তাত যিবিলাক সৰু সৰু দলঙ থাকে সেইবিলাক কেবাবাৰো ভাল কৰিলেও ভাঙি যায়। ইয়াৰ অৰ্থ হৈছে যাতে সেই ৰাস্তাটো নেচনালাইজ কৰিব নোৱাৰে। যোৱা ৩০ বছৰৰ এই বিলাক যাতে পুনৰ আবৃত্তি নহয় তাৰ বাবে মই বৰ্ত্তমান চৰকাৰক অনুৰোধ জনালো। অধিতকৈ যাতে ৰাস্তা চৰকাৰে নেচনালাইজ কৰিব পাৰে তাৰ বাবে মই চৰকাৰক অনুৰোধ কৰিলো।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথালৈ আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো। মই আগতেও কৈছো যে এই বাজেট খন আমাৰ গৰীব জনসাধাৰণৰ কাৰণে উপযোগী বাজেট হোৱা নাই আৰু এতিয়ালৈকে গৰীব জনসাধাৰণৰ কাৰণে একো কামেই কৰিব পৰা নাই। গাঁৱৰ গৰীব জনসাধাৰণ ডেকা সকলে চাইকেলত উঠাৰ কাৰণে স্কুটাৰত উঠাৰ কাৰণে বাচ পোৱাৰ কাৰণে আৰু এম্বাচেদৰ গাড়ী লোৱাৰ কাৰণে যুগ্যতা পাইছে। কিন্তু যি সকল ডেকাই দুবেলা দুমুঠি খাবলৈ নাপায় হাহাকাৰ কৰি আছে সেই সকলে চাইকেল বা স্কুটাৰ বা এম্বাচাদৰ গাড়ী কিনা কথাটো জানো ভাবিব পাৰি ? চৰকাৰৰ ফালৰ পৰা আজি ৩০ বছৰে এই ডেকা সকলৰ নিয়োগৰ দিহা কৰি খাদ্য বস্ত্ৰৰ ব্যৱস্থাও কৰিব পৰা নাই। এই কথাটো ভালকৈ বিবেচনা কৰাৰ কাৰণে মই চৰকাৰৰ চোকা দৃষ্টি আকৰ্ষণ কৰিছো। বৰ্ত্তমান চৰকাৰে গড়কাপ্তানী বিভাগৰ কাম বিলাক কৰাৰ কাৰণে পুট ফৰৱাৰ্ড স্কিম এটা প্ৰস্তুত কৰিছো। আজি ইমান কেইবছৰে আমাৰ গৰীব জনসাধাৰণৰ ক্ৰয় ক্ষমতা নোহোৱা হৈছে গতিকে এই স্কিমৰ জৰিয়তে তেওঁলোকৰ আৰ্থিক অৱস্থা পাৰ্যমানে টৰ্নকিয়াল যাতে কৰিব পাৰো তাৰ ব্যৱস্থা অনতিপলমে কৰিব বুলি মই আশা ৰাখিলো।

মহোদয়, আমাৰ নিবনুৱা শিক্ষিত যুবক সকলে কাম কাজ পাব লাগে। ৰাজধানী নিৰ্মান কৰাৰ সময়ত এই ডেকা সকলক কিছু ঠিকাৰ কাম দিয়া হৈছিল তাৰ কাৰণে আমি ভাল পাইছো। কিন্তু সেই কাম কাজ বিলাক বেয়াকৈ কৰিবলৈ কোন গড়কাপ্তানী বিভাগৰ ইঞ্জিনীয়াৰে তেওঁলোকক পৰামৰ্শ দিছিল সেই কথা আমাৰ জনা নাই। তেওঁলোকৰ অভিজ্ঞতা নাথাকিলেও সেই সময়ৰ চৰকাৰৰ অভিজ্ঞ ইঞ্জিনীয়াৰ নাছিল নেকি ? এই ঘৰ দুৱাৰ ৰাস্তা ঘাট বিলাকৰ কামৰ একো ইয়ত্তা নাই চিমেণ্টৰ প্ৰপৰচন কি হিচাবে দিছিল তাকো পৰিদৰ্শন কৰিবলৈ অভিজ্ঞ মানুহ যেন নাছিল বৰ্ত্তমান কাম বিলাক দেখি লৈ তেনে কথাই উপলব্ধি কৰিব পাৰি। এই ৰাজধানী নিৰ্মাণৰ সময়ত ৰাজধানী অস্থায়ী বুলি নিৰ্মাণ কৰাৰ কথাটো আমিও জানো। কিন্তু অস্থায়ী ৰাজধানীৰ যি ঘৰ দুৱাৰ ৰাস্তা পদুলি হব তাক এনেকুৱা বেয়াকৈ কৰিবলৈ কোন ইঞ্জিনীয়াৰে কৈছিল ? সেই কাৰণে এই সদনত পূৰ্বেৰে পৰা এটা কথা কোৱা হৈছে এই গোটেই নিৰ্মাণৰ কামটো ভালকৈ পৰ্যবেক্ষন কৰি চাব লাগে। অৰ্থাত ৰাজধানীৰ কাম কাজ কৰোতে কিমান টকা খৰছ হল কিমান চিমেণ্ট কিমান লোহা কিমান অন্যান্য সা সজুলি লাগিল আৰু কিমান খিনি হিচাবত ধৰা হৈছে এই সকলো বিলাক পুংখানুপুংখ ৰূপে নিৰ্দ্ধাৰণ কৰিবলৈ এটা তদন্ত কমিটি গঠন কৰি দিয়ক। আৰু এই কমিটিয়ে সকলো তথ্য পাতি বাহিৰ কৰি কিমান টকা খৰচ দেখুৱা হৈছে আৰু কিমান টকাৰ কাম আমি পালো এই সকলো বিলাক বাহিৰ কৰিব লাগে। আমাৰ গড়কাপ্তানী বিভাগে জহৰনগৰত দুটা ঘৰৰ কাৰণে ২ কোটি টকা খৰচ কৰিছে সেই টকাখিনিনো দুটা ঘৰত কেনেকৈ খৰচ হৈছিল এই সকলো বিলাক চাই ৰিপৰ্ট দিয়াটো এই তদন্ত কমিটিৰেই কাম হব লাগে। এইখিনি মই আপোনাৰ জৰিয়তে অনুৰোধ কৰি কৰ্ত্তণ প্ৰস্তাবটো সমৰ্থন কৰি মইমোৰ ব্যক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীগোলোক কাকতি :—মাননীয় উপাধ্যক্ষ মহোদয়, বৰ্ত্তমানে গড়কাপ্তানি বিভাগৰ আগত বছৰৰ খৰচৰ কাৰণে যি টকাৰ মঞ্জুৰি দাবী আহিছে তাক মই সমৰ্থন কৰিছো আৰু তাৰ ওপৰত আমাৰ বিৰোধি পক্ষৰ মাননীয় সদস্য সকলে কৰ্ত্তণ প্ৰস্তাবৰ জৰিয়তে যি বিলাক অভিযোগ কৰিছে সেই সকলো বিলাক মই জনাকয়াই চাইছো। এই সকলোবোৰ অভিযোগকে আমি স্বীকাৰ কৰিছোঁ। আমি নতুনকৈ বিধান সভাৰ সদস্য হৈ আহিছো। ইয়াৰ আগতে যি বিলাক কথা ঘটিছিল সেই সকলো বিলাকো বাহিৰৰ পৰাই শুনিছিলো আৰু জানিছিলো। ইয়াত নানা মঞ্জুৰি আহে আৰু শেষত সকলো বিলাক সদনত পাচ হয় কিন্তু

এটা কথা মই কবই লাগিব যে সকলো বিলাক আঁচনি কাগজত এটা থাকে আৰু কামত অন্য এটা হয়। আমাৰ বিৰোধি পক্ষই যিখিনি অনাচাৰ, অত্যাচাৰ, কদাচাৰ অনীতি দুৰ্নীতিৰ কথা কৈছে প্ৰস্তাৱত মই সকলো বিলাক ভালকৈ পঢ়ি চাইছো। ইয়াৰ লগতে কোৱা হৈছে যে আমাৰ দেশৰ ৰাস্তা মাটি ঘৰ বাৰী আদি সকলো ভাল হব লাগে এই সকলো বিলাক ময়ো উপলব্ধি কৰিছো। অৱশ্যে আমাৰ দেশত কথা আৰু কামৰ সামঞ্জস্য কিছু কম। মই বিশেষ একো নকও এই মৰ্মে কবিতা এটাকে লিখি আনিছো তাকে পঢ়ি মই মোৰ বক্তব্যৰ সামৰণি মাৰিম।

"এটা টকা দিম্ বাৰু
কৰিবা তুমি কাম।
মাণ্টাৰ বোলৰ চাকৰী পাব
কণ্ট্ৰাক্টৰৰ বিল পাছ হব
ৰাস্তাঘাতো সুন্দৰ হব
পূৰণ হব মনস্কাম।
এটা টকা দিম বাৰু
কৰিবা সকলো কাম।
কোকৰাঝাৰত দলং হব
ডিব্ৰুগড়ত দালান সাজিব
বগা ৰাস্তা কলা হব
বোকা ৰাস্তা শিলৰ হব
পূৰণ হব মনস্কাম।।"

*শ্ৰীপ্ৰেমধৰ বৰা ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, গড়কাপ্তানী বিভাগৰ শিতানত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটোত মই চৰকাৰক কিছুমান পলিচি সম্বন্ধে পৰামৰ্শ আগবঢ়াব খুজিছো। এতিয়ালৈকে অসম চৰকাৰৰ গড়কাপ্তানী বিভাগে কেন্দ্ৰীয় চৰকাৰক আমাৰ ৰাজ্যখনৰ ৰাস্তা-পদূলিৰ দুৰৱস্থাৰ কথা আৰু এই অঞ্চলৰ ৰাস্তা-ঘাটৰ চাহিদাৰ কথা সম্পূৰ্ণৰূপে বুজাই দিব পৰা নাই—যাৰ কাৰণে আমি আমাৰ ৰাজ্যখনত মাত্ৰ এটা নেচনেল হাইৱে কৰিব পাৰিছো আৰু বাকী গোটেইবিলাক ৰাস্তা আমাৰ ৰাজ্য চৰকাৰৰ পুঁজিৰ পৰা কৰিব লগা হৈছে।

আজি আমাৰ নতুন চৰকাৰৰ বিশেষকৈ আমাৰ এজন বিশেষ সম্ভাব্যপূৰ্ণ ব্যক্তিৰ হাতত আমাৰ গড়কাপ্তানী বিভাগৰ দায়িত্ব পৰিছে। মই তেখেতক অনুৰোধ জনাম। এই ক্ষেত্ৰত অসম ৰাজ্যখন যেন পূৰ্বাঞ্চলৰ প্ৰাণকেন্দ্ৰ হৈ গঢ়ি উঠে। সেইকাৰণে আমাৰ উত্তৰ পাৰত থকা ৰাস্তাটো সীমান্তৱৰ্ত্তী ৰাস্তা হিচাবে গণ্য কৰা হৈছে আৰু সীমান্তৱৰ্ত্তী ৰাস্তাটো নেচনেল হাইৱে (ৰাষ্ট্ৰীয় পথ) কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক সকলো কথা বুজাই দি হেচাঁ দিয়ক। তাৰোপৰি আমাৰ বদৰপুৰৰ তথা যিবিলাক সীমান্তৱৰ্ত্তী ৰাটা আছে সেইবিলাক প্ৰতিৰক্ষাৰ ফালৰ পৰা বিশেষ দৰকাৰী ৰাস্তা। এই ৰাস্তাবিলাকৰ বছেৰেকীয়া চাহিদালৈ লক্ষ্য কৰি আৰু এই গোটেই পূৰ্বাঞ্চলৰ ৰাস্তাবিলাক প্ৰতিৰক্ষাৰ ক্ষেত্ৰত বিশেষ প্ৰয়োজনীয় আৰু ইয়াৰ বৰঙণি বহুত—সেই হিচাবে গণ্য কৰি কেন্দ্ৰীয় চৰকাৰক বুজাবলৈ সমৰ্থ হওক আৰু উত্তৰ পাৰত থকা ৰাস্তাটো তেখেতসকলক লবৰ কাৰণে বাধ্য কৰাওক সেইটো আমি অসম চৰকাৰৰ পৰা আশা ৰাখিছো।

উপাধ্যক্ষ মহোদয়, এই বিধান সভাত বেছি কথা কোৱাটোও এটা বিপদ। এই ঘৰটো এটা যাদু ঘৰ! যিজন মাননীয় সদস্যই আজি ইফালে বহি সমাচোলনা কৰিব—সেইজনেই কালিলৈ সিফালে বহি ডিফেণ্ড কৰিব লগীয়া হয়। সেইকাৰণে মই মাননীয় মন্ত্ৰীমহোদয়ক অনুৰোধ কৰিছো যে-এই ঘৰটোও একেই আছে, ইয়াত থকা চিট বিলাকো একেই আছে, মানুহ কেইজনমান প্ৰায়েই একেই আছে—তেনেক্ষেত্ৰত

*Speech not corrected.

তেখেতে ইফালে থাকোতে যিবিলাক কথা সমালোচনা কৰিছিল আৰু এতিয়া সিফালে বহি শাসনৰ দায়িত্ব লৈ সেই সমালোচনা কৰা কথাখিনি পালন কৰে সেইটো মই তেখেতৰ পৰা আশা ৰাখিছো। তেখেতে ইফালে দুই নং চিটত বহি অস্থায়ী ৰাজধানী তদন্তৰ কাৰণে যিটো দাবী কৰিছিল—সেইটো এতিয়া সিফালে দুই নং চিটত বহি কেৱল ডিফেণ্ড কৰিবলৈকে নাচাই ৰাইজৰ স্বাৰ্থৰ কথা চিন্তা কৰে—তাৰ কাৰণে মই অনুৰোধ জনাইছো ইফালে দুই নং চিটত বহি তেখেতে যিটো গেষ্ট হাউচৰ তদন্তৰ কথা দাবী কৰিছিল—আৰু যেতিয়া ভাৰতৰ প্ৰধান মন্ত্ৰী আহে তেতিয়া সেই গেষ্ঠ হাউচলৈ যে আমাক সোমাবলৈ দিয়া নাছিল আৰু সোমোৱাৰ আগতে যে বাধা দিছিল—এইসকলোবিলাক কথা মনত ৰাখি তেখেতে তদন্তৰ ব্যৱস্থা কৰিব বুলি আমি আশা ৰাখিছো।

এতিয়া মই বিভাগৰ কথালৈ আহিছো—আমাৰ গড়কাপ্তানী বিভাগৰ প্ৰশাসনীয় ব্যৱস্থাটো "টপ্ হেভী" হৈছে আনফালে মাষ্টাৰৰোলত যিসকলে কাম কৰি আছে সেইসকলৰ স্থায়ী চাকৰিৰব্যৱস্থা এতিয়াও কৰা হোৱা নাই। মন্ত্ৰীসকলে নিৰ্দ্দেশ দিয়া বুলি কৈছে। কিন্তু কোনো তেনে চাৰ্কোলাৰ ওলোৱা নাই। আমাৰ গড়কাপ্তানী বিভাগত যিমান ডাঙৰ ডাঙৰ বিষয়া আছে—সিমানখিনি বিষয়াৰ কোনো দৰ্কাৰ নাই। গতিকে এডিশ্যনেল চিফ্ ইঞ্জিনিয়াৰৰ পোষ্ট কমাই হলেও এই মাষ্টাৰ ৰোলৰ কৰ্মচাৰী সকলৰ চাকৰি-চৰকাৰীকৰণ কৰি দিব লাগে। তাৰ পাছত আৰু কিছুমান সৰু সৰু চাকৰি কৰা কৰ্মচাৰী আছে—যেনে—ৰোড মহৰাৰসকল। সেইবিলাকৰ এতিয়াও ডিষ্ট্ৰিক্ট ট্ৰেন্স্ফাৰ হৈ আছে। গোৱালপাৰাৰ মহৰি আনি লক্ষীমপুৰত দিছে আৰু লক্ষীমপুৰৰ মহৰিবিলাক অন্য জিলাত দিছে। এইটোত আমি ভাল পোৱা নাই। কাৰণত ইমান সৰু সৰু কৰ্মচাৰীৰ ডিষ্ট্ৰিক্ট ট্ৰেন্সফাৰ হোৱাত তেওঁলোকৰ বহুতো অসুবিধা সৃষ্টি হৈছে। সেইকাৰণে এই সৰু সৰু কৰ্মচাৰীক নিজৰ নিজৰ জিলাতে দি তেওঁলোকৰ ডিষ্ট্ৰিক্ট ট্ৰেন্সফাৰ বন্ধ কৰিব লাগে।

তাৰ পাছত মাননীয় মন্ত্ৰীমহোদয়ক চৰকাৰৰ পলিচি সম্বন্ধে পৰামৰ্শ দিব বিচাৰিছো যে যিবিলাক পিচপৰা অঞ্চল—সেইবিলাক এতিয়াও পিচপৰিয়েই আছে। এই ক্ষেত্ৰত মই আমাৰ উত্তৰ লক্ষীমপুৰৰ কথা কব বিচাৰিছো যে— উত্তৰ লক্ষীমপুৰৰ পৰা যোৰহাটলৈ যোৱাৰ বাবে যিটো কমলাবাৰী ৰাষ্টা আছে—এই কমলাবাৰী ৰাষ্টাটো আজিলৈকে নতুন নহল। ইংৰাজৰ দিনত এই ৰাষ্টাটো যেনেকৈ আছিল এতিয়া তাতোতকৈ বেয়াহে হৈ আছে। আমাৰ মন্ত্ৰী ডাঙৰীয়াই সেইখন জিলাতে জন্ম গ্ৰহণ কৰা বুলি গৌৰৱ অনুভৱ কৰে—আমিও গৌৰৱ অনুভৱ কৰো। গতিকে আমি আশা ৰাখিছো মন্ত্ৰী ডাঙৰীয়াই নিজে তেখেতৰ জিলাৰ কথা মনত ৰাখি উত্তৰ লক্ষীমপুৰ আৰু কমলাবাৰীৰ মাজত কমলাবাৰী ৰাষ্টাৰ সোৱণশিৰীৰ ওপৰত দলং দিয়াৰ ব্যৱস্থা কৰিব।

[illegible]

উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ মন্ত্ৰী ডাঙৰীয়াৰ জন্মস্থান হল ঢকুৱাখানা এই ঢকুৱাখানাৰ আজি ৩০।৪০ বছৰৰ আগতে লোকেল বোৰ্ডৰ দ্বাৰা বনোৱা ৰাষ্টা। সেই ৰাষ্টাবিলাক আজিও লোকেল বোৰ্ডৰ ৰাষ্টাই হৈ আছে আৰু যিটো পি, ডব্লিউ, ডিৰ ৰাষ্টা আছিল—সেইটোও আগতকৈ বেয়াহে হৈ আছে। উত্তৰ লক্ষীমপুৰ আৰু ঢকুৱাখানাৰ মাজত যিটো ৰাষ্টা আছে— তাৰো অৱস্থা অতি শোচনীয়। সেইদৰে উত্তৰ লক্ষীমপুৰ আৰু ধেমাজীৰ যিটো পথ আছে—সেইটোও বহুত ঠেক আৰু মাজে মাজে বহুতো টুকুৰা টুকুৰ হৈ আছে। সেইকাৰণে মই চৰকাৰৰ পলিচিৰ বিষয়ে কব বিচাৰিছো যে যদি পিচপৰা অঞ্চলৰ উন্নতি সাধন কৰিব লাগে তেতিয়াহলে সেই পিচপৰা অঞ্চল বিলাকৰ ৰাষ্টা পদুলি বিলাক ভাল কৰিব লাগে। কাজেই মই এই পিচপৰা অঞ্চলবিলাকৰ প্ৰতি তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিছো।

তাৰ পাছত আমাৰ কিছুমান কৰিবলগীয়া সৰু সৰু কথা আছে। যেনে ঠিকাদাৰ বিলাকৰ কথা। এই ক্ষেত্ৰত থলুৱা লোকক বঞ্চিত কৰি বাহিৰৰ ঠিকাদাৰ বিলাকেহে প্ৰাধান্য পাই আছে। যি বিলাক ঠিকা ৫০-৬০ লাখ টকাৰ—সেইবিলাকৰ ঠিকাদাৰ বিলাক বাহিৰৰ। সেইবিলাকৰ কাৰণে আমাৰ স্থানীয় ঠিকাদাৰ নাছিল কাৰণে বাহিৰৰ পৰা দিয়া হৈছিল—কিন্তু এতিয়াতো আমাৰ দুই এজন স্থানীয় ভাল ভাল ঠিকাদাৰ ওলাইছে। গতিকে সেই অভিযোগ বিলাক চাই স্থানীয় থলুৱা লোকক দিয়াৰ ব্যৱস্থা কৰিব

লাগে। এই ক্ষেত্রত আমাৰ যিবিলাক ইঞ্জিনিয়াৰ আছে আৰু যিসকল ঠিকাদাৰে ভাল কাম কৰি নাম কৰিছে—সেইসকলক এই ডাঙৰ ডাঙৰ ঠিকাবিলাক দিবলৈ চেষ্টা কৰিব লাগে। আমাৰ ঠিকাদাৰ বিলাকে বাহিৰলৈ গৈ নাম কৰিব পৰা নাই। গতিকে আমাৰ ৰাজ্যত যিবিলাক ঠিকা ওলাইছে বা যিবিলাক কোম্পানীৰ লগত কৰিব লগীয়া কাম ওলাইছে সেই বিলাকত স্থানীয় ঠিকাদাৰক নিযুক্তি দিব লাগে। আমি শুনিবলৈ পাইছো যে আমাৰ প্ৰশাসনীয় গড়কাপ্তানী বিভাগত বাহিৰৰ উচ্চ বিষয়াসকল থকাৰ কাৰণে বাহিৰৰ ঠিকাদাৰ বিলাকে ইয়াত সহানুভূতি পাইছে। এনেকুৱা কথাও ওলাইছে যে— মন্ত্ৰীয়ে ৰেজিষ্ট্ৰেচনৰ ঠিকাদাৰ সকলে কৰ পৰা শকত পুঁজি দেখুৱাব—ৰেজিষ্টেচনৰ সময়ত ? তেওঁলোকে ১৫-২০ লাখ টকা ফিজ বঢ়াই দিছে—যাৰ ফলত আমাৰ থলুৱা ঠিকাদাৰ সকলে ৰেজিষ্ট্ৰেচন পোৱা নাই। গতিকে আমাৰ ঠিকাদাৰ সকলে কৰ পৰা শকত পুঁজি দেখুৱাব ৰেজিষ্টেচনৰ সময়ত ? তেওঁলোকে ১৫-২০ লাখ টকা দেখাই নাই—তেনেস্থলত ২।৩ বছৰ বিল পে-মেণ্ট নোহোৱাকৈ কেনেকৈ কাম চলাই যাব। এইটো অসম্ভৱ কথা। এই ক্ষেত্রত আমাৰ থলুৱা লোকক চৰকাৰে সহানুভূতি নেদেখুৱালে কোনে দেখুৱাব ? গতিকে অন্ততঃ আমাৰ স্থানীয় ইঞ্জিনিয়াৰ সকলক এই বিষয়ে তদাৰক দিব বুলি মই আশা ৰাখিছো। আমি কেৱল মুখেৰে আশা ৰাখিলেই নহব—আমি যিবিলাক কথা ইয়াত আলোচনা সমালোচনা কৰিছো সেই সকলোবিলাক কামৰ যোগেদি আমাক দেখুৱাব লাগিব।

আমাৰ উত্তৰ লক্ষীমপুৰ কাহানিবাই জিলা হল—কিন্তু আজিলৈকে তাত চুপাৰিনটেনডেণ্ট ইঞ্জিনিয়াৰ দিয়া নাই। ধেমাজী কেতিয়াই মহকুমা হলকিন্তু আজিলৈকে তাত মহকুমাধিপতিৰ বিল্ডিং হোৱা নাই। সেইদৰে আমাৰ উত্তৰ লক্ষীমপুৰ—গোৱালপাৰাক আদি কৰি বিশেষকৈ যিবিলাক অঞ্চল পিচ-পৰি আছে—সেইবিলাকত চৰকাৰৰ পৰিচিত—ৰাণ্টাঘাট বা তেনেধৰণৰ উন্নয়ন মূলক কামত বিশেষ অগ্ৰাধিকাৰ দিব আৰু তাৰ কাৰণে চৰকাৰে সকলো ধৰণৰ প্ৰচেষ্টাৰ ক্ৰুটি নকৰে বুলি আশা ৰাখিছো। অৰ্গেনাইজেচনৰ কথাত পুনৰ কৰ বিচাৰিছো যে—ওপৰত কি হৈছে মন্ত্ৰীয়ে চাব লাগে আৰু ওপৰত ডাঙৰ ডাঙৰ অফিচাৰ ৰাখি তলৰ কৰ্ম্মচাৰীসকল যাতে বঞ্চিত হব লগীয়া নহয়—তালৈ দৃষ্টি ৰাখিব। তলৰ কৰ্ম্মচাৰী সকলক মৰম দেখুৱাই কেনেকৈ কাম আদায় কৰিব পাৰে তালৈ লক্ষ্য ৰাখি সমাজবাদৰ যিটো আদৰ্শ সেইটো ফলৱতী কৰিব লাগে।

Mr. DEPUTY SPEAKER: Now hon'ble member Shri Benoy Kumar Basumatari.

*Shri BENOY KUMAR BASUMATARY: Hon'ble Deputy Speaker Sir while opposing the cut motiond moved by the opposition benches, I would support the demand. Sir, one of the members, Shri Basumatari from the opposition had expressed that P.W.D's work in Kokrajar, Sub-division has been neglected for the past 40 years. I do not know why this was neglected but this was neglected because that sub-divison is inhabitated by the tribals and the previous Govt. had taken a note not to develop the tribal areas. It is not only that the Kokrajhar sub-division has been neglected in the development works, the works are neglected even in my constituency where there is not even one kilometre of black topped road. Sir, we have become independent and in article 46 it has been provided that we would be looked after and our problems would be taken up. But it is a very shameful thing that after 31 years of independence, my Constituency do not have even one kilometre of black topped road. There are black topped roads in my constituency which is about 25 miles away but it is a border road. So we fail to understand why this State Govt. neglect the areas inhabitated by the tribals. So, I would request the new

*Speech not corrected.

Govt. that the tribal areas would be looked after and in this reference I would like to bring to the notice of the Minister for P.W.D. that at present there is a project going on in my constituency which requires an amount of about 17 crores of rupees but the site from where this project is situated i.e. from Udalguri to my constituency, the entire black topped road has been damaged. So I would request the P.W.D. Minister to see that the road is repaired immediately.

Now, Sir, another is we hava been hearing about this minimum needs programme in Assam for the tribals during the last financial year of 1977-78 and Rs. 7.34 lakhs have been provided for the minimum needs programme and we have been informed in this House that under the Minimum Needs Programme, founds have been allotted. I would like to enquire whether this minimum deeds programme is meant for the tribal fund allotted by the Central Govt., or there is general minimum needs programme fund. I would like to request the Government that henceforth fund for the tribal upliftment work provded by the Central Govt. should not be misappropriated, and if this is done, we would take constitutional and legal process that is given, to us. Sir, I conclude my speech with the request to the Opposition that the cut motions be withdrawn, because they have not severely criticised the Govt. on these Demands for Grants. They have warned as to what had happened in the past and they have requested the Treasury Bench to look to the future keeping in view the misdeeds of the past Government. I would also request the Government that the same be kept in view and fund that is being passed through these Demands would be utilised properly.

Dy. Speaker: As the hon members are eager to speak further so, the time is extended upto 12-30 today and at the same time I would request the hon-members to cut short their speech. The hon minister will reply after lunch-break.

Shri Dulal Ch. Barua (Minister) : Sir, I want to submit one thing. In no case, such a long time should be given on Demand. The general practice is that on cut motions, time is fixed. There are other cut motions on Demands whcich are equally important. Here on these cut motions we have taken maximum time. So, beyond 12/30 time should not be extended.

Shri Giasuddin Ahmed : Sir, I want to have one clarification. Whether this has been done at the cost of other cut Motions. That should not be our intention. That was not the intention that the time limit for other cut motions should be reduced. That is not our intention that total time allotted on different Cut Motions should be extended.

Dy. Speaker : If the hon. members of the House desire, I may request the Hon. Minister to speak.

Shri Nurul Huda : The hon. Speaker has already stated a little while that the hon. Minister, PWD. would reply at 12 O'clock. I do not know whether there would be more extention of time beyond that time.

---

*Speech not corrected.

Dy. Speaker: There were so many names here and so I informed the hon. Speaker, if possible, to extend the time upto 12/30 and then the hon. Speaker has sent information to me thats hon. members are so eager to speak, then the time may be extended up to 12/30 and accordingly I have informed the House.

Shri Shanti Ranjan Das Gupta : Sir, there are altogether 70 head of Demands covering 126 different Accounts and for these 3 Demands more than 6-30 hours' time has already been taken. Now, if it is continued for for further time, then other heads of demands would definitely suffer.

শ্ৰীনৰেণ দত্ত :— মাননীয় উপাধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত মই অলপমান কথা কব খুজিছো। কথাখিনি নলবাৰী মহকুমাৰ বিষয়। অসমৰ ভিতৰত এটা গুৰুত্বপূৰ্ণ মহকুমা হৈছে নলবাৰী মহকুমা। কিন্তু আজিলৈকে এই মহকুমাটোক অৱহেলা কৰি অহা হৈছে। ইমান বছৰ ধৰি অৱহেলা কৰি অহাৰ ফলত নলবাৰী মহকুমাৰ ৰাইজে অশেষ জীয়াতু ভুগিব লগীয়া হৈছে। ইয়াৰে এটা অতি গুৰুত্বপূৰ্ণ ৰাস্তা নলবাৰী হাজো ৰাস্তাত পোন্ধৰ বিশ মিনিটৰ মূৰে মূৰে গাড়ী চলে যদিও ৰাস্তাটো আজিলৈকে ব্লেক টপিং কৰা নহল। আন এটা হ'ল সৰ্থেবাৰী পললা ৰাস্তা। পোন্ধৰ মিনিটৰ মূৰে মূৰে গাড়ী চলা এই ৰাস্তাৰে গাড়ী গলে তাত মানুহ উঠি যোৱাৰ সাধ্য নাই। ইয়াৰ দ্বাৰা সেই অঞ্চলৰ বিৰাট ৰাইজক অসুবিধাত পেলোৱা হৈছে। প্ৰতি বছৰে দুই তিনি-বাৰকৈ বানপানী আহি নলবাৰী মহকুমাটো প্লাৱিত কৰি পেলায় আৰু নেশ্যনেল হাইওৱে যেতিয়া চলাচলৰ অনুপযোগী হৈ পৰে, বান পানীৰ তলত পৰি থাকে তেতিয়া একমাত্ৰ পথ হয় হাজো নলবাৰী ৰাস্তাটো। কিন্তু ইমান বছৰ ধৰি চৰকাৰৰ দৃষ্টিগোচৰ কৰি অহা সত্বেও এই ৰাস্তাটো আজিলৈকে কৰা হোৱা নাই। পললা ৰস্তাটো ব্লেক টপিং কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও ধমাৰকুছি নলবাৰী ৰাস্তাটোৰ বৰমুৰিকোণাৰ গুৰুত্বপূৰ্ণ দলঙখন সম্পূৰ্ণ নোহোৱা কাৰণে এই বিৰাট অঞ্চলৰ ৰাইজৰ ভীষণ অসুবিধা হৈছে। ১৯৬৯ চনতে এক লাখ চল্লিশ হাজাৰ টকাৰে ইয়াৰ কাম আৰম্ভ কৰিছিল যদিও কাম ভাল নোহোৱা কাৰণতে বোধকৰো বানপানীয়ে উতাই নিলে। এতিয়া আকৌ আৰম্ভ কৰিব বুলি শুনিছো। এই ৰাস্তাৰে অহা-যোৱা কৰা চাকৰিয়াল, ব্যৱসায়ী, অসংখ্যা ছাত্ৰ ছাত্ৰীৰ ভীষণ অসুবিধা হৈছে। ৰাহজানী, ওপৰৰৰভাগ এই বিৰাট অঞ্চলৰ মানুহৰ কাৰণে সেই দলঙ-খন অত্যন্ত প্ৰয়োজন। আশাকৰো এই দলঙখনৰ কাম সম্পূৰ্ণ কৰি ৰাইজৰ অসুবিধা দূৰ কৰিব। এই বিষয়ত দৃষ্টি দিবলৈ মই চৰকাৰৰ মনযোগ আকৰ্ষণ কৰিলো আৰু গড়কাপ্তানী মন্ত্ৰী শ্ৰীবৰুৱা ডাঙৰীয়াক আহবান কৰিছো।

Shri Dewen Joynal Abedin— Sir, on my behalf, the hon. member. Shri Nazmul Haque will speak.

Deputy Speaker – If the hon. member is not willing to speak, he cannot ask another hon. member to speak on his behalf.

Shri Dewan Joynal Abedin— Sir, both of us together moved two separate cut motions and both of us belong to the same group and so, I thiink, either of us cun speak on it if you allow.

Dy. Speaker—Alright, the hon. member is allowed to speak,

শ্ৰীনজমুল হক :—মাননীয় উপাধ্যক্ষ মহোদয়, বাজেটৰ ওপৰত বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি গড়কাপ্তানী বিভাগৰ কেইটামান কথা আগবঢ়াব বিচাৰিছো। গড়কাপ্তানী বিভাগৰ প্ৰায়বিলাক কামেই আধৰুৱা আৰু গোটেই বিভাগটোতে দুনীতি সোমাই আছে। যিবিলাক

*Speech not corrected.

পিচপৰা অঞ্চল আজিলৈকেও সেই অঞ্চলবিলাকত এই বিভাগৰ কোনো ৰাস্তাই নাই। সেই কাৰণে মই আপোনাৰ জৰিয়তে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো যে এই বিভাগটোৰ ওপৰত গোটেই ৰাজ্যতে এটা ৰিভিউ কমিটি হব লাগে। যোৱা ৩১ বছৰে যিবোৰ ঠাইত মুঠেই ৰাস্তা ঘাট হোৱা নাই সেই বিষয়ে ৰিভিউ কমিটি কৰি তন্ন তন্নকৈ বিছাৰ কৰি সেইবোৰ ঠাই উলিওৱাৰ বাবে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। উপাধ্যক্ষ মহোদয়, গড়কাপ্তানি বিভাগৰ যিবিলাক ৰাস্তা কৰা হয় তাত স্থানীয় ৰাইজৰ কোনো সম্পৰ্ক নাই ঠিকাদাৰহে ইচ্ছামত কৰি থাকে ইয়াৰ কাৰণ মই বুজি নাপাওঁ। চৰকাৰে কোনো এটা ৰাস্তাৰ কাম কৰিব আৰু বনুৱাই মাটি কাটিব কিন্তু তাৰ মাজত আকৌ ঠিকাদাৰ কোমাই লাখ লাখ টকা লাভ কৰিছে। এই বিভাগত কিছুমান শ্ৰমিক বাহিনী আছে সিদিনাখন মাননীয় সদস্য কেইজনমানে কৈছে যে প্ৰায়বিলাক শ্ৰমিক বাহিনীয়েই ভুৱা শ্ৰমিক বাহিনী। কথাটো সচাঁ। তাৰ ভিতৰতো যি দুই এটা শ্ৰমিক বাহিনী আচল আছে তেওঁলোকে কাম কৰিলেও সময়মত দুখীয়া শ্ৰমিক সকলে পইচা নাপায়। ইয়াৰ ফলত বাধ্য হৈ ঠিকাদাৰৰ তলত কাম কৰিব লগীয়া হয়, ফলত প্ৰকৃততে শ্ৰমিকে পাব লগীয়া নূ্্যনতম মজুৰী খিনি তেওঁলোকে নাপায়। গতিকে প্ৰকৃত শ্ৰমিকে যাতে কাম পায় আৰু তেওঁলোকৰ মজুৰী সহজে পায় তাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব বুলি আশা ৰাখিলোঁ। আজি যি সকল বনুৱা সূৰ্য্যোদয়ৰ পৰা সূৰ্য্যাস্তলৈ কাম কৰে তেওঁলোকক লগে লগে গধূলী পইছা দিয়াৰ ব্যৱস্থা কৰিব লাগে কিন্তু আজি শ্ৰমিকৰ ওপৰত নিৰ্ম্মম শোষণ চলি আছে। তেওঁলোকৰ উচিত মজুৰী নাপায় ঠিকাদাৰে বনুৱাক প্ৰতি হেজাৰত ৩০-৪০ টকা দিয়ে আৰু সেইক্ষেত্ৰত চৰকাৰে নীৰৱ দৰ্শক হৈ থাকিলে দায়ীত্ব পালন কৰা নহব। গতিকে মই ভাবো এই ঠিকাদাৰী বিলোপ কৰিব লাগে আৰু তাৰ সলনি চৰকাৰে হাজিৰা কৰা লোক সকলক দৈনিক হাজিৰা দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই বিভাগে টেণ্ডাৰ কল কৰোতে আমি দেখিছো ঠিকাদাৰে শতকৰা ৩৫ শতাংশ লেচ দিছে আৰু সেইমতে ঠিকাদাৰৰ লগত কামৰ বন্দোবস্ত কৰে। পাছত প্ৰাককলন বৰাই থাকে তাৰ ফলত লেচ শতকৰা ৩ শতাংশলৈ হ্ৰাসপায় সেই সম্পৰ্কে আমাৰ মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰিব বুলি আশা কৰিলো।

ইয়াৰ উপৰিও উপাধ্যক্ষমহোদয় যেতিয়া এই বিভাগে কোনো এটা ৰাস্তা কৰিবলৈ লয় সেই ৰাস্তাটোত কিমান টকা মজুৰী আছে সেই সম্পৰ্কে তাৰ স্থানীয় ৰাইজে একো নাজানে। মাত্ৰ ইঞ্জিনিয়াৰ ঠিকাদাৰ সকলেহে জানে। এই সম্পৰ্কে মই এটা পৰামৰ্শ দিব বিছাৰিছো যিটো ৰাস্তা কৰিবলৈ লয় তাৰ আগতে এই ৰাস্তাটোত কিমান টকা মজুৰি আছে ৰাস্তাটো কিমান বহল কিমান দীঘল আৰু কিমান ওখ, কিমান টকাত ঠিকাদাৰক দিয়া হৈছে সেই বিষয়ে যদি এখন চাইনবোৰ্ডত লিখি লগতে বনুৱাই কিমান টকা হাজাৰ প্ৰতি মজুৰী পাব আৰু দিয়া হয় তেনেহলে ঠিকাদাৰে বা বিভাগে স্থানীয়লোকক বা বনুৱাক ঠগাব নোৱাৰে। এইকথাটোক কাৰ্য্যকৰী কৰিবলৈ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আমাৰ মন্ত্ৰী মহোদয়ে গোটেই অসমতে তন্ন তন্নকৈ ঘূৰি য'ত য'ত এইধৰণৰ দুৰ্নীতি আছে সেইবিলাক দূৰ কৰিব বুলি আশা ৰাখিলো। এই বিভাগত এখন পানৰ পৰা আৰম্ভ কৰি টকা গ্ৰহণ কৰালৈকে সকলো ধৰণৰ দুৰ্নীতি সোমাই আছে। সেইবিলাক আমি আশা কৰিছো নতুন মন্ত্ৰীয়ে আতৰ কৰিব। এই বিভাগত যিবিলাক মাষ্টাৰ ৰোলত কাম কৰা বণুৱা আছে তেওঁলোকে ৩১ বছৰে এনেকৈয়ে শাস্তিভোগ কৰি আছে। (সময়ৰ সংকেট) গতিকে মাষ্টাৰ ৰোলত কাম কৰা লোক সকলক অন্য চাকৰিয়ালৰ নিচিনা যাতে সকলো সা সুবিধা পায় তাৰ কাৰণে স্থায়ীকৰণৰ বাবে যুদ্ধকালীন তৎপৰতাৰে কাম কৰিব বুলি আশা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়াঃ—উপাধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈ এই ডিমাণ্ডটো সম্পৰ্কে

Shri GIASUDDIN AHMED : One point of order, Sir, I thank for withdrawal of a Cut motion or any other motion permission of the Speaker or Deputy Speaker is to be obtained.

Shri SANTI RANJAN DASGUPTA : The Cut motion has not been moved : So he can withdraw.

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া ঃ—এই বিভাগটোৰ ওপৰত বিভিন্ন দিশৰ পৰা সমালোচনা কৰা হৈছে, মই মোৰ আগৰ ৬ বছৰীয়া অভিজ্ঞতাতো পাইছিলো সমালোচনা হৈয়ে থাকে। এটা বিভাগে এটা খৰছ কৰিলে সেই বিষয়ে সমালোচনা হোৱাটো স্বাভাৱিক। এই বিভাগটো অসমতেই নহয় ভাৰতবৰ্ষৰো ভিতৰত পৰ্ৰণা বিভাগ আৰু এই বিভাগটোৰ লগত জনসাধাৰণ স্পষ্টভাবে জৰিত সেইকাৰণে সমালোচনা প্ৰায় শুনা যায়। এতিয়া দেশত যি নতুন চৰকাৰ গঠন হৈছে তেওঁলোকে কি ৰকমৰ ভূমিকা লয় চৰকাৰে তাৰ ওপৰত বহুত কথা নিৰ্ভৰ কৰে। বিত্তমন্ত্ৰী মহোদয়ে কৈছে যে ট্ৰেনিং কমিচনে যোৱা বছৰৰ খৰছ এপ্ৰোভ কৰিছে। আমি দেখিবলৈ সাধাৰণতে গাঁৱলীয়া অঞ্চলবিলাকত দলং আদি নিৰ্ম্মাণৰ কাৰণে বেছি টকা খৰছৰ দৰ্কাৰ। গতিকে আমাৰ নতুন চৰকাৰে চেষ্টা কৰিব লাগে যাতে গাৱঁলীয়া অঞ্চলৰ ৰাস্তা বিলাকৰ ওপৰত অতি সোনকালে দলং দিয়াৰ ব্যৱস্থা কৰে।

উপাধ্যক্ষ মহোদয়, আৰু এটা কথা মই কব খুজিছো, ৰোড বৰ্ডৰ মিটিংৰ প্ৰচিদিংছত ৰিপৰ্টত দেখা গৈছিল যে প্ৰত্যেক মহকুমাতে পি, ডব্লিঅ, ডিৰ এখন কমিটি গঠণ কৰা হব। এই সম্পৰ্কত মোৰ পাচঁ বছৰীয়া এম, এ, ৰ অভিজ্ঞতাৰ পৰা কব খুজিছো যে অকল নতুন ৰাস্তাতেই নহয় আমাৰ সম্পত্তিৰ ভিতৰত পৰা ৰাস্তা কেইটাৰ সম্পৰ্কত আমাৰ মতা-মত লৈ হে কাম কৰিব লাগে আৰু এই খিনিৰ কথাৰ বাদে মহকুমাৰ আন ৰাস্তাৰ কথা জনাৰ উপায় নাই আৰু মেইণ্টেনেনসৰ কথা জনাৰ উপায় নাই। এইবাৰ চাব ডিভিজনত বৰ্ড একোটা কৰা হৈছে, আমি আশা ৰাখিছো তাৰ দ্বাৰা মেইণ্টেনেনচৰ সুবিধা হব। মাষ্টাৰ ৰোলৰ বনুৱা সকলৰ দৰমহা, কত দলং মেৰামতিৰ বাবে কিমান খৰচ কৰা হৈছে, কত শাল কাঠৰ দলং দিয়া হৈছে এইবোৰ কথা এক্জিকিউটিভ ইঞ্জিনিয়াৰ সকলে জনাৰ বাহিৰে আমাৰ জনাৰ উপায় নাথাকে। মাননীয় সদস্য এগৰাকিয়ে কৈছে যে দলং মেৰামতি কৰাৰ পিচতে বাছএখন যাওঁতেই ভাঙি গল। সেই কাৰণে মই কব খুজিছো যে দলং এখন মেৰামতি কৰিবলৈ হলে কিমান খৰচ পৰে সেই কথা যদি ৰাইজে জানে তেন্তে ৰাইজে নিজে খবৰ লৈ ইঞ্জিনিয়াৰৰ ওচৰত হস্তক্ষেপ কৰিব পাৰে। অৰ্থাত ঠিকাদাৰে শাল কাঠৰ পৰিবৰ্ত্তে অন্য কাঠ দি ৰাইজক ফাকি দিব নোৱাৰিব। এনে ব্যৱস্থা ললে সুবিধাজনক কথা হব বুলি মই ভাবোঁ।

মানননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই ট্ৰাইবেল অঞ্চলত ৰাস্তাৰ বিশেষ কাম নাই বুলি কৈছে। কিন্তু মঙ্গলদৈৰ উত্তৰ অঞ্চলত থকা এটা ৰাস্তা ওদাল গুৰিৰ পৰা তামোল পুখুৰীলৈ যিটো ৰাস্তাৰ কাম ১৯৬২ চনতে আৰম্ভ কৰা হৈছে আৰু তাৰ কাম যি গতিত আৰম্ভ হৈছে সেইটো কেতিয়া সমাপ্ত হব কোৱা টান। ৰাস্তাৰ সম্পৰ্কত পি, ডব্লিউ ডি, ঠিকাদাৰে চিমেণ্ট বা আন মেটেৰিয়েলৰ অভাৱৰ কথা কৈছে সেইটো এটা সামাজিক ব্যাধিৰ দৰে হৈছে। যিবিলাক ঠিকা পি, ডবলিউ, ডি আৰু ইৰিগেশ্যন বিভাগৰ ডাঙৰ ডাঙৰ পকা, কালৰ্ভাট আদি কৰিবলৈ পায় সেইবিলাকি কৰিবলৈ চিমেণ্টৰ অভাৱ বুলি কয়। কিন্তু টাওনত ডাঙৰ ডাঙৰ বিল্ডিং সাজিবলৈ কৰ পৰা চিমেণ্ট পায় ? এই ক্ষেত্ৰত আমাৰ নতুন ডেকা মন্ত্ৰীয়ে উৎসাহী হৈ বিহিত ব্যৱস্থা লব বুলি আশা ৰাখিছো। মাননীয় সদস্য ডাঙৰীয়াই এমা কথা কৈছে, বিশেষকৈ নেচনেল হাইৱেৰ বাবে দাবী কৰি আহিছে। ইয়াৰ কাৰণে বৰ্ডাৰ ৰোড আৰনোইজেচনৰ ফালৰ পৰা টকা আহে। মঙ্গলদৈ ভূটীয়া চাং ৰাস্তাটো বৃটিছৰ দিনতে পকা কৰা হৈছিল। এই ৰাস্তাটোৰ প্ৰতি বিভাগীয় মন্ত্ৰী মহোদয় সচেষ্ট হব আমি আশা ৰাখিছো। শেষত মাষ্টাৰ ৰোলৰ যিবিলাক বনুৱাৰ ক্ষেত্ৰত মাজে মাজে সমস্যা উদ্ভাবন হৈ থাকে সেইবিলাক অতি শীঘ্ৰে সমাধান কৰিব বুলি মই আশা ৰাখিছো।

ৰাস্তাত কাম কৰিবলৈ গাঁৱলীয়া মানুহ নাই বুলি কোৱা হয়। যিকেইটা ৰাস্তাত প্ৰাইৰিয়িতি দিয়া হৈছে সেই কেইটাত যাতে গাঁৱলীয়া মানুহে কাম পায় তাৰ ব্যৱস্থা কৰিব লাগে।

(সময়ৰ সংকেট—মোক আৰু পাঁচ মিনিট দিব নে কি ?)

ৰাস্তাবিলাক মেৰামতিৰ কাৰণে ডিভিজন আৰু চাবডিভিজন বোৰক দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। পি, ডব্লিউ, ডিৰ দুৰ্নীতিৰ কথা মাননীয় সদস্য সকলে কৈ গৈছে। শেষত মই মন্ত্ৰী মহোদয়ক আন এটা অনুৰোধ কৰো যাতে যি বিলাক ৰাস্তাৰ কাম কৰিবলৈ লোৱা হয় সেই-বিলাকত যাতে গাঁৱৰ মানুহ লবলৈ কন্ট্ৰেক্টৰ সকলক বাধ্য কৰোৱা হয়, তাৰ ব্যৱস্থা লব লাগে। এনে হলে গড়কাপ্তানি বিভাগৰ দ্বাৰা যিখিনি কাম হব তাৰ পৰা গাঁৱলীয়া মানুহৰ জীৱনত বহুতো উপকাৰ হব বুলি মই আশা ৰাখি ৰহিছো।

শ্ৰীফণি মেধি ঃ—উপাধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰিছো। বিগত ৩০ বছৰত কংগ্ৰেছ চৰকাৰে কি কাম কৰিলে সেয়া আমি দেখা পাইছো। এতিয়া মই অৱশ্যে জনতা চৰকাৰক সমালোচনা কৰিব খোজা নাই। মই মাত্ৰ এই কথা কব খুজিছো যে গড়কাপ্তানী বিভাগৰ শিতানত যিখিনি টকা খৰচ কৰিবৰ কাৰণে ধৰা হৈছে সেই খিনিৰ কাৰণে মই জনতা চৰকাৰক এটা পৰামৰ্শ দিব খোজো। মন্ত্ৰীয়ে কাম নকৰে, বিষয়া সকলেহে কৰে। এই বিষয়াসকলে যদি পুৰণি অভ্যাসকে ৰাখে তেন্তে একো কাম নহব। এই শিতানত যিখিনি টকা খৰচ কৰাৰ কাৰণে ধৰা হৈছে সেই খিনি খৰচ কৰাৰ কাৰণে ধৰা হৈছে সেই খৰচ কৰাৰ আগতে এই বিভাগত কিমান বিষয়া আছে তাৰ এটা এষ্টিমেট কৰিব লাগে। লগতে এই বিভাগৰ মন্ত্ৰীক মই আন এটা অনুৰোধ কৰো যে যোৱা তৃতীয় আৰু চতুৰ্থ পৰিকল্পনাত যিবিলাক ৰাস্তাৰ নিৰ্মাণ কাৰ্য্য চলিছিল সেইবিলাকৰ চাৰি ভাগৰ তিনি ভাগ মানহে কৰা হল। কিছুমান ৰাস্তাত পাথৰ পৰিল কিন্তু মহিৰ নাই, যোৱা ১০ বছৰে সেই ৰাস্তাৰ কাম নহল, অথচ সেইবোৰকে পি, ডব্লিউ, ডিৰ ৰাস্তা বুলি কোৱা হয়। এইবোৰ পুণৰ নিৰ্মাণ কৰাৰ কাৰণে মাননীয় সদস্য সকলে কৈ গৈছে আৰু ময়ো কব খুজিছো। আনহাতে বাম্মাৰ বোলৰ যি সকল কৰ্মীৰ চকৰি কাল ৩।৪ বছৰ হৈ গৈছে মানবীয়তাৰ ফালৰ পৰা হলেও সেই সকলক স্থায়ী কৰ্মী হিচাবে ধৰিব লাগে।

মই আশা ৰাখিছো গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে দৃঢ় বিশ্বাস আৰু পদক্ষেপেৰে নতুন দৃষ্টি ভংগী লৈ কামবোৰ সম্পূৰ্ণ কৰিব।

Mr. DEPUTY SPEAKER : The Hon'bl Minister will give his reply after lunch. The House stands adjourned till 2—30 P. M.

(After Lunch)

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ—মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ মঞ্জুৰীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ আগবঢ়াই এই বিভাগৰ ওপৰত ইয়াৰ কাৰ্য্যসূচীৰ ওপৰত নীতি নিয়মৰ ওপৰত যথেষ্ট সমালোচনা কৰিছে আৰু লগে লগে অতি আৱশ্যকীয় ভালেমান পৰামৰ্শ আগবঢ়াইছে, সেই বাবে জয়জয়তে মই চৰকাৰৰ তৰফৰ পৰা মাননীয় সদস্য সকলক ধন্যবাদ জ্ঞাপন জনাইছো। মাননীয় সদস্য সকলক আলোচনা সমালোচনাত এটা কথা ভালকৈ ফুটি উঠিছে যে আমাৰ দল শাসনত অহাৰ পিছত এনেধৰণৰ বেমেজালি হোৱা নাই। এই সম্পৰ্কে গত ৩১ বছৰৰ ভিতৰত যিবিলাক কাম এই বিভাগৰ যোগেদি হৈছে বা কথা বতৰা হৈছে সেইবিলাকৰ কাৰণে সমস্ত দোষ আমাৰ আগত নাই বুলি মাননীয় সদস্য সকলে মতামত প্ৰকাশ কৰিছে। আৰু তাৰ লগে লগে এই সকলোবিলাক বিবেচনা কৰি ইতিপূৰ্বে কৰা কামবিলাক আৰু এতিয়ালৈকে চলি থকা এই বিভাগটো নতুনকৈ সংস্কাৰক কৰি উপযোগী কৰিবলৈকো পৰামৰ্শ আগবঢ়াইছে। চৰকাৰৰ পক্ষৰ পৰা মই মাননীয় সদস্য সকলক ইয়াকেই জনাও যে অসমখন এখন পিছপৰা দেশ। ইয়াৰ প্ৰধান কাৰণ হল অসমৰ যোগাযোগৰ ব্যৱস্থা অতি দুখ লগা আজি ইমান বছৰ হল অৰ্থাৎ স্বাধীনতাৰ প্ৰায় ৩১ বছৰ পিচতো অসম দেশে ব্ৰডগজ লাইনৰ মুখ এতিয়ালৈকে দেখা নাই। অন্যান্য ৰাজ্যবিলাকত যথেষ্ঠ

*Speech not corrected.

ৰাস্তা-ঘাট ঘৰ-দুৱাৰ নতুনকৈ নিৰ্ম্মান হল কিন্তু আমাৰ দেশত একোয়েই নাই। আজি আমাৰ দেশৰ উদ্যোগীকৰণৰ ক্ষেত্ৰত মাননীয় সদস্য সকলে বহুতোপৰামৰ্শ আগবঢ়াইছে। কিন্তু মূলতে অসমত যাতায়তৰ এটা সুব্যৱস্থাই আজিলৈকে নহল আৰু সেইটো নহলে আমাৰ ৰাজ্যৰ উন্নতি হব নোৱাৰে। আজিলৈকে এই ৫ টা পৰিকল্পনা অতিবাহিত হল কিন্তু আজিলৈকে আমাৰ ইয়াত ৰাস্তা-ঘাট এটাও নোহোৱাৰ কাৰণে অসম আজি পিছপৰা। ইয়াৰ কাৰণ হল আগৰ আমাৰ নেতৃবৃন্দই অসমৰ এই অভাব-অভিযোগ বোৰ পূৰণ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক সৈমান কৰিব পৰা নাছিল। গতিকে অসমত যাতায়ত আৰু অৰ্থনৈতিক মানদণ্ড উন্নত হোৱাত বাধা হৈ আছিল। এই সকলো বিলাক মানদণ্ড অন্যান্য ৰাজ্যত সকলো দিনে উন্নত হৈ আহিছে। অসম কিন্তু অতীজৰ অৱস্থাতে পৰি আছে। আমাৰ বুকুতে ব্ৰহ্মপুত্ৰ বৈ গৈছে, ৫০০ মাইললৈকে অসমৰ বুকুতেই ব্ৰহ্মপুত্ৰ আছে কিন্তু ইয়াৰ ওপৰত আজিলৈকে মাত্ৰ এখন দলং হৈছে। আনফালে অকল গংগাৰ ওপৰতেই ১৪ খনকৈ দলং হল। ইয়াৰ প্ৰধান কাৰণ হল অসম চৰকাৰৰ নেতৃবৃন্দই কেন্দ্ৰীয় চৰকাৰক সৈমান কৰি সেই ব্যৱস্থা গ্ৰহণ কৰাত সক্ষম নহল বুলিয়েই কব লাগিব। এই খিনিতে মই আনন্দৰে মাননীয় সদস্য সকলক জনাও যে বৰ্ত্তমানৰ কেন্দ্ৰীয় বিত্তিয় সপ্তম বিত্তিয় আয়োগে আমাৰ ওজৰ-আপত্তি বিলাক সদ হিদয়তাৰে উপলব্ধি কৰিছে আৰু এই অঞ্চলত যে যাতায়তৰ সুবিধা নাই, যেনে আমাৰ পৰিবহন ব্যৱস্থা ৰেইল ব্যৱস্থা, উৰা জাহাজৰ যোগাযোগৰ ব্যৱস্থা এতিয়ালৈকে একো হোৱা নাই আৰু তেওঁলোকে নিজেও মত প্ৰকাশ কৰিছে যে এই সকলো বিলাক ব্যৱস্থা প্ৰসাৰণ আৰু উন্নত কৰাৰ কাম হাতত লোৱাৰ কাৰণে আৰু এই ৰাজ্যৰ সকলো প্ৰকাৰে উন্নত কৰিবলৈ প্ৰচেষ্টা লবলৈ মান্তি হৈছে। অকল সেয়েই নহয়, এই সম্পৰ্কে কেন্দ্ৰীয় নেতৃবৃন্দ তথা সম্পস বিত্তিয় আয়োগৰ মাননীয় সদস্য সকলে এক বাক্যে অসমৰ এই দুৰৱস্থাৰ কথা স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। আৰু এই কথাও স্বীকাৰ কৰিছে যে আজিলৈকে কৰৰ জৰীয়তে অসমে বহুতো দিলে কিন্তু অসম এতিয়ালৈকে বঞ্চিত হৈ আছে। এই কথা তেখেত সকলে নিজেই স্বীকাৰ কৰি তাৰ যথাযথ ব্যৱস্থা কৰাৰ কাৰণো মান্তি হৈছে। অসমৰ যাতায়তৰ ব্যৱস্থা আৰ্থিক মানদণ্ড উন্নত কৰিবলৈ ৰাজ্যিক চৰকাৰে যি খিনি দাবী আগবঢ়াইছে তাক পূৰণ কৰিবলৈ তেখেত সকলে মান্তি হৈছে। মই মাননীয় সদস্য সকলক এই খিনিকে জনাও যে তেখেত সকলে এই বিভাগৰ যিবিলাক কেৰোণৰ কথা উল্লেখ কৰিছে ইয়াৰ কাৰণ হল এই বিভাগটো অতি পুৰণি বিভাগ। বৃটিছ শাসনৰ দিনৰে পৰা একেভাগেই চলি আহিছে আৰু এই বিভাগে বহুত কামো কৰি আহিছে। অৱশ্যে আজি কিছুমান কেৰোণ সোমাইছে আৰু প্ৰশাসন যন্ত্ৰটো আজিলৈকে সংস্কাৰ কৰিব পৰা হোৱা নাই। গতিকে আগৰে পৰা যি ধৰণে কাম-কাজ কৰি আহিছে আজিও সেইধৰণে কৰি আহিছে। এই প্ৰশাসন যন্ত্ৰটো বৃটিছ সকলৰ এটা নমুনা আৰু সেই ৰকমেই কাম চলি আছে। গতিকে এই বিভাগে জনগনৰ কল্যাণৰ কাৰণে যি ধৰণে কাম কৰিব লাগিছিল সেই ধৰণেৰে কাম কৰিব পৰা নাই।

মই এইখিনিতে মাননীয় সদস্য সকলক জনাব খুজিছো যে কিছুমান মানীন সদস্যৰ ভাষণত এই কথা প্ৰকাশিত হৈছে যে আমাৰ বিষয়া সকল দুৰ্নীতি পৰায়ণ। তেওঁলোকে দুৰ্নীতিত লিপ্ত হৈ থকাৰ কাৰণে আমাৰ প্ৰশাসনৰ যন্ত্ৰটো সোপাচিলা হৈছে আৰু বাইজৰ কাম কৰাতকৈ নিজৰ সম্পত্তি বৃদ্ধি কৰাতহে বেছি মনোযোগ দিছে। অৱশ্যে তেওঁলোক যে সকলোৱে ভাল এই কথা মইও কোৱা নাই। কিন্তু যোৱা ২।৩ মাহৰ অভিজ্ঞতাৰ পৰা দেখিছো যে ইয়াৰ বাবে অকল বিষয়া সকলেই জগৰীয়া নহয়। আমাৰ সমাজখন আৰু প্ৰশাসনৰ গুৰিয়াল সকলেও সমানে জগৰীয়া। এনেকুৱা এটা অৱস্থা আহি পৰে যে বিষয়া সকলক দুৰ্নীতি পৰায়ণ হবলৈ বাধ্য কৰা হয়। এটা সাধাৰণ উদাহৰণ দি কওঁ যে মন্ত্ৰী কোনো ঠাইলৈ গলে স্থানীয় এম, এল, এ, কে ধৰি গন্যমান্যলোক সকল গোট খায়। আৰু দুপৰীয়া হলে ভাত পানীও মন্ত্ৰীৰ লগতে খায়। এইটো মোৰ অভিজ্ঞতাৰ পৰা কৈছো। খোৱা-বোৱা কৰি যেতিয়া পইচা দিবলৈ বিচাৰিছো তেতিয়া সকলো অবাক আৰু কৈছো যে এইটো আমিয়েই জোগাৰ কৰিছো পইচা দিব নালাগে। মই কলো পইচা লবই লাগিব। আৰু মই দিম। তেতিয়া কলে যে আগৰ সকলে পইচা দিয়াতো দূৰৰ কথা কিবা এটা বস্তুৰ নাটনি হলেই গালি পাৰে। এইটো দুনীতিৰ আশ্ৰয় লব লাগিব। গতিকে আমিয়ে তেদায় নিজৰ জেপৰ পৰা খৰচ কৰিব নেকি? নিশ্চয় সহজতে অনুমান কৰিব পাৰি সেই বিষয়া সকলে সওঁলোকক দুনীতি পৰায়ণ হবলৈ বাধ্য কৰা নাই জানো? সেই দৰে মন্ত্ৰীৰ ঘৰত এখন বিয়া পাতি আটাইবিলাক কাম যদি বিষয়া সকলক কৰিবলৈ দিয়া

যায় সেই কাম কৰোতে বিষয়া সকল দুৰ্নীতি পৰায়ণ হবই। এনে ধৰণে বিষয়া সকলক বহুত ক্ষেত্ৰত দুৰ্নীতিত লিপ্ত হবলৈ বাধ্য কৰাইছে। আৰু ফলত প্ৰশাসন যন্ত্ৰৰ কথা চিন্তা নকৰি তেওঁলোক নিজৰ কথা চিন্তা কৰে। আপোনালোকে শুনি সুখ পাব যে বহুতো বিষয়াই দেশৰ কথা চিন্তা কৰে আৰু দেশৰ কাৰণে কাম কৰে। আমি শাসনৰ দায়িত্ব লোৱাৰ মাত্ৰ কেইমাহ মান হৈছে। কাকো হুকুমো দিয়া নাই আৰু নিৰ্দ্দেশো দিয়া নাই। কিন্তু কামবোৰ আপোনা আপুনি যি ধৰণে হৈছে এই ধৰণে কাম হলে দেশৰ চেহেৰা বেলেগ হলহেতেন। অলপতে মই নগাঁওৰ পৰা যোৰহাটলৈ গৈছিলো। আগতে প্ৰায় চাৰে তিনি ঘণ্টা লাগিছিল কিন্তু সিদিনা মই দুই ঘণ্টা ৫৫ মিনিট মানত পালোগৈ। ইয়াৰ কাৰণ ৰাস্তা পদুলিৰ অৱস্থা জাগতকৈ ভাল হৈছে যিহেতুকে কৰ্ম্মচাৰী সকলে ভালকৈ কাম কৰিবলৈ লৈছে। ঠিক সেইদৰে জৱহৰ নগৰতো দুটা ডাঙৰ ডাঙৰ বিল্ডিং প্ৰায় দুই কোটি টকা খৰচ কৰিলে। তাৰোপৰি ৰাস্তা-পদুলিও বহুত কৰিলে। এই কাম খিনি খুব কম সময়ৰ ভিতৰতে কৰিলে। কাৰণ তেওঁলোকক কৰাবলৈ বাধ্য কৰিছিলে আৰু তেওঁলোকেও দক্ষতাৰে কাম কৰি দেখুৱাইছে।

শ্ৰীপ্ৰেমধৰ বৰা:—অধ্যক্ষ মহোদয়, মই এইটো জানিব খোজো মন্ত্ৰী মহোদয়ে বিৰোধী পক্ষত বহোতে এই গেষ্ট হাউচৰ কথালৈ তেতিয়াৰ চৰকাৰক সমালোচনা কৰিছিলে এতিয়া সেইটো তেখেতে ৰিভাইট কৰিলে নেকি?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী):—মইগ্ৰেণ্ট হাউচ নিৰ্মানৰ ক্ষেত্ৰত কৈছো যে বিষয়া সকলৰ কাম কৰাৰ দক্ষতা আছে। গ্ৰেণ্ট হাউচ আৰু এ, আই, চি, চি, ৰ ক্ষেত্ৰত ৰাজহুৱা ধনৰ অপচয়ৰ কথা চৰকাৰে মানি লোৱা নাই। আৰু এই বিষয়ে যি ব্যৱস্থা লোৱা হৈছে সেইটো সম্পূৰ্ণ হলে পিচত সদনক জনাম। যিসকলে নিজৰ দেশৰ স্বাৰ্থ বাদ দি আৰু সাধাৰণ মানুহৰ মুখৰ অন্ন কাঢ়ি অনা টকাৰ অপচয় আৰু অপপ্ৰয়োগ কৰিছে সেই সকলক ক্ষমা কৰাত নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী:—অধক্ষ্য মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। যিবিলাকে অপকৰ্ম কৰিছে সেইবিলাকক শাস্তি দিয়া হব বুলি কৈছে। লগতে তেখেতে কৈছে যে কৰ্মচাৰী সকল ঠিকেই আছে প্ৰভুসকলৰ কাৰণেই কিছুমান কৰ্ম্মচাৰীয়ে বেয়া কাম কৰিছে। কিছুমান কৰ্মচাৰীয়ে নিজৰ স্বাৰ্থৰ কাৰণেও অন্যায় কৰিছে তেওঁলোকৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লব নে নলয়?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী):—এটা কথাত বোধহয় সকলো মাননীয় সদস্যৰে একমত। সমাজত বহুত ধৰণৰ মানুহ আছে। কিন্তু সকলো মানুহেই দোষমুক্ত নহয়, মানুহ মাত্ৰই দোষ-গুণ আছে। আমাৰ অফিচাৰ সকলেও সমাজৰে মানুহ। গতিকে তেওঁলোকৰ মাজতো বেয়া মানুহ থকাটো স্বাভাৱিক। কিন্তু মই স্পষ্ট ভাবে কব বিচাৰিছো যে যিসকল বিষয়াই চৰকাৰী কৰ্তব্য অৱহেলা কৰি নিজৰ কাম কৰি থাকে আৰু দুৰ্নীতিত লিপ্ত হয় তেনে বিষয়াক কেতিয়াও ক্ষমা কৰা নহব। গতিকে অধ্যক্ষ মহোদয়, ইয়াৰ আগতে কেইটামান বিশেষ কথা মই মাননীয় সদস্যসকলৰ জ্ঞাতাৰ্থে দাঙি ধৰিব বিচাৰিছো। সেইটো হল ১৯৭৭-৭৮ চনৰ বহুতো টকা ঘূৰাই দিয়া হৈছে। এই কথাটো কিয় হৈছে আৰু কেনে ধৰণে হৈছে এই বিষয়ে সদনক জানিব দিলে ভাল হব। গতিকে ১৯৭৭-৭৮ চনত এই শিতানত ৭০০ লাখ টকা দিয়া হৈছিল। তাৰ ভিতৰত এম, এন, পি, আৰু গাঁওপঞ্চায়তৰ ডিজেল ৰোডচ্ ডেভেলপমেণ্টৰ কাৰণে ৩১৯ লাখ টকা, ইমপ্ৰুভমেণ্ট অব লো ষ্টেণ্ডাৰ্ড ৰোডৰ কাৰণে ৭০ লাখ টকা, মেটেল এণ্ড ব্লেকটপিঙৰ কাৰণে ৬২ লাখ, নিউ ৰোডৰ কাৰণে ৭০ ৭০ লাখ টকা, ইণ্ডাষ্ট্ৰিয়েল ৰোডৰ কাৰণে ৩০০ লাখ, মিউনিচিপেল ৰোডৰ কাৰণে ১৮ লাখ টকা, জি-এচ ৰোডৰ কাৰণে ৫৫ লাখ আৰু মেজৰ ব্ৰীজৰ কাৰণে ১০৫ লাখ টকা। তাৰ ভিতৰত দেখা গল প্ৰায় ৬২০ লাখ টকা আমাৰ খৰচ কৰিবলগীয়া আছিল কিণ্ড দেখা গৈছে তাৰে দুশ লাখ টকা ঘূৰাই দিয়া হৈছে। এই ঘূৰাই দিয়াৰ কাৰণে বিশ্লেষণ কৰি দেখা গল যে সময় মতে চেংচন দিয়া হোৱা নাছিল কাৰণেএই অৱস্থা হল। মাজে মাজে আমাৰ অৰগেনাইজেশ্যনটোও যেনেকুৱা হব লাগিছিলে সেইটোৰ অভাৱ আছিল। মাননীয় বৰা ডাঙৰীয়াই কৈছে যে আমাৰ বিষয়া বেছি হৈছে। কিণ্ড আপোনালোকে শুনি আচৰিত হব যে আমাৰ বিষয়া বহুত কম হৈছে।

*Speech not corrected.

কিন্তু এতিয়া আপোনালোকে শুনি আচৰিত হব যে আমাক আৰু বিষয়া লাগে। কাৰণ হল আমাৰ গড়কাপ্তানি বিভাগটো আগতে এটা বিভাগ আছিল। কিন্তু এতিয়া সেইটো ভাঙি তিনিটা কৰা লৈছে। ফ্লাদ কন্ট্ৰল আৰু ইৰিগেচন আগতে একেটাই বিভাগ আছিল, তেতিয়া জইন্ট কেদাৰ আছিল। আগৰ চৰকাৰৰ দিনতেই তিনিটা বিভাগ কৰা হল। তাৰ ফলত কিছুমান চিনিয়ৰ বিষয়া থকা স্বত্বেও জিনিয়ৰ বিষয়া কিছুমান চুপাৰিনটেণ্ডিং ইঞ্জিনিয়াৰ একজিকিউটিভ ইঞ্জিনিয়াৰ হল। আনহাতে আমাৰ বিভাগত বাৰ চৈধ্য বছৰ ধৰি মানুহ এচিচটেণ্ট ইঞ্জিনিয়াৰ, এচ ডি অ হৈয়ে আছে। প্ৰমোচন নোহোৱাৰ কাৰণেহে আমাৰ বিভাগলৈ বিষয়া নহা হল। সেই কাৰণেই আমাক যিমান খিনি ইঞ্জিনিয়াৰ লাগে সিমান-খিনি ইঞ্জিনিয়াৰ আমাৰ নাই। তাৰ পিচত আৰু এটা কথা শুনি আপোনালোক আচৰিত হব ইমান এটা পুৰণা বিভাগ থকা স্বত্বেও আমাৰ শ্ৰী গোস্বামী দেৱে হয়তো উচাপ খোৱা নাছিলো। কাম বিলাক খৰ-ভকীয়াকৈ কৰা হোৱা নাই। আমাৰ যিমান খিনি মেচিনাৰীৰ দৰকাৰ সিমানখিনি মেচিনাৰী আমাৰ নাই। মেচিনাৰীৰ অভাব। আমাৰ ৰোড ৰোলাৰ আদি মেচিনৰ সংখ্যা কম। মই এই সম্পৰ্কত সোধাত কলে যে চাই নিজ প্ৰগ্ৰেমৰ সময়ত বহুত বিলাক মেচিন তামিলনাদুৰ পৰা আনিছিল। সেই বিলাক পুনৰ ঘুৰাই দিয়া হব। তাৰোপৰি আমাক যিমান খিনি মেচিনাৰীৰ দৰকাৰ সিমানখিনি আমি যোগাৰ কৰিব নোৱাৰো তেনেহলে আমাৰ কামত ব্যাঘাট জন্মিব। সেই কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা-যোগ কৰি মেচিনাৰী আনি সেই বিলাক ঠায়ে ঠায়ে প্লেচ কৰি কামত লগাবলৈ চেষ্টা কৰি আছো। তাৰ পিচত ১৯৭৮-৭৯ চনৰ টকাৰ পৰিমান হৈছে সাধাৰণ অঞ্চলত ধৰা হৈছে ৮২০ লাখ আৰু হিল এৰিয়াত ধৰা হৈছে ৩২৫ লাখ। এই খিনি টকাৰ ভিতৰত যি খিনি টকা দিবলগীয়া আছে সেই খিনিৰ বাদে এই বছৰ খৰচ কৰিবলৈ ৪৬২ লাখ টকা আছে। এইখিনি টকা খৰচ কৰাৰ ক্ষেত্ৰত মই আগতেই কৈছো যে আমাৰ মেচিনাৰী আৰু অন্যান্য বহুত বিলাক অসুবিধা আছে আমি এই সম্পৰ্কত বিহিত ব্যৱস্হা কৰিবলৈ থিক কৰিছো। আমি পৰা পক্ষত মাননীয় সদস্য সকলে মত পোষণ কৰাৰ দৰে টকা চাৰেণ্ডাৰ যাতে নহয় তাৰ ব্যৱস্হা কৰিম। যিবিলাক ইনদ্ৰাচট্ৰিয়েল ৰোডে চেকটৰ আছে সেই বিলাক ৰাস্তা লোৱাৰ ব্যৱস্হা কৰা হৈছে। ইতিমধ্যে এই বিলাক কাম আৰম্ভ কৰা হৈছে। তাৰ পিচত আমি আৰু এটা টকা পাঁও। সেইটো হৈছে চি আৰ এফৰ টকা। এই টকা সাধাৰণতে মেইন ৰাস্তা আৰু বৰদাৰলৈ যোৱা ৰাস্তাৰ কাৰণে দিয়া হয়। এই হেডত আমি বিশেষ ধৰণৰ টকা বিছাৰিছিলো। এই বিলাক এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। কিমান টকা পাঁও আমি কব নোৱাৰো। যোৱাবাৰ আমি ৬২ লাখ টকা পাইছিলো। আমাক আগতে এই চেকটৰত যি অনুদান দিছিল সেই অনুদান সামান্য থকাৰ কাৰণে এই বাৰ আমি অনুদান বেচিকৈ বিচাৰিছো। তাৰ লগে লগে মাননীয় সদস্য সকলে উল্লেখ কৰা মতে আমি বৰদাৰ ৰোদ অৰগেনাইজেচনত কিমান টকা পাঁও। নৰ্থ টাংক ৰোড আৰু লিটাৰেল ৰাস্তাৰ কাৰণেও আমি টকা পাঁও। বৰদাৰ ৰাস্তাৰ ক্ষেত্ৰত টকা দিয়াত যি বিলাক বাধা আছে সেই বিলাক বাধা গুচাই টকা আনি কাম কৰিবলৈ ব্যৱস্হা কৰিছো। ইয়াৰ উপৰিও আমাৰ ভালেমান আঁচনি নৰ্থ ইষ্ট কাউনচিলে হাতত লৈছে। ইয়াৰ ভিতৰত আমাৰ প্ৰায় বিলাক ইমপৰটেন্ট ৰাস্তাই আছে। যি বিলাক ৰাস্তা অন্য ৰাজ্যৰ লগত সংযোগ আছে সেই বিলাক ৰাস্তা নৰ্থ ইষ্ট কাউনচিলে লৈছে। তেওঁলোকে আমাক ফাণ্ড দি দিয়ে আৰু আমিয়েই সেই বিলাক কাম কৰো।

শিলঘাটৰ দলঙৰ সম্পৰ্কত আমাৰ মাননীয় সদস্য সকলে আলোচনা বিলোচনা কৰি গৈছে। এই সম্পৰ্কত মই মাননীয় সদস্য সকলক জনাবলৈ পাই সুখী হৈছো। শিলঘাটত দলং হোৱাৰ কথাটো সিদ্ধান্ত হৈছে। আৰু কোন ঠাইত হব এই সম্পৰ্কতো বিশেষজ্ঞ কমিটি আহি পৰীক্ষা কৰি গৈছে। বিশেষজ্ঞ কমিটিৰ লগত ময়ো আলোচনা কৰিছো। তেখেত সকলে কৈ গৈছে যে অহা আগষ্ট মাহৰ ভিতৰতে দলঙৰ স্হান নিৰ্ণয় কৰি দিয়াৰ কথা। মই আশা কৰিছো যে আপোনাসকলৰ সহযোগত জন-মতৰ সাপেক্ষে কেন্দ্ৰীয় চৰকাৰে খৰটকীয়াকৈ শিলঘাটত দলঙৰ ব্যৱস্হা কৰিব। ইয়াৰ উপৰিও আৰু এটা বিশেষ ধৰণৰ কথা আছে সেইটো হল নেচনেল হাইওৱেৰ সম্পৰ্কত বহুত আলোচনা বিলোচনা হৈছে। ময়ো আগতে এই বিষয়ে আলোচনা কৰিছিলো। নেচনেল হাইওৱেৰ সম্পৰ্কত সদায় আমি এটা দোষ দেখিবলৈ পাঁও সেইটো হৈছে এই বিলাক চোৱা চিতা কৰাত এটা দুৰ্বল অৱস্হা। আমিও বিৰোধি দলত থাকোতে এই সম্পৰ্কত বহুত বিলাক পৰামৰ্শ আগবঢ়াইছিলো। কিন্তু সেই বিলাক কৰ্ণপাত কিয় নকৰিলে কব নোৱাৰো। আজিলৈকে অন্য ব্যৱস্হা একো নহল। এই সম্পৰ্কত আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আমাৰ যোৰহাটত যি ৰিচাৰ্চ লেবৰটৰি আছে তাৰ লগত যোগাযোগ কৰিছো।

কাৰণ অসমৰ হোৱা পানী, অসমৰ বালি মাটি অন্য ৰাজ্যৰ লগত নিমিলে।গতিকে কেন্দ্ৰীয় চৰকাৰে যিটো নম্ম্ত টকা দিয়ে সেই নৰমত অসমত টকা দিলে নহব। আমি বিৰ্চাচ লেববটবীৰ লগত আলোচনা কাব স্পোচাক্ক নৰ্মতিক কৰিছো। আৰু সেই মতেই টকা দিবলৈ কৈছো। আমাক এই সম্পৰ্কত বহুত টকা লাগিব। সেই কাৰণে আমি সকলো বিলাক একেলগে কৰিব নোৱাৰিলেও এটা এটা অংশ স্থায়ী ভাবে কৰাৰ সিদ্ধান্ত কৰিছো। আৰু সেই মতেই কাম আৰম্ভ কৰিছো।

আমি একেবাৰে গোটেইখিনি সম্পূৰ্ণ কৰিব নোৱাৰিলেও আমি যি টকা পাঁও সেই টকাৰে এটা অংশৰে সম্পূৰ্ণ ভাবে স্থায়ী ভাবে কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছো। স্থায়ী ভাবে সিদ্ধান্ত কৰাৰ সিদ্ধান্ত কৰি কাম আৰম্ভ কৰিছো। উদাহৰণ স্বৰূপে বৰপাহাৰ অঞ্চলত নতুন স্পেচিফিকেচন মতে ৰাস্তা কৰা হৈছে। আপোনালোকে যায় যদি দেখিব স্থায়ী ভাবে বিশেষ ধৰণে কৰা হৈছে, তাত বিপেয়াৰৰ দৰকাৰ নহব। সকলো বিলাকত যদি এই পেটাৰ্ণ লব পাৰা তেতিয়াহলে ৰাষ্ট্ৰীয় পথৰ ষ্টেন্ডাৰ্ড, মেইনটেন্সে ভাল হব। শ্ৰীবীৰেশ মিশ্ৰ ডাঙৰীয়া, শ্ৰীপ্ৰেমধৰ বৰা ডাঙৰীয়াই উওৰ অঞ্চলৰ নৰ্থট্ৰাংক ৰোড আৰু অন্যান্য ৰাস্তাৰ সম্পৰ্কত ৰাষ্ট্ৰীয় পথলৈ উন্নতকৰণ কৰিব লাগে বুলি কৈছে। জোৰাই ৰোড, আগৰতলা ৰোড, লামডিং ৰোড ৰাষ্ট্ৰীয় পথলৈ উন্নতকৰণ কৰাৰ বাবে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে। আমাৰ ষ্টেট ৰোড কমিউনিকেচন বৰ্ডত প্ৰস্তাৱ আকাৰে গ্ৰহণ কৰাৰ পিচত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে। গোটেই কেইটা নহলেও অন্তত দুটা মান ৰাস্তা ৰাষ্ট্ৰীয় পথলৈ উন্নত কৰাৰ আশা আমি দেখিবলৈ পাইছো। আমাৰ ভালে কেইজন সদস্যই বহুত ধৰণৰ পৰামৰ্শ আগবঢ়াইছে। শ্ৰীছন্দা ডাঙৰীয়াই মেইনটেনেন্স, আৰু বিপেয়াৰ কৰাৰ কথা কৈছে। এই ক্ষেত্ৰত মই একমত যে মেইনটেনেন্স আৰু বিপেয়াৰত আমাৰ অত্যন্ত দুখলগা অৱস্থা। লাখ লাখ টকা খৰচ কৰি যৰ কৰা হৈছে মেইনটেনেন্স নাই, ৰাস্তাৰে ক্ষেত্ৰতো একেই অৱস্থা হৈছে। এডোখৰ জাগাত ৰাস্তা কৰিবৰ কাৰণে মাটি পেলাইছে, এডোখৰত শিল পেলাইছে, কিন্তু বিভাগীয় কৰ্তৃপক্ষ নাথায়। এই ধৰণে কৰাৰ ফলত যি বিলাক কাম কৰিবলৈ লৈছিল, সেই কাম বিলাক অসম্পূৰ্ণ হৈ থাকিল। আনকি ৩য়, ৪ৰ্থ আৰু পঞ্চম পাচবছৰীয়া পৰিকল্পনাৰ কাম বহুতো অসম্পূৰ্ণ হৈ থাকিব। সেই বিলাক কৰা নকৰাই একে কথা হৈছে। ৰাস্তা খহি গৈছে মেইনটেনেন্স নাই। ব্যৱস্থা কৰা নহল। আমাৰ যি বিলাক বাস ভৱন বা অন্যান্য ৰাস্তা পদুলি আছে সেই বিলাক যি ধৰণে চোৱা চিতা কৰিব লাগিছিল, যত্ন লব লাগিছিল, সেই যত্ন লব পৰা নাই। ইয়াৰ আচল কাৰণ হল আমাৰ শ্ৰীগোস্বামী ডাঙৰীয়াই যি যি হিচাব দিছে সেইটো শুদ্ধ নহয়। ৰাষ্ট্ৰীয় পথক বাদ দি অসমত প্ৰায় ১৯ হাজাৰ কিলোমিটাৰ পথ আছে।

শ্ৰীঅতুল গোস্বামী ঃ—মই চাৰফেচ ৰোডৰ কথা কৈছিলো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ আমাৰ ইয়াত চাৰফেচ ৰোড নাই। এই বিলাকৰ ৰাস্তাৰ দলঙত কুমলীয়া কাঠ আনি কৰাৰ বাবে দলঙে মুখ মেলি থাকে। এবছৰৰ পিচত গাড়ী, ঘোৰা গাড়ী যোৱাটো দুৰৰ কথা মানুহেই যাব নোৱাৰে। অপৈণত কাঠ দি এই দলং বিলাক কৰাৰ ফলত ৰাস্তাৰ কি অৱস্থা হৈছে মাননীয় সদস্য সকলোৱে জানে। সেই বিলাক গড়কপ্তানি বিভাগে চেমিপাৰমেনেন্ট বুলি কব বিচাৰিছে। মই কৈছো নহয়, পিউৰলি অস্থায়ী হিচাবে লৈ যিমান দূৰ পাৰো স্থায়ী হিচাবে পকাৰ দলং কৰাৰ কথা চিন্তা কৰিছো। প্ৰকৃততে মেইনটেনেন্সৰ কাৰণে আমাক টকা লাগে প্ৰায় ১৪ কোটি। এই ১৪ কোটি টকাৰ ভিতৰত আমি ১৯৭৬-৭৭ চনত পাইছো ৮·৮৩ কোটি টকা আৰু ১৯৭৭-৭৮ চনত পাইছো ৮·১৬ কোটি টকা। বানপানীত আমাৰ ৰাস্তা বিলাক ভাঙি চিঙি যায়, কিন্তু তাৰ হেডত টকা পইচা দিয়া নহয়। বানপানীত বেয়া কৰা ৰাস্তা পদুলি মেৰামতি কৰোতেই প্ৰায় টকা শেষ হৈ যায়। গতিকে মেইনটেনেন্স কৰিবৰ কাৰণে সেই টকা খৰচ নহয়। আমি কেতিয়াবা ভাৰত চৰকাৰৰ সাহায্য পাও সেইটো অতি সামান্য। সেই ধনেৰে মেইনটেনেন্স কৰিব নোৱাৰো। এইবাৰ কেন্দ্ৰীয় চৰ-

*Speech not corrected.

কাৰৰ তথা ৭ম বিত্তীয় আয়োগে সাহায্য, সেইটো অতি সামান্য। সেই ধনেৰে মেইনটেনেন্স কৰিব নোৱাৰো। এইবাৰ কেন্দ্ৰীয় চৰকাৰ তথা ৭ম বিত্তীয় আয়োগক স্পষ্টকৈ জনাই দিয়া হৈছে এই পৰিসিতত কেন্দ্ৰীয় চৰকাৰ তথা বিত্তীয় আয়োগে সাহায্য আগবঢ়াব লাগে। আমি গোটেই বিলাক পৰিস্কাৰ কৰি দিয়াৰ পিচতে মই ভাবো তেওঁলোক এই ক্ষেত্ৰত পতিয়ন গৈছে। আমি আশা ৰাখিছো যে আমাৰ এই কথা বতৰা বলাক শুনি বিত্তীয় আয়োগ আৰু কেন্দ্ৰীয় চৰকাৰে আমালৈ বিশেষ ধৰণৰ এটা সহায় আগবঢ়াব। সেই সহায় যদি পাঁও তেন্তে ৰাস্তা পদুলিৰ মেইনটেনেন্স আদি ক্ষেত্ৰত বিশেষ ধৰণৰ টকা পইচা খৰচ কৰিব পাৰিম। মই ভালেমান সদস্যৰ লগত একমত যে নতুন ৰাস্তা উন্নত স্তৰলৈ আনিব লোৱাটো উচিত হব। সেই কাৰণে ষ্টেট প্লেনিং বোৰ্ড, ৰোড কমিউনিকেশ্যন বোৰ্ড বাহি লৈ সকলো বিলাক সমষ্টিৰ কাৰণে দুই লাখকৈ টকা ধৰি দিছো। বহুতো মাননীয় সদস্যই কৈছে যে এইটো নুবুজায় যে আমি সকলোকে সমান স্তৰলৈ আনি লম। মই আগতেই কৈছো যে যি বিলাক অঞ্চলত ৰাস্তাৰ অভাৱ, বহু দিন কষ্ট খাইছিল তাৰ কাৰণে তেওঁলোক মাত মাতিব নোৱাৰে, কথা কোৱা মানুহ নাই। বিশেষকৈ জনজাতি বাস কৰাঅঞ্চলল বিলাক, উত্তৰ লক্ষীমপুৰ যত মোৰ জনম ভূমি তাৰ কথা মাননীয় সদস্য শ্ৰীপ্ৰেমধৰ বৰাই কৈছে, মোৰ আবেগ আছে। তাৰ পিচত গোৱালপাৰাৰ ৰাইজৰ ডাঙৰ কথা হৈছে। সকলোতকৈ ডাঙৰ কথা হৈছে যে অসমৰ বুকুত অসমৰ লগত তেজ পানীৰ সম্বন্ধ থকা এখন জিলা সম্পূৰ্ণভাৱে বাদ দি ৰখা হৈছে। কাচাৰ জিলাৰ লগত যোগাযোগ সম্পূৰ্ণ বিচ্ছিন্ন কৰি ৰখা হৈছে। সামান্য ৰেল লিংক আছে। সেইটোও বৃটিছৰ আশীবাদত হৈছিল। ৩১ বছৰে কোনো ব্যৱস্হা কৰা নহল। মই ভাবো বিশেষ ব্যৱস্হা লোৱা হলে অসমৰ লগত উন্নত সংযোগ ব্যৱস্হা কৰিব পাৰিলেহেতেন। দৰকাৰ হলে কেন্দ্ৰীয় চৰকাৰৰ লগত যুজ বাগৰ কৰি হলেও কাচাৰ জিলা, পাৰ্বত্য অঞ্চল, নামনিৰ ভৈয়াম অঞ্চল বিলাকৰ যোগাযোগ কৰাৰ ব্যৱস্হা নিশ্চয় কৰিব লাগিব। এই সম্পৰ্কত চৰকাৰ দৃঢ় আৰু তৎপৰ ব্যৱস্হা গ্ৰহণ কৰিব। তাৰ বাবে সকলো মাননীয় সদস্যৰ সদায়, সহযোগ আৰু সহানুভূতি বিচাৰিছো। আমি যি কোনো কাম কৰিবলৈ হলে ৰাজনৈতিক দৃষ্টিভঙ্গী নিহীত থাকিব নালাগে। যত অৰ্থনীতিৰ প্ৰশ্ন জৰিত, যত মানুহৰ জীৱন মৰণ সমস্যা জৰিত, আছে তাত দলগত মনোভাৱ ত্যাগ কৰিব লাগিব। আমাৰ পাৰ্টিত মানুহ জীয়াই ৰখাৰ দৰ্শন আছে। এই ক্ষেত্ৰত দলগত মনোভাৱ ত্যাগ কৰি দেশৰ কল্যাণৰ কাৰণে, সমাজৰ কল্যাণৰ কাৰণে এক হৈ কাম কৰিব লাগিব। মই ভবা ধৰণে মাননীয় সদস্য সকলে ভাবিলে দেশৰ কল্যাণ হব। মই মাননীয় সদস্য সকলক আশ্বাস দিব বিচাৰিছো যে বৰ্ত্তমান আমাৰ নতুন চৰকাৰ যত মানুহ জীয়াই থকাৰ প্ৰশ্ন জৰিত আছে, যত অৰ্থনীতিৰ মানদণ্ড উন্নত কৰাৰ প্ৰশ্ন আছে যত খাবলৈ নোপোৱা শ্ৰেণীৰ বিনানি নিহীত আছে, এই ক্ষেত্ৰত ৰাজনৈতিক দৃষ্টিভঙ্গীত কোনো কথা চোৱা নহয়।

অধ্যক্ষ মহোদয়, ৰাজনৈতিক দৃষ্টি ভংগী লৈ যদি কোনোবাই মানুহ জীয়াই থকাৰ ক্ষেত্ৰত বা মানুহৰ উন্নয়নমুখী কৰাৰ ক্ষেত্ৰত যদি কাম কৰিবলৈ যায় তেনেহলে তেওঁলোকক ভগবানেও ক্ষমা নকৰে। গতিকে আজি আমি এই ধৰণে ব্যৱস্হা গ্ৰহণ কৰিবলৈ বিচাৰিছো আৰু যদি কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান আদি পাও, আপোনালোকৰ পৰা সহায় সহযোগ আদি পাও তেতিয়াহলে কম দিনৰ ভিতৰতে অসমক ফটফটীয়া কৰিব নোৱাৰিলেও অসমৰ মুখ যে উজ্জবল হব সেইটো মই কব পাৰো। সেইকাৰণেই আপোনালোকৰ সহায় আৰু সহযোগিতা বিচাৰিছো। আমাৰ মাননীয় সদস্য শ্ৰীহুদা ডাঙৰীয়াই মাষ্টাৰ বুলৰ সম্পৰ্কে কৈছে। সেই সম্পৰ্কত মই তেওঁলোকৰ লগত ওতঃ প্ৰোত ভাৱে জৰিত। তেওঁলোকৰ উন্নতিৰ ক্ষেত্ৰত যে ব্যৱস্হা গ্ৰহণ কৰিব লাগে সেই সম্পৰ্কত মইও একমত। তেখেতসকলৰ চাকৰি ৰেগুলাৰাইজ কৰা ক্ষেত্ৰত, মাষ্টাৰ বুলৰ লেবাৰৰ অৱস্হা উন্নত কৰাৰ ক্ষেত্ৰত প্ৰথমেই আমি আগ ভাগ লৈছিলো। আৰু সেইবিলাক আমি তেনে ধৰণে কৰাৰ কাৰণে আমি ব্যৱস্হা গ্ৰহণ কৰিছো। আমি আশা কৰিছো আপোনালোকৰ সহায় সহযোগিতা হলে আজি তেওঁলোকৰ যি দুৰৱস্হা হৈছে সেইটো অনতি পলমে শেষ হৈ যাব। আৰু অন্যান্য চাকৰিয়াল সকলে যি সুযোগ সুবিধা পাইছে সেইখিনি সুযোগ সুবিধাও অতি সোনকালে দিব পাৰিম বুলি আমি আশা কৰিছো।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য হুডা ডাঙৰীয়াই কনট্ৰেকট এলটমেন্টৰ কথা কৈছে। এই ক্ষেত্ৰত মোক কোনোবাই পেৰ্ৰকিয়েল বা থেক মনোবৃত্তিৰ বুলি কলেও বেয়া নাপাও। অসমত বসবাস কৰা

জাতি ধৰ্ম্ম নিৰ্বিশেষে সকলোৱে অসমতে খাবলৈ পাব লাগিব। অসমত থকা মানুহৰ খাবলৈ দিয়াৰ দায়িত্ব অসম চৰকৰাৰ। নহলে এই চৰকাৰ কেতিয়াও জনপ্ৰিয় চৰকাৰ হব নোৱাৰে। বহুতো উদ্যোগ লোৱা হল, আৰু কিবা কিবি বহুতো কৰা হল, ৰাষ্টাঘাট কৰা হল, বান্ধ তৈয়াৰ কৰা হল, কিন্তু দেশৰ অৰ্থনৈতিক মানদণ্ড উন্নত কিয় নহল তাক বিশ্লেষণ কৰি চোৱা হোৱা নাই। কাৰণ এটা শ্ৰেণীয়ে শাষণ কৰিছিল আৰু এটা বিশেষ শ্ৰেনীয়ে তাৰ লগত লাইন মিলাই মাৰ্চ কৰি গৈছিল গতিকেই কোনো কাম হোৱা নাছিল। আজি ইমানবিলাক উদ্যোগ হল অথচ সেই উদ্যোগ বিলাকৰ পৰা কোনো উন্নতি হোৱা দেখা নাই। আগতে আমাৰ অসম ৰাজ্যত ভিক্ষাৰী নাই। আমি জন্ম হোৱা অৱস্থাত ভিক্ষাৰী নাছিল। আজি আমাৰ ইয়াত ভিক্ষাৰীৰ সংখ্যা বাঢ়িছে। আজি বাহিৰৰ পৰা মানুহ অসমলৈ আহি অসমৰ মানুহক শোষণ কৰাৰ সুবিধা চৰকাৰে নিদিয়াহলেও অসমৰ বাইজে কিবা কিবি কৰি জীয়াই থাকিব পাৰিলেহেতেন। আজি আমাৰ ইয়াত কিমান মানুহ ব্যৱসায়ীৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই আছে সেইটো আমি উমান নাপাও। সেই কাৰণে মই কব বিচাৰিছো যে, অসমলৈ দিনে এভাৰেজ ডেৰ হাজাৰ কৰি মানুহ আহে। এই ডেৰ হাজাৰ মানুহৰ ভিতৰত অহা যোৱা কৰি থাকে ৫০০ আৰু নিগা-জীকৈ থাকি যায় ১ হাজাৰ আজি অসমতে যিবিলাক উদ্যোগ কৰা হৈছে সেইবিলাকো বেঁচি দুৰলৈ যাব পৰা নাই। আমাৰ গুৱাহাটী নগৰতে যি কেইটা পণ্ট অফিচ আছে আমাৰ আশে পাশে সেই কেইটাত দিনে চাৰে চাৰি লাখ টকা কৰি বাহিৰলৈ ওলাই যায়। তাৰোপৰি আজি মাত্ৰ একশ্ৰেণীৰ মানুহেই কাৰ-বাৰ কৰিব, সেই একে শ্ৰেনীৰ মানুহেই ভেজাল খাদ্যও খোৱাৰ, আৰু সেই বস্তু কিনিবৰ বাবে আমি বন্ধকত যাম।, এইটো কেনেকৈ ? আজি ঘৰ, ৰাষ্টা পদুলি আদি কৰিব সেই শ্ৰেণী মানুহে, মটৰ গাড়ীও কৰিব সেই শ্ৰেণীৰ মানুহে চাউলৰো বেপাৰকৰিব, কনট্ৰেকটো কৰিব সেই একে শ্ৰেণী মানুহে এইটো কেনেকৈ সম্ভৱ হব কব নোৱাৰো। কিন্তু বৰ্ত্তমান আমাৰ নতুন চৰকাৰে নতুন দৃষ্টি ইংগী লৈ এই কথা চাইছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—অধ্যক্ষ মহোদয়, আমাৰ নতুন চৰকাৰে আজিলৈকে দায়িত্ব গ্ৰহণ কৰাৰ পিচত সচিবালয়ত আৰু বিভিন্ন জিলাত গড়কাপ্তানী বিভাগৰ যিবিলাক অফিচ আছে তাত কিমান পিয়ন আৰু চকিদাৰ নিযুক্তি দিয়া হৈছে সেই কথা আমাক বিধান সভাৰ অহা অধিবেশণত জনাবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱাঃ—(মন্ত্ৰী) আমি জানো আমি নতুনকৈ কোনো ধৰণৰ ৰিক্ৰুইটমেন্ট কৰা নাই। আমি শাসনলৈ অহাৰ পিচত কাকো নিয়োগ কৰা হোৱা নাই।

গতিকে অধ্যক্ষ মহোদয়, ঠিকা থকলি দিয়াৰ ক্ষেত্ৰতো যিবিলাক আমাৰ স্হানীয় শিক্ষিত নিৰ-নুৱা যুৱক আছে সেইসকলক আজি অৰগেনাইজ কৰি তেওঁলোকৰ যোগেদি কাম কৰা চিন্তা কৰা হৈছে আৰু বিভাগলৈ চৰকাৰৰ ফালৰ পৰা নিৰ্দ্দেশ দিয়া হৈছে। যি সকল মানুহৰ কাৰীকৰি জ্ঞান আছে আৰু অন্যান্য জ্ঞানো থাকে তেনেধৰণৰ ডেকা সকলক সংগঠণ কৰি সৰুসৰুৱা কনটেক্টৰ পৰা ডাঙৰ ডাঙৰ কণ্টেক্টৰলৈ দিব লাগে। আমাৰ বিভাগ হৈছে, ইঞ্জিনিয়াৰ আছে কাৰীকৰি শিক্ষা লোৱা মানুহ আছে, আমাৰ সকলো ফালৰ পৰা সকলো আছে কিন্তু আমি তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি আনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। কাৰণ এই াপ ডাবলিডি মেনুৱেলে এলাউ নকৰে। সৰু দলঙৰ পৰা আৰম্ভ কৰি ডাঙৰ দলঙলৈকে কৰিব লাগিব। কাৰণ ডাঙৰ ডাঙৰ যি বিলাক ইঞ্জিনিয়াৰ আছে তেওঁলোকৰো এটা জব চেটিচফেচন আছে। গতিকে অন্যান্য কনট্ৰেক আদিও কৰে। তেওঁলোকে গাঁও অঞ্চলৰ মানুহৰ মবিলাইজ কৰে কনট্ৰলিং দা এক্সপেনদিচাৰ, আৰু চাবদিভিজনেল বৰ্ড আৰু ইকনমিক বেনিফিট আদিৰ কথা চিন্তা কৰে। মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন ডাঙৰীয়াই কৈছে যে আজি শ্ৰমিক বাহিনীৰ মাজৰ কেলেংকাৰী চলি আছে। ইয়াৰ উপৰিও শ্ৰীবিৰেশ মিশ্ৰ ডাঙৰীয়াই ভিজিলেতৰ চেলৰ অৱস্থা ভাল কৰিবলৈ কৈছে। মই মাননীয় সদস্য সকলক জনাব খোজো যে বৰ্ত্তমান আমাৰ যি বিলাক চাবদিভিজনেল কমিনিকেচন বৰ্ড আছে সেই সকলৰ কনট্ৰলিং এক্সপেনদি-চাৰৰ ক্ষমতা দিয়া হৈছে। আমাৰ চাবদিভিজনেল প্লেনিং বৰ্ডৰ ওপৰতো সকলো ৰকমৰ চকু কান দিব লাগিব। কাম বিলাক চোৱাৰ কাৰণে আপোনালোকৰ লগতে আমাৰ বিষয়া সকল থাকিব, পৰামৰ্শ দিব আৰু আপোনালোকেও বিষয়া সকলক পৰামৰ্শ দিব, দুয়োপক্ষৰ মাজত ভুল বুজা বুজি নোহো-ৱাকৈ যাতে কাম চলি যায় তাৰ কাৰণে মই অনুৰোধ কৰিলো।

*Speech not corrected.

শ্ৰীআলাউদ্দিন চৰকাৰ :—মাননীয় অধ্যক্ষ মহোদয়, এটা কথা জানিব বিচাৰিছো, অলপ আগতে কনট্ৰেকটৰ সকলৰ কথা কৈছিল। এই যে শিক্ষিত নিবনুৱা ডেকা সকলক কনট্ৰেকটৰী কৰিবলৈ লাইচেঞ্চ দিয়া হৈছে, তেওঁলোকক এনেকুৱা কামত লাইচেঞ্চ দিয়া হৈছে যে, সেই কামৰ পৰা কোনো লাভ নহয়। আৰু আনকনট্ৰেকটৰ সকলক যি সুবিধা দিয়া হৈছে তেওঁলোকক কোনো ধৰণৰ সহানুভূতি দেখুৱা হোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়ে কিবা ব্যৱস্হা গ্ৰহণ কৰিবনে? মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—এনেকুৱা বিলাক আগতে হৈছিল কিন্তু এতিয়া আৰু নহয়। কোনে কি সুবিধা দিয়া নাই আৰু কেনে ভাবে অসুবিধা হৈছে বিশেষ বিতংভাবে জনালে মই নিশ্চয় ব্যৱস্হা লম।

মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰীয়তে মাননীয় সদস্য সকলক জনাব বিচাৰিছো যে, মাননীয় সদস্য সকলে পৰামৰ্শ দিয়াৰ দৰে যদি কনট্ৰেকটৰী ক্ষেত্ৰত কমিটিৰ প্ৰয়োজন বুলি মই ভাবো আৰু সেই কমিটিত থকা সদস্য সকলে পৰামৰ্শ দি অনুমোদনৰ ব্যৱস্হা কৰিলে মই নিশ্চয় বিবেচনা কৰিম। মাননীয় সদস্য চামছুল হুদ্দা ডাঙৰীয়াই আৰু কেইটামান কথা উল্লেখ কৰিছে। শিলচৰৰ শিলচাৰী গেভেলৰোডৰ কথা তেখেতে ঠিক মতে কোৱা নাই। তেখেতে বিতংভাবে জনালে আমি অনুসন্ধান কৰি বিহীত ব্যৱস্হা গ্ৰহণ কৰিম আৰু ব্ৰেক লিচটেড ৰাজু প্ৰচাদ সিংঙৰ কথা কৈছিল। কিন্তু তেখেত ব্ৰেক লিচটেড হোৱা নাই। তেখেতৰ কনট্ৰেকটাৰীৰ ৰেজিচট্ৰেচনহে জব্দ কৰি থোৱা হৈছে। তেখেতে বৰ্ত্তমান কনট্ৰেক লব নোৱাৰে। এইটো আমাৰ নোটিচত আহিছে যেতিয়া আমি অনুসন্ধান কৰিছো আৰু প্ৰকৃততে বেআইনী ভাবে যদি কাম দিয়া হৈছে সেই বিষয়া সকলক বিশেষ ধৰণে শাস্তি দিয়াৰ ব্যৱস্হা কৰা হব।

অমাৰ মাননীয় সদস্য ৰনেণ বসুমতাৰী ডাঙৰীয়াই টাইম বাউণ্ড প্ৰগ্ৰেমৰ কথা কৈছে। তেখেতৰ লগত মই একমত আৰু আপোনাৰ জৰীয়তে মই জনাব বিচাৰিছো যে, সকলো বিষয়তে নিৰ্দ্দেশ দিয়া হব যেনে, এটা বস্তুৰ প্ৰজেক্ট অথবা ৰাস্তা, যিকোনো কামতেই এটা টাইম লিমিট থাকিব অৰ্থাৎ টাইম বাউণ্ড হব লাগিব। এটা ৰাস্তা কিমান দিনৰ ভিতৰত শেষ হব সেইটো বিবেচনা কৰি সেই বিষয়ে সম্পূৰ্ণ দায়ীত্ব এজনক দিয়া হব আৰু তেখেতে যদি কিবা অসুবিধা পায় আমাক জনাব লাগিব। তাকে নকৰি যদি ভালকৈ বুজাই বঢ়াই সন্মতি নোহোৱাকৈ কাম পেলাই থয়, সেই বিষয়া জনৰ ওপৰত বিশেষ ধৰণৰ প্ৰসাশন মূলক বৱস্হা গ্ৰহণ কৰা হব। তেখেতে আৰু কোকৰাঝাৰৰ ওভাৰব্ৰিজৰ কথা কৈছিল। এই বিষয়ে বিধান সভাতো এটা প্ৰশ্ন হৈছিল। এই দলঙৰ ক্ষেত্ৰত কিছুমান খেলি মেলি হৈ আছে সেইটো মই চিকাৰ কৰিছো। সেই কাৰণে প্ৰায় বিলাক বিভাগতে গৈ পাৰমিচন লব লাগিব। কাৰণ কোনোবা এটা ৰাস্তা কৰিব লাগিলে গাইড বাণ্ড নকৰিলে ৰাস্তা কৰিব নোৱাৰি। সেই কাৰণে ই, এণ্ড, ডি, গড়কাপ্তানী বিভাগ, অন্য হিচাবে কৰবাত ফৰেষ্টৰ আৰু আন ফালে ইৰিগেচন, ৰেলওৱে আৰু লণ্ড কমপেনচেচন দিব লগা হলে এই ক্ষেত্ৰত ৰেভিনিউ জৰীত হৈ থাকে। এই সকলোবিলাক বিভাগৰ লগত আমি সিদ্ধান্ত ল লাগিব। মাত্ৰ এটা নহব, সেইটো হৈছে ৰেলওৱে বিষয়া সকলে না না ধৰণে কয় বেয়াৰ বাকী দিম, বাইপাচ, ৰেলওৱে ক্ৰছিং পৰি আছে। ইত্যাদি ধৰণে। সেই কাৰণে তাৰ ফলত ৰাইজৰ দুৰ অৱস্হা হৈছে। ৰেলওৱে বিষয়া সকলৰ লগত আমি মাজে মাজে বহি তৎপৰতাৰে কাম কৰিবলৈ বিভাগক নিৰ্দ্দেশ দিয়া হৈছে।

আমাৰ মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই মাষ্টাৰবোল লেবাৰৰ কথা কৈছে। লগতে তেখেতে কোকৰাজাৰৰ ৰাস্তা-পদুলীৰো কথা কৈছে আৰু ৰিজনেল ইমবেলেঞ্চৰ কথাও কৈছে। ৰিজনেল ইমবেলেঞ্চ গুছুৱাৰ ব্যৱস্হা কৰা হব।

(ভইচ—৩০ বছৰ লাগিব নেকি?)

---

*Speech not corrected.

নালাগে। ২-৩ বছৰতে কৰা হব। যদি আপোনালোকৰ সহযোগ আৰু আশীবাদ থাকে। আৰু যদি ইচ্ছা থাকে। "হোৱেৰ ইজ উইল ডিয়াৰ ইজ এ ওৱে"। আগৰ চৰকাৰৰ ইচ্ছা নাছিল সেই কাৰণে হোৱা নাছিল। গতিকে সেইখিনি ব্যৱস্থা আমাৰ ফালৰ পৰা কোৱা হৈছে। পিচপৰা অঞ্চল কোকৰাঝাৰ গোৱালপাৰা আদিৰ অৱস্থাৰ কথা পাটগিৰি ডাঙৰীয়াই কৈছে আৰু এনে দুৰৱস্থাৰ উন্নতি সাধনৰ কথাও তেখেতে কৈছে। বিশেষকৈ এই যে নলবাৰী অঞ্চলটো এইমান বিলাক শিক্ষিত লোক থকা স্বত্বেও, নলবাৰী ৰাস্তাত খোজ দিব নোৱাৰি। নলবাৰীত যিবিলাক ৰাস্তা আছে তাত গৰুগাড়ী পৰ্য্যন্ত নাযায়। নলবাৰীখন ফ্লাদ এফেক্টেড এৰিয়া গতিকে এই সকলো বিলাক কথা বিবেচনা কৰি আমি বিহিত ব্যৱস্থা গ্ৰহণ কৰিম। আৰু বিশেষকৈ মিচিং লিংকৰ কথা কও, মাননীয় সদস্য সকলে যি পৰামৰ্শ আগবঢ়াইছে আৰু মইও কওঁ যে ফাণ্ড এলোকেচনৰ ক্ষেত্ৰত ৰাস্তা পদুলি বিলাক আপোনালোকে ধৰি দিব আৰু এই ক্ষেত্ৰত যাতে এম, এল, এ সকলে আৰু বোৰ্ডৰ মেম্বাৰ সকলে এই ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰাৰ কথা মনত ৰাখে যেন।

(২ লাখৰ পৰা নেকি?) (ভইচ)

দুই লাখৰ পৰা। মই আগতেই কৈছো নতুন ৰাস্তা কৰাতকৈ —— —— —— ——

শ্ৰীকুল বাহাদুৰ চেত্ৰী:— মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিছাৰিছো। আমাৰ মাঘে ৰিটাৰ মোৰ সমষ্টিত দুটা ৰাস্তা আছে সেই দুটা ৰাস্তাত অৰুণাচলে হুকুম চলাই আছে। এটা হৈছে তিৰাপৰ পৰা টিপঙলৈ তাঁৰে তিনি মাইল আমাৰ অসমৰ ৰাস্তা। আজি ৫—৬ বছৰে সেই ৰাস্তা বেয়া হৈছে কিন্তু সিহতে কোনো ব্যৱস্থা নলয় আৰু আমাকো কৰিব নিদিয়ে। আনটো হল কৈলাসপুৰৰ পৰা কাকজানলৈ। তাৰে ৬ কিলোমিটাৰ আমাৰ অসমৰ ভিতৰত পৰে। কিন্তু এই দুয়োটা ৰাস্তাতেই অৰুণাচলে হুকুম চলাই আছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে ইয়াৰ এটা বিহিত ব্যৱস্থা লব লাগে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা:—(মন্ত্ৰী) মাননীয় সদস্য গৰাকীয়ে লিখিত ভাবে জনালে আমি অৰুনাচল চৰকাৰৰ লগত যোগাযোগ কৰিম। আমাৰ গিয়াছুদ্দিন ডাঙৰীয়াই এটা বিশেষ ধৰণৰ কথা উল্লেখ কৰিছে, কোনো এক্জিকিউটিভ ইঞ্জিনিয়াৰৰ ঘৰত কোনোবা এজনে পেইন্ট ইত্যাদি কৰাত গণ্ডগোলৰ আৰু দুঃনীতি সৃষ্টি কৰিছে। তেখেতে যদি স্পেচিফিকেলি নামটো দিয়ে তেনেহলে নিশ্চয় ইয়াৰ বিহীত ব্যৱস্থা লোৱা হব। মাননীয় সদস্য বিৰেশ মিশ্ৰ ডাঙৰীয়াই যি পৰামৰ্শ আগবঢ়াইছে মানি লৈছো। তেখেতে ভাল কথা কৈছে, ঘোৰা এতিয়াও আনৰ হৈ আছে, ঘোৰাটো ট্ৰেইনিং দিব ধৰিছো, যাতে ঘোৰাৰ পৰা পৰি হাত ভৰি নাভাঙে। মাননীয় সদস্য ভুবনেশ্বৰ বৰ্মণ ডাঙৰীয়াই গাঁও অঞ্চলৰ ৰাস্তা পদুলিৰ যোগাযোগ ব্যৱস্থাৰ ওপৰত বেচি গুৰুগুৰুত্ব দিছে। এই ক্ষেত্ৰত মইও একমত। আমি গাঁৱলৈ চাব লাগে। কিন্তু চোৱা নহয়। গাঁওলৈ যাতে চোৱাহয় তাৰ ব্যৱস্থা মই কৰিবলৈ বিছাৰিছো। এই ক্ষেত্ৰত আপোনালোকৰ সহায় লাগিব।

মাননীয় সদস্য শ্ৰী বিৰেশ মিশ্ৰ ডাঙৰীয়াই আলোচনাৰ লগতে যি বিলাক পৰামৰ্শ আগবঢ়াইছে সেইবিলাক আমি মানি লৈছোঁ, তেখেতে এটা ডাঙৰকথা কৈছে যে ঘোৰা এতিয়াও আনৰ ঘোৰা হৈ আছে তাৰ পৰা যি কোনো মুহুৰ্ত্ততে একচিডেণ্ট হোৱাৰ সম্ভাৱনা আছে কিন্তু সেই একচিডেণ্ট যাতে নহয় তাৰ বাবে আমি চেষ্টা কৰি আছো। মাননীয় সদস্য নগেৰ শৰ্ম্মা ডাঙৰীয়াই পৰামৰ্শ আগবঢ়াইছে যে আমি গাঁৱবিলাকত এই সম্পৰ্কত বিশেষ গুৰুত্ব দিব লাগে, এই বিষয়ে মই একমত, আমি পাৰলৈ যাব লাগে কিন্তু আমি যোৱা নাই। গাৱলৈ যাতে যোৱা হয় তাৰ বাবে আমি ব্যৱস্থা কৰিব লাগিব আৰু কৰিবলৈ আৰম্ভ কৰিছো। এই ক্ষেত্ৰত আপোনাসকলৰ সহযোগ লাগে। মাননীয় সদস্য কেবাজনেও উল্লেখ কৰিছিল আৰু তেখেত সকলৰ লগত আমি একমত যে আমি গাওৰ কথা কৈ থাকো যেতিয়ালৈকে আমি গাওত থাকো। আৰু গাওঁৰ পৰা ভোটত জিকি অহাৰ পিচত গাওঁৰ কথা

---

*Speech not corrected.

পাহৰি যাও। গাৱৰ মানুহৰ কথা আমি একেবাৰে পাহৰি যাও আনকি আমাৰ আই-বোপাই, পাৰিয়ালকো পাহৰি যাও। ইমানদিনে যিবিলাক ভুল কৰা হৈছিল সেইবিলাক এতিয়া আমি জোৰা মাৰিবলৈ চেষ্টা কৰিম আৰু মাননীয় সদস্য সকলে এই ক্ষেত্রত যিবিলাক পৰামৰ্শ আগবঢ়াইছে সেই বিলাক কামত লগাবলৈ আগবাঢ়িম। মাননীয় সদস্য বীৰেশ মিশ্রই আৰু এটা দৰকাৰী কথা কৈছে, সেইটো হল বি, এফ, টি, এফ এ বহুত ৰাস্তা লৈছে। সেইবিলাক ঘুৰাই আনিব লাগে। গড়কাপ্তানী বিভাগে সেই কাম কৰিবলৈ চিন্তা কৰি আছে আৰু কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগৰ বিহিত ব্যৱস্থা লৈ আছে। তাৰ পিচত মাননীয় সদস্য শ্রীনগেন শৰ্মা ডাঙৰীয়াইপৰিবহণ আৰু তাৰ উন্নয়ণৰ কেইটামান কথা উল্লেখ কৰিছে। তাৰ লগতো মই একমত। সেইক্ষেত্রত মই আগতেই উত্তৰ দিছো। মাননীয় সদস্য শ্রীবানেশ্বৰ শইকীয়া ডাঙৰীয়াইও কেইটামান অভি-যোগ কৰিছে যে আমাৰ এই বিভাগত এষ্টিমেট ইত্যাদি তৈয়াৰ কৰোতে ইনফ্লেটেড কৰা হয়। এই ক্ষেত্রত যদি তেখেতে সঠিককৈ কয় তেতিয়া হলে আমি ইয়াৰ লগত সংশ্লিষ্ট বিষয়া যে ইয়াৰ বাবে দায়ি এইটো জানিব পাৰিম। চাব ডিভিজনেল বোৰ্ড যি আছে এষ্টিমেট কমিটি যি বিধান সভাৰ আছে এই কমিটিয়ে এনেধৰণৰ দুই তিনিটা কেচ লৈ পৰীক্ষা কৰি আমাক দিলে সেই বিষয়ে আমি চাব পাৰিম। শিক্ষিত যুবক যি সকল নিবনুৱা সেই সকলৰ পৰা ঠিকাদাৰী ক্ষেত্রত ১০০ টকাকৈ দাবী কৰা ক্ষেত্রত আমাক মাননীয় সদস্য গৰাকীয়ে স্পেচিফিক কেচ্‌টো জনালে আমি এই বিষয়ে অনুসন্ধান কৰিবলৈ সুবিধা পাম। আৰু এই বিষয়ে আমি অনুসন্ধান কৰিবলৈ নিৰ্দ্দেশ দিছো যে যি বিষয়া ইয়াৰ কাৰণে দায়ি বা সেই অফিচৰ ওপৰত যি সকল বহি আছে সেই সকলৰ ওপৰতো বিহিত ব্যৱস্থা লবলৈ ব্যৱস্থা কৰা হব।

শ্রীবানেশ্বৰ শইকীয়া :—এই ক্ষেত্রত মন্ত্রী ডাঙৰীয়ালৈ দিয়া চিঠিৰ কপি মইও পাইছো।

শ্রীদুলাল চন্দ্র বৰুৱা (মন্ত্রী) :—ইম আগতেই কোৱা মতে এই বিষয়ে অনুসন্ধান কৰি তাৰ ওপৰত তৎকালিন ব্যৱস্থা লম। আমাৰ মাননীয় সদস্য শ্রীচামচুল হুদা ডাঙৰীয়াই বহুতো পৰামৰ্শ আগবঢ়াইছে। তেখেতক মই কব বিচাৰো যে পানীত নামি গলেই পানী কিমান দ গম পায়। কিন্তু ননমাৰ আগতে ধৰিব নোৱাৰি। গতিকে পানীত ননমাৰ আগতে কিমান দ সেইটো কব নোৱাৰি। এতিয়া কিন্তু পানী ঘোলা হৈছে। মাননীয় সদস্য শ্রীবীৰেশ মিশ্র আৰু হুদা ডাঙৰীয়াই যিটো কথা উল্লেখ কৰিছে, এই ক্ষেত্রত বিৰোধী দলত থাকোতে আমি এই বিষয়ে অনুসন্ধান কৰিবৰ কাৰণে আগৰ মন্ত্রীৰ ওচৰত দাবী জনাইছিলো। তেতিয়াৰ মন্ত্রী ডাঙৰীয়াই আমাৰ সকলোকে সেই ক্ষেত্রত অনুসন্ধান কৰিছিল আৰু সেই অনুসন্ধানৰ ৰিপৰ্টৰ ওপৰত ভিত্তি কৰি দুনীতি পৰায়ণ বিষয়া সকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লম বুলি জনাইছিল। আন এটা কথা হল এজন সদস্যই কৈছে যে দেৱান বোলা এজন বিষয়া দোষী। কিন্তু অনুসন্ধান কমিটিত সেই মানুহৰ বিষয়ে কোনো অভিযোগ পোৱা নাই। যদি মাননীয় সদস্যই অনুসন্ধান কৰি কিবা স্পেচিফিক চাৰ্জ আনে তেতিয়া সেই বিষয়ে ব্যৱস্থা লম।

শ্রীবানেশ্বৰ শইকীয়া : মাননীয় মন্ত্রী ডাঙৰীয়াই বিধান সভাৰ সদস্য সকলক ভিজিলেন্স অফিচাৰ হব লাগে বুলি ভাবিছে নেকি ?

শ্রীদুলাল চন্দ্র বৰুৱা (মন্ত্রী) :—আপুনি নিজে কি বুলি ভাবে মই নাজানো।

শ্রীবানেশ্বৰ শইকীয়া : আমি বিধান সভাৰ বিধায়কহে। মন্ত্রী ডাঙৰীয়াই বাৰ বাৰ কৈছে যে স্পেচীফিক কিবা এটা দিলেহে আমি অমুকটো কামত, টমুকটো কেচত এক্‌শ্যন লব পাৰিম। এই ৮০ কোটি টকা খৰচ কৰি এই বিভাগত ইমান বিলাক বিষয়াক শাসনত ৰখাৰ কাৰণ কি যদি আমি বিধায়ক সকলে এনে বিলাক কেচৰ বিষয়ে চাই ফুৰিব লাগে। তেতিয়া হলে বিষয়া বিলাকৰ কাম কি ?

শ্রীদুলাল চন্দ্র বৰুৱা (মন্ত্রী):—মাননীয় সদস্য গৰাকী এজন গুণ সম্পন্ন লোক। বিধান সভাৰ কিছুমান নিয়ম-নীতি আছে সেইটো হল কোনোবাই চোৰ কৰিছে বুলি কলেই নহব তাৰ বাবে স্পেচি-

*. peech not corrected.

ফিক হিচাবে কোনে চোৰ কৰিছে, কত চোৰ কৰিছে সেইটো জনাব লাগিব। নহলে আজি কালি যি কোনো সময়তে প্ৰিভিলাইজ আহি যাব পাৰে। আমাৰ বিষয়া বিলাকে সদনত নিজকে ডিফেন্দ কৰিব নোৱাৰে সেই কাৰণে সদনত কব পৰাজনে যদি অমুক চোৰ তমুক চোৰ বুলি কয় তেনে ক্ষেত্ৰত বিভাগীয় মন্ত্ৰীয়ে সেইটো স্পষ্টীকৰণ বিচাৰিব। সেয়ে মই অনুৰোধ কৰিছো আমাৰ অনুসন্ধান কমিটিত মিশ্ৰ ডাঙৰীয়াই যাৰ কথা উল্লেখ কৰিছে তেওঁৰ নাম উল্লেখ নাই। যদি তেখেতে কিবা গম পাইছে আমাক জনালে ভাল হয়। আমাৰ এম,এল,এ, সকল আৰু নাগৰিক সকল প্ৰত্যেকেই একোজন ভিজিলেণ্ড হব লাগিব। কিয়নো যদি প্ৰকৃততে কোনোবা সৎ মানুহ হয় দেশখনৰ, সমাজখনৰ, পৰিয়ালৰ কথা যদি চিন্তা কৰে তেওঁৰ এইটো মৰেল ডিউটি হব লাগিব। সেইবিলাক বিষয়ত ভিজিলেন্ট হবলৈ। শ্ৰীৰমেশ চহৰীয়া ডাঙৰীয়াই বহুতো পৰামৰ্শ আগবঢ়াইছে এই ক্ষেত্ৰত মহকুমা বোৰ্ডৰ কথা মই আগেয়ে কৈছো যাৰ দ্বাৰা মহকুমাৰ উন্নয়ণ কল্পে কাম কৰিব পৰা হব। মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰীয়ে ট্ৰাইবেল অঞ্চল আজি বহু দিনৰ পৰাই নানা ভাবে অৱহেলিত হৈ আহিছে। কিয়নো তেওঁলোকে মাত মাতিব নোৱাৰে। নতুন চৰকাৰৰ দিনত এইটো আৰু অৱহেলিত হৈ নাথাকিব। মই ভাবো পিচপৰা অঞ্চল খিনিত সম্পূৰ্ণ নহলেও এই অঞ্চলত থকা জনজাতীয় লোক সকলৰ বসবাস কৰাৰ সুবিধাৰ কাৰণে আৰু যাতায়তৰ সুবিধাৰ কাৰণে যিখিনি পাৰি সেইখিনি কৰাৰ কাৰণে আমি ত্ৰূটি নকৰো। মাননীয় সদস্য শ্ৰীপ্ৰেম বৰা ডাঙৰীয়াই যিখিনি কৈছে মোৰ হৈয়ে কৈছে। তেখেত ভূক্তভোগী। সেই ৰাস্তাৰ লগত মইও ওতঃপ্ৰোতঃ ভাবে জৰিত। সেই অঞ্চলটো পিচপৰালৈ লক্ষ্য ৰাখি তাত যোগাযোগ ব্যৱস্থা উন্নত কৰিবৰ কাৰণে চৰকাৰে চিন্তা কৰিছে। সেইমতে কাম কৰিবলৈ আমাৰ মাননীয় সেই অঞ্চলৰ বিধায়ক সকলৰ সহায়-সহযোগতহে সেই অঞ্চলৰ কাম কৰিবলৈ সুবিধা হব আৰু উন্নতি কল্পে কাম কৰিব পৰা হব। তেখেতে কমলাবাৰীৰ নৰ্থ লক্ষীমপুৰৰ ৰাস্তাৰ কথা কৈছে। সচাকৈয়ে সেই ৰাস্তাটো অতি দুখ লগা। মই তালৈ গৈছিলো। আমাৰ যিজন বিষেশ বিষয়া তেওঁৰ লগতো আলোচনা কৰিছিলো। তেখেতক আৰু এটা বিকল্প ৰাস্তাৰ কথা কোৱা হৈছে। মাননীয় সদস্যৰ ঘৰৰ কাষেদি চিচাপথাৰ, দলং হলে সেই ফালৰ পৰা যোগাযোগ বদতি আৰু গৰমুৰলৈ যোগাযোগৰ সুবিধা হব। আৰু কমলাবাৰীলৈ ৰাস্তাটো ঘুৰাই অনাৰ কাৰণে চেণ্টা কৰিছো। কেন্দ্ৰীয় চৰকাৰৰ লগত এই সম্পৰ্কত বিহিত ব্যৱস্হা লবলৈ যত্ন কৰা হৈছে।

গতিকেই মই সেই অঞ্চলত থকা আতাইকেইজন বিধায়কলৈকে বিশেষভাৱে অনুৰোধ কৰিছো যে, তেখেত সকল আতাইকেইজন একেলগ হৈ ৰাইজৰ লগত, চৰকাৰৰ লগত সহযোগ কৰি সেই অঞ্চল সমূহৰ উন্নতিৰ কাৰণে কাম কৰিব।

আমাৰ মাননীয় সদস্য শ্ৰী প্ৰেমধৰ বৰা ডাঙৰীয়াই কমলাবাৰী নৰ্থলক্ষীমপুৰ ৰাস্তাটোৰ কথা কৈছে। সেইটো সচাকৈয়ে বৰ দুখ লগা অৱস্হাত আছে। মইও তালৈ গৈছিলো। দিল্লীৰ পৰা অহা এজন বিশেষজ্ঞই আমাৰ বিষয়া সকলৰ লগত আলোচনা কৰি এটা অলটাৰনেটিভ্ দি গৈছে। বদতিয়েদি এখন দলং আৰু গড়মুৰৰ ৰাস্তা পুনৰ সেই ফালেদি কমলাবাৰীলৈ অনাৰ চেণ্টা কৰি আছোঁ। কেন্দ্ৰীয় চৰকাৰৰ লগতো এই বিষয়ে যোগাযোগ কৰি ইয়াৰ বিহিত ব্যৱস্হা কৰিবৰ কাৰণে চিন্তা কৰি আছোঁ।

মাননীয় সদস্য শ্ৰীবীৰেণ চৌধুৰী ডাঙৰীয়াই গোলোক গঞ্জৰ কৰ্ট বিল্ডিংটোৰ যি কথা উল্লেখ কৰি কৈছে যে, তাত টকা কমাই দিয়া হৈছে। এ, জি, চি, চিএ বাধ্য হৈ কাম হাতত লৈছে। আগতীয়াহৈ টকা নিদিলে কাম আৰম্ভ কৰিব নোৱাৰি। আকৌ এবি দিলে ঘূৰাই আনিবলৈকো মুস্কিল। গতিকেই সম্পূৰ্ণ ভাৱে কামটো কৰিবৰ কাৰণে এ, জি, চি, চিক দিয়া হৈছে। ইয়াৰ চেয়াৰমেন হৈছে গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়েই। এই কামটো সোনকালেই সমাধান কৰি ৰাইজৰ অসুবিধা বিলাক আতৰ কৰিবৰ কাৰণে চেণ্টা কৰিম। ইয়াৰ পিছত জুনিয়ৰ টেক্‌নিকেল স্কুল, গোৱালপাৰা এই ঘৰটো পুনৰ বাসোপযোগী কৰিবৰ কাৰণে কাৰ্য্যবাহী অভিযন্তাক ইতিমধ্যেই নিৰ্দ্দেশ দিয়া হৈছে। চিভিল্ হস্পিটালৰ ঘৰটো আমাৰ গড়কাপ্তানী বিভাগত নপৰে। সেইকাৰণেই এই বিষয়ে সংশ্লিষ্ট বিভাগলৈ লিখিছোঁ। বিভাগৰ পৰা এতিয়ালৈকে কোনো ধৰণৰ উত্তৰ পোৱা নাই। এই বিষয়েও মই আমাৰ সদনক এইটো আশ্বাস দিছো যে, এই বিষয়ে কথা বতৰা পাতি যিমান সোনকালে পাৰি ব্যৱস্হা কৰিম।

মাননীয় সদস্য শ্ৰীখগেন বৰবৰা ডাঙৰীয়াইও বহুতবোৰ কথা কৈছে। মেডিকেল হস্পিটালৰ ঘৰ বিলাকৰ কথা কৈছে। এই বিলাক বিশেষ ভাবে চাবৰ কাৰণে পথ আৰু গৃহ এই দুটা ভাগ কৰি গৃহনিৰ্ম্মাণৰ কাৰণে এজন মুখ্যকাৰ্য্যবাহী অভিযন্তা আৰু পথ নিৰ্ম্মাণৰ কাৰণে এজন মুখ্যকাৰ্য্যবাহী অভিযন্তা ইতিমধ্যেই নিয়োগ কৰা হৈছে। এই ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই উল্লেখ কৰা কথাটোৰ সন্দৰ্ভত মই ইয়াকে কওঁ যে, এই বিলাক উপযোগী কৰিবৰ কাৰণে পুনৰ সংগঠনৰ প্ৰয়োজন হব। ইয়াৰ কাৰণে কিছুমান 'ডিভিজন' অদল বদল কৰিবলগীয়া হব পাৰে। এই ক্ষেত্ৰত মাননীয় সদস্য সকলৰ সহযোগ কামনা কৰিছোঁ। লগতে মই এইটোও কৈছোঁ যে, এই ডিভিজন বিলাক পুনৰ সংগঠন কৰোতে ৰাইজৰ কাৰণে কেনেকৈ সেইবিলাক কল্যাণমূলক হব সেইটো চেষ্টা কৰা হব বুলি মই আমাৰ সদনক আশ্বাস দিব পাৰো।

তাৰ পিছত আমাৰ মাননীয় সদস্য শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ডাঙৰীয়াই আমবাগান ষ্টেট ডিসপেন্সৰী খনৰ বিষয়ে কৈছে। এই বিষয়টো এতিয়াও আমাৰ গড়কাপ্তানী বিভাগৰ তললৈ অহা নাই। গতিকে এই বিষয়ে কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰো সেইটো তেখেতৰ লগত আলোচনা কৰিম। সেই অনুষ্ঠানটো গড়কাপ্তানী বিভাগৰ অধীনলৈ অনাৰ চেষ্টা কৰিম।

তাৰ পিছত মাননীয় সদস্য সকলে প্ৰকাশ কৰা আৰু এটা কথাৰ প্ৰতি মই জনাব খুজিছোঁ যে, এই গোটেই কথাবিলাক ভালদৰে বিচাৰ কৰি চাই এই বিভাগটো টেকনিকেল আৰু খৰতকীয়া কৰিবৰ কাৰণে আৰু দুৰ্নীতি আতৰ কৰিবৰ কাৰণে কেন্দ্ৰীয় এক্সপাৰ্ট কমিটি এটাই ৰিঅৰ্গেনাইজ কৰিবৰ কাৰণে পৰামৰ্শ আগবঢ়াইছিল। আগৰ চৰকাৰেও এই কথা বিলাক পৰীক্ষা নিৰীক্ষা আদি কৰিছিল। ইতিমধ্যে আমি আহি প্ৰথমেই সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। পথ আৰু গৃহ এই দুটাভাগ কৰিবৰ কাৰণে ব্যৱস্থা কৰিছোঁ। সেই হিচাবেই বিষয়া নিয়োগ কৰা আৰু চাব ডিভিজ্যন আৰু ডিভিজ্যনৰ সংখ্যা বঢ়াবলৈ বিছাৰিছোঁ। তাৰ লগে লগে নতুনকৈ কামত অহাকৈ বিষয়া নিয়োগ কৰা হব। সেই বিষয়ে মই আপোনালোকৰ লগত আলোচনা বিলোচনা আদি কৰিম। ৰাইজৰ হিতৰ কাৰণে গোটেই বিভাগটো সংগঠন কৰি কাম কৰাৰ পৰিবেশ এটা ঘূৰাই আনিবৰ কাৰণে ব্যৱস্থা কৰিম। বিভাগটোৰ কেইবাটাও 'উইং' আছে। ৰ'ড, বিল্ডিং, ইলেকট্ৰিকেল, মেকানিকেল আদি ভালেমান উইং আছে। এই সকলো বিলাক 'উইং' লগ লগাই এটা 'কো-অৰ্ডিনেটেড্ বডি'ৰ নিচিনা কৰি খৰতকীয়াকৈ কাম কৰিবৰ কাৰণে ব্যৱস্থা কৰা হব বুলি মই আমাৰ এই পবিত্ৰ সদনক আশ্বাস দিব পাৰো। ইয়াৰ ওপৰত নিৰ্ভৰ কৰি মই আশা কৰিব বিছাৰিছো যে, মাননীয় যি সকল সদস্যই এই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেই সকলে যেন এই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লয়। আপোনালোকে কোৱা-মতে যদি কাম বিলাক কৰিব লগীয়া হয় তেতিয়াহলে, আমাক আৰু টকা লাগিবহে। গতিকে সেই-খিনি কথালৈ লক্ষ ৰাখি আৰু আমাৰ যি উদ্দেশ্য তালৈ লক্ষ ৰাখি ৰাইজক সেৱা কৰিবৰ কাৰণে আপোনালোকে নিশ্চয় আমাৰ দাবীক সন্মান কৰিব। আমি দিয়া আশ্বাসত বিশ্বাস ৰাখি আপোনালোকে কৰ্ত্তন প্ৰস্তাৱটো উঠাই লয় যেন। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীছামছুল হুদা :—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে তেখেতৰ দায়ৱলীয়া জবাবৰ মাজত বহুতবোৰ কৈছে যে,তেখেতে অসমৰ থলুৱা ৰাইজৰ স্বাৰ্থ ৰক্ষা কৰিব। এইটো তেখেতৰ ব্যক্তিগত মনৰ শুভেচ্ছাহে নে চৰকাৰেও ইয়াৰ কাৰণে 'প্ৰটেকশ্বন'ৰ কিবা ব্যৱস্থা কৰিছে?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এইটো এটা 'প্ৰটেক্টিভ ৰোল'ৰ কথা নহয়। অসমত যি সকলে বসবাস কৰি আছে সেই সকলৰ সকলোৰেই এমুঠি অন্নৰ সংস্থান পাব লাগিব। সেইটো আমাৰ ব্যক্তিগত দাবী আৰু চৰকাৰৰো সেই একেটাই দাবী। তাৰ কাৰণে আমাৰ এলান্ধুকলীয়া শাসন যন্ত্ৰটো নিকা কৰি যদি 'অভাৰহলিং' কৰি লব পাৰো তেতিয়াহলে, নিশ্চয় আমি আমাৰ উদ্দেশ্যত সফলকাম হব পাৰিম।

*Speech not corrected.

শ্ৰীবৃন্ধ বৰুৱা ঃ—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীযোগেন গগৈ ডাঙৰীয়াই এটা কথা উত্থাপন কৰিছে যে, তেল উৎপাদিত অঞ্চল বিলাকত ১৮/২০ চকীয়া গাড়ী বিলাক কিমান মোন বোজা লৈ অহা-যোৱা কৰে সেইটো কব নোৱাৰো। কিন্তু অহা-যোৱা কৰে। ফলত সেই ৰাস্তা বিলাক একেবাৰেই শেষ হৈ যায়। কিছুমান দলঙৰ ওপৰেদি এবাৰ গলেই আৰু দ্বিতীয় বাৰ যাব নোৱাৰা হৈ পৰে। ফলত প্ৰায় বিলাক ৰাস্তাই বন্ধ হৈ থাকিব লগীয়া হয়।

আমি দেখিবলৈ পাইছো তেওঁলোকে যিবিলাক ৰাস্তা বনাইছে সেইবিলাক নিশ্চিন্তমনে গাড়ী যোৱা নিবৰ কাৰণে তলত প্ৰথমতে ডাঙৰ ডাঙৰ বোলডাৰ দিয়ে তাৰ পাছত মাটি দিয়ে আৰু তাৰ পাছত আধাফুট ছয় ইঞ্চিমান শিল দিয়ে, কিন্তু আমাৰ যিবিলাক ৰাস্তা আছে সেই-বিলাকত কেৱল দুই এটাহে শিলগুটি দেখিবলৈ পোৱা যায়। গতিকে এই সম্পৰ্কে মাননীয় মন্ত্ৰী মহো-দয়ে অ,এন,জি,চিৰ লগত আলোচনা কৰি কিবা এটা ব্যৱস্থা কৰিবনে ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী, গড়কাপ্তানী) ঃ—অধ্যক্ষ মহোদয়, মই কম বুলি ভাবিছিলো, কিন্তু ভাষণটো বেছি দীঘলীয়া হল, সেই কাৰণে কোৱা নহল।

এই সম্পৰ্কে মই নিজে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো আৰু তেখতসকলক কৈ দিছো যে, যদি আপোনালোকে এই ৰাস্তাটো ব্যৱহাৰ কৰিবলৈ লয়, তেতিয়াহলে ৰাস্তাটোৰ মেৰামতীৰ ক্ষেত্ৰত যিখিনি খৰচ হয়, তাৰে শতকৰা ৫০ ভাগ টকা আপোনালোকে দিব লাগিব, যদি আপোনালোকে নিদিয়ে তেতিয়াহলে এই ৰাস্তা আমি ব্যৱহাৰ কৰিবলৈ দিব নোৱাৰিম। ইতিমধ্যে তেওঁলোকে শতকৰা ৫০ভাগ দিম বুলি আশ্বাস দিছে। এই বিষয়ত মই নিজেও ভাবো, অ, এন, জি, চি'ৰ ডাঙৰ মেচিনেৰী বিলাক যদি চলাবলৈ দিয়া হয়, তেতিয়াহলে সেইবিলাক ৰাস্তা হৈ নাথাকিব, এই ৰাস্তাটো তেওঁ-লোকে চলোৱা ৰাস্তা নহয়; আজি সেইটো শিৱসাগৰত হোৱাৰ কাৰণেহে তেওঁলোকে চলাব পাৰিছে। আন ঠাইৰ ৰাস্তাত হয়তো চলাব নোৱাৰিলেহেতেন। আজি নাম দাঙৰ বা তেনে ধৰণৰ যিবিলাক ৰাস্তা আছে, সেইবিলাক সম্পূৰ্ণৰূপে মজবুত হৈ আছে। গতিকে এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত আমাৰ গড়-কাপ্তানী বিভাগৰ যিবিলাক ৰাস্তা আছে আৰু তাৰ যিটো মানদণ্ড সেই মানদণ্ড আৰু ভালনৈ অন্যৰ সম্বন্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ধৰা হৈছে। এই ক্ষেত্ৰত মই কৈছো, এইটো ব্যৱস্থা কৰিবলৈ হলে আপোনালোকৰ ফালৰ পৰা সম্পূৰ্ণ টকা পইচা দিব লাগিব আৰু এইটোত মান্তি হলেহে তেনেকুৱা কাম কৰিব পাৰিম, লগতে আপোনালোকৰ সম্পূৰ্ণ সহায় সহযোগ লাগিব।

*শ্ৰীজীৱন বৰা ঃ—মোৰ এটা স্পষ্টীকৰণ আছে যে, আমাৰ তেজপুৰৰ পৰা মিছামাৰীলৈ আহোঁতে আৰু তেজপুৰৰ আশে-পাশে যিবিলাক ৰাস্তা আছে, সেইবিলাকেদি মিছামাৰীৰ মিলিটেৰী কেন্টনমেন্ট এৰিয়াৰ পৰা বহুতো গাড়ী সৰুসুৰা ৰাস্তাইদিও অহা-যোৱা কৰে ; তেনেকৈ প্ৰায় দিনেই ৭০-৮০ খন মান মিলিটেৰী গাড়ী অহাযোৱা কৰে, গতিকে তেনেকুৱা ৰাস্তাবিলাক বিশেষকৈ মিছামাৰীৰ ৰাস্তাটো ব্লেকটপিং কৰাৰ ব্যৱস্থা চৰকাৰে চিন্তা কৰিবনে ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী গড়কাপ্তানী) ঃ—মই ব্লেক-টপিঙৰ কথাটো আগতেই কৈছো, সেইটো দায়িত্ব আপোনালোকৰ কেৱল আমি টকাহে দিম। এক কোটি টকা গোটেই ৰাজ্যৰ কাৰণে ধৰা হৈছে, সেইমতে বিলাই দিম। লগতে এইটোও কৰিবলৈ ধৰা হৈছে যে যিবিলাক অতি দৰকাৰী ৰাস্তা যেনে ঃ— বতদ্ৰৱা বা হাজোৰ পৰা নলবাৰীলৈ যোৱা ৰাস্তা আৰু তেনেকৈ শিৱসাগৰত দুই এটা ৰাস্তা আছে, সেই-বিলাক ব্লেক-টপ কৰাৰ কথা চিন্তা কৰিছো আৰু তাৰ কাৰণে কত কেনেধৰণে বিহিত ব্যৱস্থা লোৱাৰ বাহিৰে বাকীখিনি কত কেনেকৈ ব্লেক-টপিং কৰিব লাগে, সেইটো আপোনালোকে চিন্তা কৰি লব।

---

*Speech not corrected.

*শ্রীযোগেন গগৈ ঃ—অধ্যক্ষ মহোদয়, মই দুটা বিষয়ৰ ওপৰত স্পষ্টীকৰণ বিচাৰিছো। চাহ বাগানৰ মাজেদি যোৱা কিছুমান মূল ৰাস্তা আছে, সেইবিলাক গড়কাপ্তানী বিভাগে লোৱাৰ পাছত যাতায়ত অচল হৈ পৰিছে, বন্ধ হৈ আছে। মই স্পষ্টভাৱে কৈছো যে আমলোগৰৰ মৌজাত যিটো ৰাস্তা আছে, সেই তেধেৰণৰ ৰাস্তাবিলাক চৰকাৰে লবনে নলয় জনাব লাগে, গড়কাপ্তানী বিভাগে কিন্তু তাত কোনো কাম কৰা নাই!

দ্বিতীয়তো স্পষ্টীকৰণ হল ব্লেক-টপিং সম্পৰ্কে মোৰ সমষ্টিত নেচনেল হাইৱেটো যোৱাৰ বাহিৰে বাকী ১ ইঞ্চ আলিও ব্লেক টপিং হোৱা নাই। এইবিষয়ে মই প্ৰশ্ন দিছো, গতিকে এইবিষয়ে কিছু জনালে ভাল হয়।

*শ্রীগোলোক কাকতি ঃ—বহুতো সদস্যই প্ৰায় আধা ঘণ্টা, এক ঘণ্টা কোৱাৰ সুযোগ পালে, তেখেত সকলৰ বক্তৃতাৰ সময়ত। কিন্তু আমাক ৫ মিনিট কৰলৈ সুবিধা নিদিলে, গতিকে যি সকলে এক ঘণ্টাকৈ কৰলৈ সুবিধা পালে, সেইসকলকে এতিয়াও কৰলৈ সুযোগ দিছে, কিন্তু আমাক সেইটো সুবিধা নিদিলে।

Shri RANENDRA NARAYAN BASUMATARY : I want to know from the hon'ble Minister, the hon'ble Minister in course of his reply has said that in the case of Kokrajhar subdivision there are some important roads particularly connected with the subdivisional headquarters. I also mentioned in my speech about the roads. Will the hon'ble Minister kindly give attention to the black topping of subdivisional connecting roads ?

*শ্রীনৰেন্দ্ৰ নাথ দত্ত ঃ—অধ্যক্ষ মহোদয়, আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে এটা ভাল কথা কৈছে, যে নিবনুৱা সকলক কাম দিয়াৰ কাৰণে ঠিকা আদি দিয়াৰ ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা কৰা হৈছে। কিন্তু এই শিক্ষিত নিবনুৱাক কেৱল ঠিকাহে দিয়া হব নে,বিত্তীয় সাহায্য আদিও দিয়া হব? এতিয়ালৈকে আমি যিটো দেখিছো, শিক্ষিত নিবনুৱাক কাম দিয়াৰ ক্ষেত্ৰত ৩ জন শিক্ষিত নিবনুৱাক চাৰ্টিফিকেট আদি দিয়াৰ পাছত লাইচেন্সও ললে। কিন্তু বিত্তীয় দুৰাৱস্থাৰ কাৰণে সেই শিক্ষিত নিবনুৱা কেইজনক ডাঙৰ ডাঙৰ দুই চাৰিজন ঠিকাদাৰে ব্যৱহাৰ কৰে। টকাৰ অভাৱত তেওঁলোকে লাইচেন্স বেচিব লগা হৈছে, কাৰণ টকা নাই কাৰণে কাম কৰিব পৰা নাই। সেইকাৰণে চৰকাৰে সেই সকলক যদি লাইচেন্স দিয়াৰ পাছত বিত্তীয় সাহায্য দিয়া নহয়, তেতিয়াহলে প্ৰকাৰান্তৰে চুৰকহে কাম দিয়া হব,নিবনুৱাৰ সমস্যা সমাধান নহব, সেই বিষয়ে মই আপোনাৰ স্পষ্টীকৰণ বিচাৰিছোঁ।

শ্রীবীৰেন্দ্ৰ নাথ চৌধুৰী ঃ—সৈনিক স্কুলৰ সংক্ৰান্তত মই বক্তৃতাত উল্লেখ কৰিছিলো, বৰ্ত্তমান সেই সৈনিক স্কুলৰ ৰাস্তাটো একেবাৰে নষ্ট হৈছে, গতিকে চৰকাৰে কি ব্যৱস্থা লৈছে, তাৰ স্পষ্টীকৰণ দিব লাগে।

Shri FAKRUL ISLAM : My point is, in his reply to the cu motions on demands for grants, the hon'ble Minister has said he ha taken up the matter of moving of ONGC vehicles and the Centra Govt. has agreed to bear the 50% cost of the maintanance of roads in industrial belts. I now wish to draw his attention to my constituency Patharkandi which is not within the industrial belt and where ONGC has undertaken drilling and large number of vehicles are moving destroying the roads. The point is I want to draw the attention of the hon'ble Minister to non-industrial belt roads.

---

*Speech not corrected.

শ্ৰীআলাউদ্দিন চৰকাৰ :—অধ্যক্ষ মহোদয়, মই অসমৰ একেবাৰে পশ্চিম প্ৰান্তৰ পৰা আহিছো। গোলোক গঞ্জৰ গঙ্গাধৰ নৈৰ ওপৰত যিটো দলং হৈছে, এই দলঙৰ লগত সংযোগ কৰিবৰ কাৰণে মাটি দিয়াৰ ক্ষেত্ৰত গোহাঁইকমল বাজৰী সত্ৰশাল, মতাজা , সোণাসাৰ, আজগড় সত্ৰশাল, ইত্যাদি, এই বাট বিলাক জৰুৰীভাৱে মেৰামতিৰ কাম হোৱা নাই। গতিকে এই সমস্যাটো নৰ্থ-ইষ্টাৰ্ণ কাউন্সিলৰ মেজৰ সমস্যাত অন্তৰ্ভূক্ত কৰি জৰুৰী ভাবে মেৰামতি কৰিবি ব্যৱস্হা কৰিবনে ?

Mr. SPEAKER : Order, order. The Minister will reply to the clarification sought by the hon'ble members and then I will see if I can allow the other hon'ble members any time for further clarifications.

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী মন্ত্ৰী) :—গোৱালপাৰাৰ সদস্য ডাঙৰীয়াই যিটো কথা কৈছে আৰু এন, ই, চিৰ দ্বাৰা ৰোৰ্ডাৰ ৰোডৰ ভিতৰত কভাৰ কৰাৰ যিটো কথা কৈছে সেই সম্পৰ্কত কওঁ যে গঙ্গাধৰ আৰু চিলাৰায় যি ৰাস্টা সেই ৰাস্তা নষ্ট হৈছে সেই বিলাক চৰকাৰে তদন্ত কৰিছে আৰু ইতিমধ্যে সিদ্ধান্ত কৰিছে। ইয়াৰোপৰি মই এইটো কথা কব খোজো যে সদনে কিমানদূৰ ভাল পায় নাপায় কব নোৱাৰো আগৰ যিবিলাক পুৰণা আলি পদুলি আছিল গড় আদি আছিল সেই বিলাক ৰজাদিনিয়া বস্তু বিলাক ৰিনোভেট কৰাৰ ব্যৱস্হা গ্ৰহণ কৰিছো।

মাননীয় সদস্য গগৈ ডাঙৰীয়াই চাহ বাগানৰ সম্পৰ্কত যিটো কথা কৈছে সেইটো অকল আমাৰ শিৱসাগৰ জিলাতেই নহয় নগাঁও, যোৰহাট, গোলাঘাট, দৰং আৰু তেজপুৰ সকলোতে আছে। এইটো বাগানৰ কৰ্ত্তৃপক্ষৰ লগত বুজা-বুজিৰ ওপৰত নিৰ্ভৰ কৰি কৰিব লাগিব নহলে আমাৰ এম, এন, পি আঁচনিত যেতিয়া উপাযুক্ত সকলো থাকিব আৰু লেণ্ড একুইজিচন অফিচাৰৰ যোগেদি আমাৰ নিজৰ ৰাস্তা কৰি লোৱাৰ বন্দবস্ত কৰিব লাগিব।

মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই যিটো কৈছে মহকুমাৰ হেড কোৱাৰ্টাৰ আৰু ব্লেক টপিং কৰাৰ সম্পৰ্কত সেই বিষয়ে যদি আমাৰ ফাণ্ডে কুলায় তেতিয়াহলে মাননীয় সদস্যগৰাকীৰ কামনা বাসনা পূৰণ কৰিবলৈ চেষ্টা কৰিম। সৈনিক স্কুলসম্পৰ্কে মাননীয় সদস্য গৰাকীয়ে কৈছে সেইটোও বিবেচনা কৰা হৈছে। ইতিমধ্যে খা-খবৰ লোৱা হৈছে। মাননীয় সদস্য শ্ৰীদত্ত ডাঙৰীয়াই নলবাৰীৰ যিটো কথা কৈছে সেই সম্পৰ্কত কব বিচাৰিছো যে ফাণ্ড হিচাবে কভাৰ কৰিব পৰা হয় নে নহয় কব নোৱাৰো কিন্তু এনেকুৱা ব্যৱস্হা কৰা হব যাতে টকা পইচাৰ অসুবিধা নহয় আৰু ৰানিং বিল আদি পেমেণ্ট হলেও অলপ টকা পইচা সংগ্ৰহ কৰি কাম বিলাক কৰিব পৰা হয়।

*শ্ৰীভুবনেশ্বৰ বৰ্মণ :—মাননীয় অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে যেনেকৈ কলে আমি সকলোবিলাক পাই যোৱা যেনেই পালো। মই এটা কথা জানিব বিচাৰিছো।

*অধ্যক্ষ :—স্পষ্টীকৰণ বিচাৰিব পাৰে।

*শ্ৰীভুবনেশ্বৰ বৰ্মণ :—যিকেইটা ৰাস্তা পদুলি ব্লেক টপিং কৰাৰ কথা কৈছে সেই বিলাক ৰেৰিজনেল বোৰ্ডৰ ফাণ্ডৰ পৰা কৰা নে ষ্টেট ফাণ্ডৰ পৰা কৰা হব সেইটো জানিব বিচাৰিছো।

*Speech not corrected.

